REFERENCE,
(NOT FOR ISSUE)
READING ONLY INSIDE LIBRARY.

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

### VOLUME II

### No. 14

The 1st April, 1986

सत्यमेव जयते

1989
PRINTED AT THE PAPLOO PRINTERS
JORHAT

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1986

## ( BUDGET SESSION )

**Vol. II**

**No. 14**

The 1st April, 1986

## CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions ... .... .... | 6—52 |
| 2. | Miscellaneous .... ... ... | 52—57 |
| 3. | Calling Attention ... ... ... | 57—59 |
| 4. | Matter under Rull 301 .... ... | 59—62 |
| 5. | Election of the Deputy Speaker ... .... | 62—66 |
| 6. | Ruling from the Chair ... ... | 66—78 |
| 7. | Private Members Resolution ... ... | 78—124 |
| 8. | Adjournment ... ... .... | 124 |


—+—

# Assam
# Legislative Assembly Debates

## OFFICIAL REPORT

### BUDGET SESSION

### VOLUME II

### NO. 14

The 1st April, 1986

**Proceedings of The Budget Session of the Assam Legislative Assembly assembled after the Eighth General Elections under Sovereign Democratic Republican Constitution of India**

The House met in the Assembly Chamber, Dispur Guwahati on Tuesday the 1st April 1986 with the Hon'ble Speaker, in the Chair, 14 ( Fourteen ) Minister, 7 ( Seven ) Minister of State, and 88 (Eightyeight) Members present.

## STARRED
## QUESTIONS AND ANSWERS
### ( To which oral replies were given )

### বিঃ শিক্ষিত নিবনুৱাৰৈ ঋণ মঞ্জুৰী

শ্ৰীকামাখ্যা চৰণ চৌধুৰীয়ে সুধিছে :

*২৭৩। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৮৩ চনৰ পৰা ১৯৮৫ চনৰ নবেম্বৰ মাহলৈ কিমান শিক্ষিত নিবনুৱা যুৱকক চৰকাৰে উদ্যোগৰ বাবে ঋণ মঞ্জুৰী কৰিছে ? (জিলা ভিত্তিক সংখ্যাবোৰ দিব)

(খ) এই ঋণৰ পৰিমাণ কিমান আৰু কি কি উদ্যোগৰ কাৰণে দিয়া হৈছিল ?

(গ) এই ঋণলৈ আচনিমতে উদ্যোগবোৰ খোলা হৈছেনে ?

(ঘ) যদি হোৱা নাই কিয় ?

(ঙ) চৰকাৰে তাৰ বাবে কি ব্যৱস্থা লৈছে ?

শ্ৰীদিগেন চন্দ্ৰ বৰা (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৭৩। (ক)—জিলা ভিত্তিক সংখ্যাবোৰ হল—

| জিলা | ঋণ লোৱা লোকৰ সংখ্যা | |
|---|---|---|
| | ১৯৮৪-৮৫ | ১৯৮৩-৮৪ |
| ১। গোৱালপাৰা | ৮৬৯ | ১০১২ |
| ২। কামৰূপ | ১৯৯৭ | ১৫২৬ |
| ৩। নগাওঁ | ৯৬৪ | ৯৩৯ |
| ৪। শিৱসাগৰ | ৬৮৬ | ৯৫৩ |
| ৫। ডিব্ৰুগড় | ১০০৬ | ৯০৭ |
| ৬। লক্ষীমপুৰ | ৩৭৪ | ৪০৭ |
| ৭। দৰং | ৭৮৩ | ৭৭৯ |
| ৮। উত্তৰ কাছাৰ | ১৭২ | ১৮০ |
| ৯। কাৰবি আংলং | ১৯৪ | ২০৩ |
| ১০। কাছাৰ | ৯৭৬ | ৮১১ |
| মুঠ | ৮০২১ | ৭৭১৭ |

(খ)—ঋণৰ পৰিমাণ, ১৯৮৩-৮৪ আৰু ১৯৮৪-৮৫ চনত যথাক্ৰমে ১৫৪০.৪৪ লাখ আৰু ১৬৪৬.১৯ লাখ টকা। ১৯৮৫-৮৬ চনৰ বাবে আঁচনিৰ কাৰ্য্যকৰণ চলি থকা বাবে তথ্যপাতি যুগুতোৱা হোৱা নাই। এই ঋণ যিকোনো উদ্যোগ ব্যৱসায় আৰু সেৱা (Service) প্ৰতিষ্ঠান খোলাৰ বাবে দিয়া হৈছে।

(গ)—এই ঋণ লোৱা ব্যক্তিসকলৰ প্ৰায় ভাগেই উদ্যোগ বা ব্যৱসায় স্থাপন কৰিছে।

(ঘ)—আৰু (ঙ)—যি সকলে এই ঋণ লৈ টকাৰ সদব্যৱহাৰ কৰা নাই তেওঁলোকক শীঘ্ৰে টকা ঘুৰাই দিবলৈ কোৱা হৈছে অন্যথাই টকা আদায় কৰিবলৈ বাকীজাই ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

Shri Charan Narzary : Yes Sir, I have a supplementary. From the reply given by the hon'ble Minister it appears that certain districts like Kokrajhar have been completely left out. So, may I know whether it is because of the fact that there is no unemployed youths in those districts who deserve Govt. loan for their self-employment ? I want specific reply from the hon'ble Minister as to what is the reason for not covering those districts.

শ্ৰীদিগেন চন্দ্ৰ বৰা (উদ্যোগ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, স্পষ্ট উত্তৰটো নিশ্চয় এনেকুৱাই-হব অবিভক্ত জিলা গোৱালপাৰাক নিশ্চয় ধৰা হৈছে, সেইদৰে শিৱসাগৰ ধৰা হৈছে।

শ্ৰীজয় নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, যি বিলাক উদ্যোগ খুলিবলৈ ঋণ দিয়া হয়, এই ঋণ দিওতে ৰাজনৈতিক বিচাৰ বিবেচনা কৰা হৈছিল নেকি ? ঋণ লোৱাৰ পিচত যি সকলে চাকৰি কৰি আছে, উদাহৰণ স্বৰূপে প্ৰাক্তন বিধায়ক ফনি বৰাৰ লৰাই আফগান' উদ্যোগৰ বাবে ২৫ হেজাৰ টকাৰ লোন লৈ চাকৰি কৰি আছে, ইয়াৰ অনুসন্ধান কৰি ব্যৱস্থা লবনে ?

শ্ৰীদিগেন চন্দ্ৰ বৰা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই ঋণ দিয়াৰ সময়ত ৰাজনৈতিক বিচাৰ-বিবেচনা কৰিছিল নে নাই সেইটো আগৰ চৰকাৰৰ কথা, তাৰ কাৰণে আমি নিশ্চয় জগৰীয়া নহয়। যি সকলে ঋণ লৈ চাকৰি কৰি আছে, তেওঁলোকক

পইচা ঘুৰাই দিবলৈ কোৱা হৈছে। অন্যথাই, তেওঁলোকৰ ওপৰত 'বাকীজাই' কেছ কৰা হ'ব।

শ্ৰীআব্দুল হামিদ : অধ্যক্ষ মহোদয়, ঋণৰ অনুমোদন হোৱাৰ পিচতো বেঙ্কে টকাটো উলিয়াই নিদিয়ে, এই সম্পৰ্কে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীদিগেন চন্দ্ৰ বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এনেধৰণৰ অভিযোগ বহুতো আহিছে আৰু ইয়াৰ বিহিত ব্যৱস্থা লোৱাৰ কাৰণে চেষ্টা চলাই থকা হৈছে।

## বি : বঙাইগাওঁ শোধানাগাৰত নিযুক্তি

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে :

*২৭৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, অনুগ্ৰহ কৰি জনাবনে—

(ক) বঙাইগাওঁ শোধনাগাৰ আৰু পেট্ৰ'ৰাসায়নিক চক্ৰত নিয়োগৰ ক্ষেত্ৰত থলুৱা স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত নজৰ দিবলৈ ১৯৭৮ চনৰ পৰা ১৯৮১ চনলৈ শ্ৰীউমা চৰন শৰনীয়া, আই, এ, এচক অসম চৰকাৰৰ ফালৰ পৰা নিযুক্তি দিয়া হৈছিল নেকি ?

(খ) যদি হৈছিল ১৯৮১ চনৰ পিছত উক্ত পদত আন বিষয়াক নিযুক্তি দি পঠোৱা হৈছে নে ?

(গ) যদি হোৱা নাই, বৰ্ত্তমান চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

২৭৪ (ক)—বঙাইগাওঁ শোধানাগাৰ আৰু পেট্ৰ'ৰাসায়নিক চক্ৰত শ্ৰীউমা চৰন শৰনীয়া, আই, এ, এচক প্ৰতিনিযুক্তিত ( Deputation ) পঠোৱা হৈছিল। তেওঁ তাত ৫-১০-৭৮ তাৰিখৰ পৰা ২০-১০-৮০ তাৰিখলৈ মেনেজাৰ (কৰ্ম্মচাৰী আৰু প্ৰশাসন) (Personnel & Admn.) ৰ দায়িত্বত আছিল।

(খ)— পঠোৱা হোৱা নাই।

(গ)—ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত প্ৰতিনিযুক্তিৰ ব্যৱস্থা বাহাল ৰাখিছে যদিও ভাৰত চৰকাৰৰ পৰা প্ৰতিনিযুক্তিৰ (Deputation) অধিযাচন ( Requisition ) পোৱা হোৱা নাই।

Starred Question No 275 was not put and answered as the hon. Questioner was absent.

## বি : উদ্যোগ বিহীন জিলা

শ্ৰীজগত হাজৰীকাই সুধিছে :

*২৭৬। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ভাৰত চৰকাৰে অসমৰ কোন কোন জিলাক উদ্যোগ বিহীন জিলা হিচাবে ঘোষণা কৰিছে ?

(খ) উদ্যোগ বিহীন জিলা হিচাবে ঘোষণা কৰা জিলা সমূহক অসমৰ উদ্যোগিক মানচিত্ৰত অনাৰ বাবে চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীদিগেন বৰা (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৭৬। (ক)—লক্ষীমপুৰ জিলা আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাক উদ্যোগ বিহীন জিলা হিচাবে ঘোষনা কৰা হৈছে।

(খ)—উদ্যোগ বিহীন জিলা হিচাবে ঘোষণা কৰা জিলা সমূহক অসমৰ উদ্যোগিক মানচিত্ৰত অনাৰ বাবে চৰকাৰে এতিয়ালৈকে লোৱা ব্যৱস্থা সমূহ হ'ল—

লক্ষীমপুৰ জিলাৰ বিকাশ (Growth) কেন্দ্ৰৰ কাৰণে এতিয়ালৈকে ৮৬ বিঘা ৪ কঠা ১৪ লেছা মাটি বিমান কোঠাৰ ওচৰত অধিগ্ৰহণ কৰা হৈছে আৰু অতিৰিক্ত ৭৩ বিঘা ১ কঠা ১৮ লেছা মাটি North Eastern Industrial of Technical Consultancy ৰ লগত যুতীয়া ভাৱে পৰিদৰ্শন কৰি বিচাৰি উলিওৱা হৈছে।

উক্ত মাটিখিনি চৰকাৰী খাচ মাটি আৰু উদ্যোগ বিহীন জিলাৰ উন্নয়নৰ কাৰণে ইতিমধ্যে জিলা প্ৰাধীকাৰীয় উদ্যোগ বিভাগক দিবলৈ সন্মত হৈছে।

উত্তৰ কাছাৰ পাৰ্ব্বত্য জিলাৰ লঙ্কা গৰমপানী পথৰ পৰা ২৯ কিলোমিটাৰ দূৰত্বত অৱস্থিত মুনজীনবীত ৮০০ বিঘা মাটি ইতিমধ্যে অধিগ্ৰহন কৰা হৈছে।

লক্ষীমপুৰ জিলাত কিছুমান মজলীয়া আৰু বৃহৎ উদ্যোগ স্থাপন কৰিব পৰা উদ্যোগ বাছনি কৰিবলৈ NEITCO ক IDBI আৰু ICICI য়ে দায়িত্বৰ ভাৰ অৰ্পণ কৰিছে। লগতে উদ্যোগ গোট বিলাকৰ বাবে যাৱতীয় সা-সুবিধাৰ আঁচনিও দিবলৈ কোৱা হৈছে। এই সম্পৰ্কত NEITCO য়ে খচৰা প্ৰতিবেদন যুগুতাই আছে বুলি জনাইছে।

উত্তৰ কাছাৰ পাৰ্ব্বত্য জিলাৰ বাবেও NEITCO ক এই সম্পৰ্কত খচৰা যুগুতাবলৈ দিয়া হৈছে।

[*NEITCO—North Eastern Industrial & Technical Consultancy Organisation

IDBI—Industrial Development Bank of India.

ICICI—Industrial Credit & Investment Corporation of India.]

শ্ৰীজগত হাজৰীকা ঃ মাননীয় অধ্যক্ষ মহোদয়, কোন চনৰে পৰা লক্ষীমপুৰ জিলাক 'জিৰো' ইনদ্ৰাষ্টি জিলা হিচাবে ঘোষনা কৰা হৈছিল।

শ্ৰীদিগেন বৰা, (উ: বি: মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, চনটো মোৰ হাতত নাই।

শ্ৰীজগত হাজৰীকা : মাননীয় অধ্যক্ষ মহোদয়, লক্ষীমপুৰ জিলাক উদ্যোগবিহীন জিলা হিচাবে ১৯৭৯ চনতে ঘোষণা কৰা দিনৰে পৰা ১৯৮৩ চনলৈকে কিছুমান উদ্যোগৰ কাৰণে মুকলি ভাৱে ইমৰ্পট লাইচেন্স দিয়াৰ কথাটো জানেনে ? যদি জানে এই সম্পৰ্কত বিহিত ব্যৱস্থা কিবা লোৱা হৈছেনে ?

শ্ৰীদিগেন বৰা (উঃ বিঃ মন্ত্ৰী) : এনে ধৰণৰ কোনো কথা চৰকাৰৰ দৃষ্টিগোচৰ হোৱা নাই। দৃষ্টিগোচৰ হলে বিবেচনা কৰা হব।

শ্ৰীজগত হাজৰীকা : লক্ষীমপুৰ জিলাক উদ্যোগবিহীন জিলা হিচাবে ঘোষনা কৰাৰ পিচত ১৯৭৯ চনৰে পৰা ১৯৮৩ চনলৈকে বহুত বিলাক ইমৰ্পট লাইচেন্স চৰকাৰী বিষয়া সকলে দিছিল। এই বিষয়া সকলৰ ওপৰত কিবা ব্যৱস্থা লবনে ?

শ্ৰীদিগেন বৰা (উঃ বিঃ মন্ত্ৰী) ঘটনাটো সত্য হয়নে নহয় এইটো কথা নজনালৈকে অভিযোগ বুলিয়েই কব লাগিব। এই ঘটনাটো সত্য হয়নে নহয় বিভাগে বিভাগে বিবেচনা কৰিব এই কথাটো আমি চাম।

শ্ৰীজগত হাজৰীকা ঃ উদ্যোগ বিহীন জিলা হিচাবে ঘোষণা কৰাৰ লগে লগেই বহুত বিলাক ইমৰ্পট লাইচেন্স দিয়াৰ কাৰণে যিটো সমস্যা হৈছে সেইটো মন্ত্ৰী মহোদয়ে চাবনে ?

শ্ৰীদিগেন বৰা (মন্ত্ৰী উঃ বিঃ) ঃ অধ্যক্ষ মহোদয়, এইটোৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব।

শ্ৰীজগত হাজৰীকা ঃ মই লক্ষীমপুৰ জিলাৰ উদ্যোগ বিহীনতাৰ কথা কৈছো। ইয়াৰ কাৰণে আৰু কি বেলেগ প্ৰশ্ন লাগে ?

মাঃ অধ্যক্ষ ঃ এইটো এটা সুকিয়া প্ৰশ্ন।

শ্ৰীদেৱান জয়নাল আবেদিন : মই মন্ত্ৰী মহোদয়ৰ পৰা এইটো কথা জানিব বিচাৰিছো যে এখন জিলাক উদ্যোগবিহীন জিলা হিচাবে ঘোষণা কৰিবলৈ কি সুত্ৰ মানি চলা হয় ?

শ্ৰীদিগেন বৰা (মন্ত্ৰী উঃ বিঃ) উদ্যোগ নাথাকিলেই উদ্যোগবিহীম বুলি কোৱা হয় ।

শ্ৰীদেৱান জয়নাল আবেদিন ঃ মন্ত্ৰীয়ে মোৰ প্ৰশ্নটো এৰাই গৈছে। জিলা এখনত কোনো ধৰণৰ উদ্যোগ নাথাকিব সেইটো কথা কেতিয়াও হব নোৱাৰে। উদ্যোগবিহীন জিলা হিচাবে ঘোষণা কৰিবলৈ নিশ্চয় কিবা তাৰ সুত্ৰ থাকিব লাগিব । গতিকে তেখেতে এই কথাটো কব লাগে ।

শ্ৰীদিগেন বৰা (মন্ত্ৰী উঃ বি:) : এইটো মই পিচত জনাব পাৰিম।

Shri Charan Narzari : Sir, my question is very pertinent. I want to know from the Hon'ble Industries Minister, whether he is aware of the fact that establishment of big industries in the State has been a cause of exploitation by the people from outside the state and as a result of the establishment of big indu stries the indigeneous people are being uprooted thus rendering them homeless and landless. If it is so, whether the Government will be going on encouraging establishment of such big industries without proper planning to protect the genuine interests of the local people ?

শ্ৰীদিগেন চন্দ্ৰ বৰা (মন্ত্ৰী উঃ বি:) ঃ অধ্যক্ষ মহোদয়, এই কথাটো ময়ো বহুত দিন ব্যক্তিগত ভাৱে ভাবিছো। এটা ডাঙৰ উদ্যোগ প্ৰতিস্থা হোৱাৰ পিচত সেই ঠাইৰ স্থানীয় লোক সকল উঠি যাব লগীয়া হয়। আৰু যিখিন সা-সুবিধা স্থানীয় মানুহে পাব লাগে সেই সা-সুবিধা নাপায়। ভবিষ্যতে এনে ধৰণৰ ডাঙৰ উদ্যোগ হলে যাতে তেনে নহয় তাৰ কাৰণে পৰিকল্পনা কৰিব লাগিব।

Shri Binai Khungur Basumatari : Sir, what is the status of tea industry while considering a district zero industry area ?

শ্ৰীদিগেন চন্দ্ৰ বৰা (উদ্যোগ মন্ত্ৰী) ঃ প্ৰশ্নটোৰ এতিয়াই উত্তৰ দিব পৰা নহব ।

শ্রীজয় নাথ শৰ্ম্মা ঃ 'জিৰো ইনড্রাষ্টি' জিলা আৰু 'বেকওৱাৰ্ড ইনড্রাষ্টি' জিলাৰ মাজৰ প্ৰভেদ কি আৰু অসমত কেইখন 'বেকওৱাৰ্ড ইনড্রাষ্টি' জিলা আছে ?

শ্রীদিগেন চন্দ্ৰ বৰা ( মন্ত্ৰী উ: বিঃ ) ঃ ইয়াৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব।

শ্রীজগত হাজৰীকা ঃ মই মন্ত্ৰী মহোদয়ৰ পৰা এইটো কথা জানিব বিচাৰিছো যে যি বিলাক ইমৰ্পট লাইচেন্স দিলে, সেই বিলাকৰ ক্ষেত্ৰত যি খেলিমেলি হল তাৰ কাৰণে চি বি আইয়ে অনুসন্ধান চলাই আছে। এই বিলাক কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্রীদিগেন বৰা (মন্ত্ৰী উঃ বিঃ ) : এই জিলাত এই সম্পৰ্কত যে চি বি আইৰ কেচ চলি আছে সেই কথা আমাৰ জ্ঞাত হোৱা নাই। আৰু আগৰ চৰকাৰৰ এনে বিলাক কাম-কাজৰ কাৰণেই আমাৰ এই নতুন চৰকাৰৰ প্ৰতিস্থা হৈছে। যদি কিবা দুৰ্নীতি হৈছে সেই বিলাক তদন্ত কৰা হব ।

## বিঃ প্ৰাপ্তবয়স্ক শিক্ষা আঁচনি

শ্রীকুসুম্বৰ টাইৰাইয়ে সুধিছে :

*২৭৭। মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) প্ৰাপ্ত বয়স্ক শিক্ষা আঁচনিৰ যোগেদি এতিয়ালৈকে কিমানজন নিৰক্ষৰ জন-সাধাৰণ উপকৃত হৈছে জনাবনে ?

(খ) এই আঁচনিৰ জৰিয়তে উপকৃত হোৱা লোকৰ কাৰণে কেনেধৰণৰ গঠনমূলক কাৰ্য্যসূচী ও সংস্থাপনৰ আঁচনি গ্ৰহণ কৰিছে অনুগ্ৰহ কৰি জনাবনে ?

(গ) এই আঁচনিৰ পৰ্যাবেক্ষক সকলৰ চাকৰি স্থায়ীকৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্রীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৭৭। (ক)—মুঠ শিক্ষিত কৰা লোকৰ সংখ্যা (১৯৭৯-৮০ চনৰ পৰা ১৯৮৫-৮৬) লৈ—

| | |
|---|---|
| (১) ৰাজ্যিক প্ৰাপ্ত বয়স্ক শিক্ষা আঁচনি | ৯'৮৬ লাখ |
| (২) গ্ৰামীন ব্যৱহাৰিক শিক্ষা আঁচনি | ৬'০৩ লাখ |
| মুঠ | ১৫'৮৯ লাখ |

ইয়াৰোপৰি স্বেচ্ছাসেৱক অনুষ্ঠানৰ দ্বাৰা শিক্ষিত হোৱা প্ৰাপ্ত বয়স্ক লোকৰ সংখ্যা ০.২৩ লাখ।

(খ) প্ৰথম অৱস্থাত ১০ মহীয়া প্ৰাপ্ত বয়স্ক শিক্ষা আঁচনি শেষ হোৱাৰ পিছত স্বাক্ষৰোত্তৰ শিক্ষা আঁচনি (P. L. P.) ১৯৮২-৮৩ চনৰ পৰা আৰম্ভ হৈছে। বৰ্ত্তমান এনেধৰণৰ ৩৩ টা প্ৰকল্প চলি আছে। ইয়াৰ ভিতৰত ৮ টা গ্ৰামীন ব্যৱহাৰিক শিক্ষা আঁচনি আৰু ২৫ টা ৰাজ্যিক প্ৰাপ্ত বয়স্ক শিক্ষা প্ৰকল্প।

(গ) পৰ্য্যবেক্ষক সকলৰ নিয়মীয়া দৰমহাৰ নিৰিখ ( Scale of Pay ) দিয়াৰ বাবে চৰকাৰলৈ এই কাৰ্য্যালয়ৰ WAE. 213/G/84/65, dated 11th February 1986 নং চিঠিৰ মৰ্মে প্ৰস্তাৱ দিয়া হৈছে আৰু প্ৰস্তাৱ চৰকাৰৰ ওচৰত বিবেচনাধীন হৈ আছে।

উক্ত প্ৰস্তাৱৰ ওপৰত লোৱা সিদ্ধান্তৰ পিছত পৰ্য্যবেক্ষক সকলৰ চাকৰী স্থায়ীকৰণৰ ক্ষেত্ৰত বিভাগীয় ব্যৱস্থা লোৱা নোলোৱা সম্পৰ্কে বিবেচনা কৰিব পৰা হব।

শ্ৰীকুসুম্বৰ টাইৰাই ঃ মই (গ) প্ৰশ্নত মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যি সকল পৰ্য্যবেক্ষক দিয়া হৈছে তেখেত সকলক কি নিৰিখত দৰ্মহা দিয়া হৈছে সেইটো জনাব লাগে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী ) ঃ এই প্ৰশ্নৰ উত্তৰ পূৰ্ব্বতে মই দিছোৱেই। তথাপি বহলাই কোৱাৰ কাৰণে হলে এই দৰে কব লাগিব যে স্বাক্ষৰোত্তৰ শিক্ষা প্ৰকল্পৰ দায়িত্বত থকা ক্ষেত্ৰ বিষয়া হ'ল সহকাৰী প্ৰকল্প বিষয়া। তেওঁলোকৰ তলত প্ৰতি প্ৰকল্পত সাত জনকৈ নিৰন্তৰ শিক্ষা কৰ্মীয়ে বাইচাইকেলেৰে কিতাপ পত্ৰ লৈ কেন্দ্ৰ বিলাকলৈ গৈ কিতাপৰ যোগান ধৰে আৰু দিহা পৰামৰ্শ দিয়ে। কিতাপ পঢ়া শেষ হোৱাৰ পাছত আকৌ ঘূৰাই আনি অন্য এচাম পঢ়ুৱৈ শিক্ষাৰ্থীৰ মাজত বিতৰণ কৰে। এই আঁচনিৰ কাৰ্য্যকাল দুই বছৰ।

অধ্যক্ষ মহোদয়, এই খিনিতে মাননীয় সদস্য তথা সদনৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে পৰ্য্যবেক্ষকৰ প্ৰস্তাবিত দৰমহাৰ হাৰ ৫৬০ টকা, ই-বি ১৫ টকা ৬৩৫ টকা ই-বি ২০ টকা ৭৩৫ টকা ই-বি ২৫ টকা ১০৩০ টকা কিন্তু বৰ্ত্তমান

পাই থকা বেতনৰ হাৰ নিৰ্দ্ধাৰিত পদ্ধতিত মাহে দৰমহা ৫০০ টকা আৰু ভ্ৰমণ বানচ মাহে ১৫০ টকা মুঠ ৬৫০ টকাকৈ পাই আছে।

Shri Charan Narzary: May I know from the Hon'ble Minister as to whether non-Govt. organisation are also given financial assistence to implement the adult education programme, and also what is the norm of being treated as literate under this programme ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ): অধ্যক্ষ মহোদয়, প্ৰাপ্ত বয়স্ক আঁচনিৰ ক্ষেত্ৰত আমাৰ তিনিটা পৰ্য্যায়ৰ আঁচনি কৰাৰ কথা ইতিমধ্যে মই কৈছোৱেই। ৰাজ্যিক প্ৰাপ্ত বয়স্ক শিক্ষা আঁচনি, গ্ৰামীন ব্যৱহাৰিক শিক্ষা আঁচনি আৰু তাৰ উপৰিও স্বেচ্ছাসেৱক অনুষ্ঠানৰ দ্বাৰাও প্ৰাপ্ত বয়স্ক লোকক শিক্ষিত কৰাৰ ব্যৱস্থা কৰা হৈছে। স্বেচ্ছাসেৱক পঞ্জীয়নভূক্ত অনুষ্ঠান সমূহৰ দ্ধাৰাও এই কাম কৰিবলৈ লোৱা হৈছে। তাৰ উপৰিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগেদিও এই আঁচনিৰ ক্ষেত্ৰত ব্যৱস্থা লোৱা হৈছে আৰু ৰাজ্যখনৰ সমষ্ট জনশক্তিক যাতে সাঙুৰী লব পৰা যায় তাৰ কাৰণে সকলো প্ৰকাৰৰ চেষ্টা আমাৰ ফালৰ পৰা কৰা হৈছে।

Shri Charan Narzary : What is the norm of being treated as literate under this programme ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী): অধ্যক্ষ মহোদয়, ইয়াৰ উত্তৰো মই আগতে দিছোৱেই। বৰ্ত্তমান আক্ষৰিক শিক্ষা দান কৰাটোৱেই আমাৰ কাৰণে মুল কথা হৈ পৰিছে। ইয়াৰ ওপৰত গুৰুত্ব দি প্ৰাপ্ত বয়স্ক আঁচনিৰ যোগেদি এই পৰ্য্যায়ৰ সমূহ দিশ সামৰি লবলৈ চেষ্টা কৰা হৈছে আৰু সেই অনুক্ৰমে চিন্তা চৰ্চ্চা কৰা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা : এই আচনিৰ যোগেদি চৰকাৰৰ কিমান টকা খৰচ হৈছে আৰু সেই টকা ঠিক মতে খৰচ কৰা হৈছেনে নাই, সেই বিলাক হিচাব নিকাচ পৰীক্ষা কৰা, কিতাপ আদি কিনিছেনে নাই সেই আটাইবিলাক কথা চাবলৈ চৰকাৰে কিবা ব্যৱস্থা কৰিছেনে নাই মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী ): মূল প্ৰশ্নৰ লগত এইটো পৰিপূৰক প্ৰশ্নৰ সম্পৰ্ক নাই সেই কাৰণে এই বিষয়ত বেলেগ প্ৰশ্ন কৰিলে বহলাই উত্তৰ দিয়াৰ সুবিধা হব।

শ্ৰীশ্বেখ আব্দুল হামিদ : অধ্যক্ষ মহোদয়, প্ৰাপ্ত বয়স্ক শিক্ষা আচনিৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে প্ৰায় ষোল লাখ লোকক উপকৃত কৰিবলৈ আঁচনিৰ অন্তৰ্ভূক্ত কৰাৰ কথা উত্তৰ প্ৰসঙ্গত কৈছে, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে সকলো ধৰণৰ অঞ্চলক এই আঁচনিত সামৰি লোৱাৰ কথা চিন্তা কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) : মই পূৰ্ব্বৰ উত্তৰতে কৈছো যে ১৬˙১২ লাখ লোকৰ মাজত শিক্ষাদান কৰা হৈছে, ইয়াৰ বাহিৰেও যি যি অঞ্চলক এই আঁচনিয়ে সামৰি লোৱা নাই বুলি দৃষ্টিগোচৰ কৰা হয় তেনে ক্ষেত্ৰত ব্যৱস্থা লম।

শ্ৰীনৰেন তাঁতী : অধ্যক্ষ মহোদয়, মই শিক্ষামন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে প্ৰাপ্ত বয়স্ক শিক্ষা আচনি যিহেতু নিৰক্ষৰ মানুহক আক্ষৰিক জ্ঞান দিয়াৰ কাৰণে তেনে নিৰক্ষৰ এলেকা সমূহত জোৰ দিয়া হয় আৰু অসমত প্ৰায় ৭৫০ খনতকৈও অধিক চাহবাগান এলেকা সমূহ যিহেতু পিচপৰা অথচ সেই ঠাইত কোনো কেন্দ্ৰ নাই গতিকে কোন কোন ঠাইত এই আঁচনিৰ দ্বাৰা কাম লৈছে সদনক জনাব লাগে। অসমত যিমান লোক আছে তাৰে শতকৰা পঞ্চাশ ভাগ লোক চাহবাগান এলেকাত আছে কিন্তু চাহবাগান অঞ্চলৰ নিৰক্ষৰতা দূৰীকৰণ আঁচনিৰ সুবিধা চাহবাগান এলেকাত থিকমতে পোৱা নাই। এই ক্ষেত্ৰত চাহ বাগান এলেকাত নিৰক্ষৰতা দূৰীকৰণ আঁচনি ললে ভাল পাম।

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ৰাজ্যখনৰ এটা অতি প্ৰয়োজনীয় কথা প্ৰশ্ন আকাৰে দাঙি ধৰা কাৰণে তেখেতক ধন্যবাদ জনাইছো। ৰাজ্যখনৰ অনগ্ৰসৰ ঠাই সমূহৰ বিশেষকৈ চাহবাগানৰ এলেকাসমূহৰ লোক সকলকো আধুনিক জীৱনযাত্ৰাৰ লগত পৰিচয় কৰি দিয়াৰ কাৰণে প্ৰাপ্ত বয়স্ক আঁচনিৰ যোগেদি বিশেষ গুৰুত্ব দিয়াৰ কাৰণে বৰ্ত্তমানৰ চৰকাৰে বিবেচনা কৰিছে।

শ্ৰীপদ্মনাথ কৈৰী : অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ প্ৰাপ্ত বয়স্ক আঁচনিৰ যোগে যি বিলাক স্কুলৰ জৰিয়তে শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছে আৰু এই সম্পৰ্কত যি ধন খৰচ কৰা হৈছে তাৰ পৰিপ্ৰেক্ষিতত শিক্ষানুষ্ঠান সমূহ পৰিদৰ্শকে পৰিদৰ্শন নকৰে আৰু দৰমহা শিক্ষক সকলক যিটো দিয়া হয় তাৰে আধাভাগ পৰিদৰ্শক সকলে ভাগ কৰি লয় আৰু দ্বিতীয় কথা হৈছে এই মাষ্টৰ নিযুক্তি দিয়াৰ ক্ষেত্ৰত বিজ্ঞাপন

সমূহ ব্লক বা স্কুল অথবা চৰকাৰী ভাৱে কি ধৰণে দিয়া হয় সেইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী) : মুল প্ৰশ্নৰ লগত সঙ্গতি নাথাকিলেও মই কব বিচাৰিছো যে পুৰ্ব্বতে যি খিনি হৈ গ'ল তাৰ বিপৰীতে এতিয়া আমি ইতিবাচক দিশ এটা লব লাগিব আৰু নতুন চৰকাৰে সেই অনুক্ৰমে কাৰ্য্য ব্যৱস্থা হাতত লৈছে আৰু ইতিমধ্যে পৰ্য্যায়ক্ৰমে বিহিত ব্যৱস্থা হাতত লোৱা হৈছে। প্ৰতিখন প্ৰাথমিক স্কুলকে যাতে একোটাহত কেন্দ্ৰ কৰি লব পৰা যায় তাৰ বিবেচনা কৰি থকা হৈছে। তেতিয়াহলে প্ৰাথমিক স্কুলৰ ল'ৰা ছোৱালী সকলে এৰি যোৱা ডেস্ক বেঞ্চকে মাক দেউতাক সকলে এই আঁচনিৰ অধীনত শিক্ষা লাভ কৰিবৰ কাৰণে ব্যৱহাৰ কৰিব পাৰিব।

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, গঠন মুলক কাৰ্য্যসূচী গ্ৰহণ কৰিবলৈ যাওঁতে কিতাপ পত্ৰ আদি যোগান ধৰা হৈছেনে নাই, সেই অনুপাতে দিয়া খৰচ পাতি বিলাক ঠিকমতে খৰচ কৰা হৈছেনে নাই সেই বিলাক পৰ্য্যালোচনা কৰিবলৈ চৰকাৰী ভাৱে কিবা ব্যৱস্থা হাতত লৈছে নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়ে আগতে মই বিস্তৃত ভাৱে কৈছোৱেই তথাপি কওঁ যে আঁচনিৰ অগ্ৰগতিৰ ক্ষেত্ৰত প্ৰাপ্ত বয়স্ক আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত আমাৰ হাতত থকা সকলোখিনি সম্পদৰ উপযুক্ত ব্যৱহাৰ কৰাৰ কাৰণে চৰকাৰে সম্পুৰ্ণ সজাগ আৰু সেই উদ্দেশ্য আগত ৰাখিয়েই ব্যৱস্থা গ্ৰহণ কৰা হব।

## Re: Court Building

Shri Abdul Muhib Mazumder asked :

*278. Will the Minister, Law be pleased to state—

(a) Whether there is a proposal for construction of Court Building for the Assistant District Judge at Hailakandi ?

(b) If so, when will the Court Building be constructed ?

Shri Surendra Nath Medhi (Minister, Law) replied :

278. (a)—The proposal is under consideration of the Government.

(b)—Government of India have been moved for clearance of the fund out of the award of the 8th Finance Commission and on receipt of the same, decision will be taken.

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, হাইলাকাণ্ডি এছিচটেণ্ট ডিষ্ট্ৰিক জাৰ্জ্জকোৰ্ট বিলডিং কৰাৰ প্ৰোপোজেল থকাৰ দৰে অসমৰ অন্যান্য ঠাইতো আছে নেকি ?

শ্ৰীচুৰেন্দ্ৰ নাথ মেধি : (আইন মন্ত্ৰী) : অধ্যক্ষ মহোদয়, অসমৰ অন্যান্য ঠাইতো এনেকুৱা প্ৰস্তাব আছে।

Starred question No 279 not put—member being absent.

বিঃ বাহৰ মহল

শ্ৰীবলোভদ্ৰ তামূলীয়ে সুধিছে :

*২৮০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কাৰ্বি আংলং জিল্লাত মুকলি কৰা বাহৰ মহল সমূহ পৰিস্কাৰ কৰণ (Clearing) মহল নেকি ?

(খ) যদি নহয়, মহলদাৰ সকলে বাঁহ নিৰ্ম্মূল কৰণ পদ্ধতিৰে বাহ কটা কাম বন্ধ কৰা সোনকালে হবনে ?

(গ) বাঁহৰ চাহিদাৰ ওপৰত ভিত্তি কৰি বাঁহ খেতি বৃদ্ধি কৰা আৰু বাঁহ কটাৰ ওপৰত কিবা আঁচনি আৰু নীতি গ্ৰহণ কৰা হৈছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

২৮০। (ক)—নহয়।

(খ)—ব্যৱস্থা লোৱা হৈছে।

(গ)—ব্যক্তিগত মাটিত বাঁহৰ খেতি বৃদ্ধি কৰাত মানুহক উদগনি দিয়া হব।

বাঁহ কটাৰ ক্ষেত্ৰত চৰকাৰৰ নিৰ্দ্ধাৰিত নিয়ম আছে। এই নিয়মবোৰ পালন, প্ৰয়োগ কৰিবলৈ ব্যৱস্থা হাতত লোৱা হৈছে।

শ্ৰীবলোভদ্ৰ তামূলী : অধ্যক্ষ মহোদয়, ঠিকাদাৰ সকলে বাহ কাটি নিয়াৰ পাচত তাত কাৰবি লোকসকলে জুন খেতি কৰাৰ ব্যৱস্থা কৰিছে, সেইটো কথা চৰকাৰে জানেনেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো ঘটনা আমি শুনিবলৈ পাইছো। এই বিষয়ে মই ডিষ্ট্ৰিক কাউনছিলৰ লগত আলোচনা কৰিব বিচাৰিছো।

শ্ৰীছামছিং হান্সে : অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, কাৰবি আলং জিলা পৰিষদৰ লগত অসম চৰকাৰে যি চুক্তি কৰিছিল, সেইমতে ৩০ বছৰৰ ভিতৰত হিন্দুস্থান পেপাৰ মিলে যিবিলাক বাহ নিব, সেই বিলাক তিনি বছৰৰ কম বাহ নিব নোৱাৰে। কিন্তু তাৰ ঠাইত এতিয়া দুবছৰ বা এবছৰ হোৱা বাহকে ধৰি সমস্ত বাহ কাতি নিছে। এতিয়া এনেকুৱা এটা অৱস্থা হৈছে যে, আৰু কেইদিনমান পাচত তাত বাহ নাইকীয়া হব। এই বিষয়ে চৰকাৰে কিবা ব্যৱস্থা লব পাৰে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, অকল বাহেই নহয় কাঠো কাটি নিছে। ইয়াত অসম চৰকাৰে পোনে পোনে হস্তক্ষেপ কৰিব নোৱাৰে। তথাপি এনেকুৱা ধৰণৰ কাম নকৰিবলৈ আমি সকিয়াই দিছো।

শ্ৰীছামছিং হান্সে : অধ্যক্ষ মহোদয়, এইটো প্ৰশ্নৰ উত্তৰত মই সন্তুষ্ট হব পৰা নাই। তিনি বছৰৰ ওপৰৰ বাহ কটাৰ কাৰণে লিজ দিয়াৰ ক্ষেত্ৰত কুপন বিলাক বণ্টন কৰা ক্ষেত্ৰত অসম চৰকাৰে অনুমোদন দিয়াৰ পাচতহে জিলা পৰিষদে বাহ কাটিবলৈ দিয়ে। জিলা পৰিষদে নিজে অনুমোদন নিদিয়ে। গতিকে পেপাৰ মিলক অসম চৰকাৰেহে অনুমোদন দিছে। এনেকুৱা ক্ষেত্ৰত পেপাৰ মিলে যি বহ্নৃত হাৰত বাহ কাটিবলৈ লৈছে, আৰু কিছুদিন পাছত বাহ নাথাকিবই। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে ভবিষ্যতে ইয়াৰ কিবা ব্যৱস্থা লোৱা হব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, যধে মধে যাতে বাহ কটা

নহয় তাৰ কাৰণে আমি লিখিছো। তাৰ ওপৰি ধাহ খেতি যাতে বৃদ্ধি কৰিব পৰা যায় তাৰ বাবে বিহিত ব্যৱস্থা লবলৈ কৈছো।

বি: তেৱাৰী কমিচনৰ ৰিপৰ্ট

শ্ৰীদেৱেশ্বৰ বৰাই সুধিছে :

*২৮১। মাননীয় গৃহবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তেৱাৰী কমিচনৰ ৰিপৰ্ট চৰকাৰে প্ৰকাশ কৰাৰ কথা চিন্তা কৰিছে নেকি ?

(খ) যদি কৰিছে, তাক কেতিয়া প্ৰকাশ কৰিব ?

শ্ৰীভৃগুকুমাৰ ফুকন (গৃহবিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৮১। (ক)—হয় চিন্তা কৰিছে।

(খ)—এই ৰিপৰ্টটো বৰ্ত্তমান এটা কেবিনেট চাব কমিটিয়ে পৰীক্ষা কৰি আছে, সেই কমিটিৰ কাম শেষ হোৱাৰ পাছতেই এই বিষয়ে সিদ্ধান্ত লোৱা হব।

বি: নগৰ পৰিকল্পনাত লক্ষীমপুৰ জিলা অন্তৰ্ভুক্তিকৰণ

শ্ৰীউৎপল দত্তই সুধিছে :

*২৮২। মাননীয় গাওঁ, নগৰ পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

নগৰ আৰু গাওঁ পৰিকল্পনাত লক্ষীমপুৰ জিলাখন ধৰা হৈছে নেকি অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীঅতুল বৰা (নগৰ, গাওঁ পৰিকল্পনা মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৮২।—নগৰ আৰু গাওঁ পৰিকল্পনাত লক্ষীমপুৰ জিলাখন অন্তৰ্ভুক্ত কৰা হৈছে।

শ্ৰীদেবেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, অসমৰ অন্য গাওঁ বিলাকো এই পৰিকল্পনাৰ অন্তৰ্ভুক্ত কৰিছে নেকি ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : এই পৰিকল্পনাত ১০ খন বিভিন্ন গাওঁ অন্তৰ্ভুক্ত কৰা হৈছে লক্ষীমপুৰ, ধেমাজী আৰু জোনাই ইয়াৰ ভিতৰত সুমুৱাই লব পাৰি নেকি ? এই বিষয়ে পৰীক্ষা চলি আছে।

শ্ৰীদেবেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, গোলাঘাট খনো এই পৰিকল্পনাত সুমূৱাই লৈছে নেকি ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, গোলাঘাটৰ প্ৰশ্নটো ইতিমধ্যে কৰিছেই, মই পাচত উত্তৰ দিম।

### Re : Passengers and Goods Tax

Shri Shahidul Islam asked :

*283. Will the Chief Minister (Taxation) be pleased to state—

(a) Whether there is provisions for lump-sum payment of Assam passengers and Goods Taxes in case of All India Tourist Omni-bus ?

(b) If not, why such provisions have not constituted while there are provisions for payment of lump-sum A.P.G.T. in cases of stage carriage, truck and bazar bus ?

(c) Whether the Government propose to make such provision in case of All India Tourist Omni-bus ?

(d) If not why ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied.

283. (a)—No.

(b). (c) & (d)—A proposal for extending the provisions for lump-sum payment to All India Tourist Omni-buses is under examination by Government.

শ্ৰীছহিদুল ইছলাম : অধ্যক্ষ মহোদয়, মই সৰ্ব্বভাৰতীয় অমনিবাচৰ ৰেগুলাৰ পাৰমিট পোৱাৰ ক্ষেত্ৰত কব খুজিছো যে, ব্যক্তি সকলে যদি নিজে গৈ অফিচাৰসকলক লগ ধৰে তেতিয়াহলে তেওঁলোকৰ ৰেট কমি যায় আৰু নিজে যদি লগ নকৰে ৰেট বাঢ়ি যায়। এই লেনডেনত যি খৰছ হয় সেইখিনি চৰকাৰৰ পুজিত নাযায়, আন তৃতীয় পাৰ্টিৰ পকেটতহে যায়। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা

জানিব বিছাৰিছো যে, এই বিষয়ে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা কৰিব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, অসম যাত্ৰী আৰু মালবাহী কৰ আইন ১৯৬২ চনৰ ৩ নং ধাৰা অনুযায়ী অসমত যাত্ৰী কঢ়িওৱা প্ৰত্যেক গাড়ীৰ মালিকে যাত্ৰী ভাড়াৰ ১০ শতাংশ নিৰিখত কৰ দিব লাগে। মটৰ গাড়ী আইন ১৯৩৯ ৰ ৬৩ (৭) নং ধাৰা অনুযায়ী অনুজ্ঞাপত্ৰ মতে কৰ দিব লাগে। অসম যাত্ৰী আৰু মালবাহী কৰ আইনৰ 8 নং ধাৰা অনুযায়ী ৰাজ্য চৰকাৰে উক্ত আইনৰ ৩নং ধাৰা মতে দিব লগীয়া কৰৰ সলনি নিৰ্দ্দিষ্ট পৰিমানৰ কৰ লব পাৰে। ৰাজ্য চৰকাৰে অধিসূচনা যোগে বিভিন্ন শ্ৰেণীৰ যান বাহনৰ ক্ষেত্ৰত দিবলগীয়া লামচাম কৰৰ নিৰিখ স্থিৰ কৰি দিছিল। এই নিৰিখবোৰ ৰাজ্য চৰকাৰে পাতি দিয়া এখন কমিটিৰ অনুমোদনৰ ভিত্তিত প্ৰথমতে স্থিৰ কৰা হৈছিল।

প্ৰায় ১৯৮০-৮১ চনৰ পৰা অসমত "অল ইণ্ডিয়া অমনি বাচ" চলি আছে। বৰ্ত্তমান অল ইণ্ডিয়া অমনি বাছৰ পৰা অসম যাত্ৰী আৰু মালবাহী কৰ আইনৰ ৩নং ধাৰাৰ মতে অৰ্থাৎ ভাড়াৰ ১০ শতাংশ নিৰিখত যাত্ৰী কৰ আদায় কৰা হয়। এই বাছ বিলাকৰ ক্ষেত্ৰত লামচাম কৰৰ সুবিধা দিয়া হোৱা নাই।

১৯৮২ চনৰ চেপ্তেম্বৰ মাহত উত্তৰ পূৰ্ব্বাঞ্চল "অল ইণ্ডিয়া টুৰিষ্ট বাছ" সন্থাৰ সভাপতিয়ে এনেধৰণৰ বাছৰ মালিক সকলক লাম চাম নিৰিখত কৰ দিয়াৰ সুবিধা দিবৰ বাবে এখন আবেদন পত্ৰ অসমৰ কৰ আয়ুক্তৰ ওচৰত দাখিল কৰিছিল। উক্ত আবেদন পত্ৰৰ উত্তৰত অসমৰ কৰ আয়ুক্তই ২০-১-৮২ তাৰিখৰ চিঠি নং চিটিজি ২-৭৮-৬০ যোগে মটৰ গাড়ী আইনৰ অধিনত অনুজ্ঞাপত্ৰ পোৱা "অল ইণ্ডিয়া টুৰিষ্ট" অমনি বাছৰ পৰিকল্পনামূলক নীতিৰ বিস্তৃত বিৱৰণ আৰু এনে পৰিচালনাত হোৱা খৰছৰ সম্পূৰ্ণ ৰছিদ সহ পৰিচালনাৰ প্ৰকৃত চত্ত দাখিল কৰিবলৈ নিৰ্দ্দেশ দিছিল।

সন্থাৰ পৰা আৱশ্যকীয় তথ্য পাতি পোৱাৰ পিছত এনে গাড়ীৰ ক্ষেত্ৰত লাম চাম কৰাৰ নিৰিখ স্থিৰ কৰাৰ বিষয়টো চৰকাৰৰ লগত যোগাযোগ কৰাৰ সুবিধাৰ্থে এনে পৰামৰ্শ দিয়া হৈছিল। কিন্তু সন্থাই আজিলৈকে কোনো তথ্য পাতি দাখিল নকৰিলে।

১৯৬৮ চনত চৰকাৰৰ অধিস্যূচনা নং এক, টি, এস্ক-১৫৪-৬৬৬৮। তাং ১·৭-৬৮ যোগে বৰ্ত্তমান প্ৰচলিত লাম্পচাম্প কৰৰ নিৰিখ স্থিৰ কৰা হৈছে। বজাৰ বাচ আৰু ষ্টেট কেৰেজ ভেহিকল আৰু চিটি বাচৰ ক্ষেত্ৰত যথাক্ৰমে চৰকাৰৰ অধিস্যূচনা নং এফ টিএন্স। ১৫৪।৬৬।৯১ তাং ১৭-৬-৬৯ আৰু এফ টি এন্স। ১৬৯।৭৬।২১ তাং ৫-৭-৭৭ যোগে কিছু সালসলনি কৰা হৈছে। ইতিমধ্যে পাৰ হৈ যোৱা সময় আৰু পৰিবৰ্ত্তনৰ পৰিপ্ৰেক্ষিতত লাম্প চাম্প কৰৰ নিৰীখটো সংশোধন কৰাৰ আৰশ্যক হৈ পৰিছে। লাম্প চাম্প কৰৰ নিৰিখৰ সংশোধন আৰু অল ইণ্ডিয়া অমনি বাচৰ ক্ষেত্ৰত লাম্প চাম্প কৰৰ নিৰিখ স্থিৰ কৰা সম্পৰ্কে এটা প্ৰস্তাৱ চৰকাৰে পৰীক্ষা কৰি আছে।

এইটোও লক্ষ্য কৰিব পাৰি যে দহ শতাংশ নিৰিখৰ সলনি চৰকাৰে লাম্প চাম্প কৰ স্থিৰ কৰাৰ যি আইন আছে সেই আইন কোনো শ্ৰেণীৰ গাড়ীৰ ক্ষেত্ৰত প্ৰযোজ্য কৰিবলৈ চৰকাৰ বাধ্য নহয়।

### Re: Shifting of A. G. Office

Shri Deba Kumar Bora asked:

*284. Will the Chief Minister be pleased to state –

(a) The reason for non-shifting of the Assam's A. G Office from Shillong ?

(b) Whether Government is aware of the fact that due to non-shifting of the A.G. office from Shillong officers and public particularly the retired Government officers are facing great inconveniencs ?

(c) If so, whether Government will be pleased to take necessary steps for shifting of the A. G. office from Shillong ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :-

284. (a)—Government is aware of the inconveniences of Officers and public for non-shifting of the A. G.'s office in

full from Shillong to Guwahati and as such are keen to extend all possible help to the A. G. Assam for shifting of the office from Shillong to Guwahati and as such Government in the Revenue Department have allotted land to the A. G. Assam for construction of his office complex and staff quarters in Beltola.

A. G. on the other hand has also shifted some of its branches like Pension, G. P. Fund, Audit, etc.. from Shillong to Guwahati for convenience of Officers and pensioners etc. and those branches are functioning now from Guwahati. Of late, A. G. Assam has moved Government for allotment of some residential buildings for himself and others to enable him to expedite construction of the office as well as Staff quarters. The matter has been referred to the Commissioner Housing Board. The D. C. Kamrup has also been requested to explore the possibility of requisitioning/acquiring some residential buildings for them.

(b) & (c)—replies as above.

শ্ৰীকামাখ্যা চৰণ চৌধুৰী ঃ অধ্যক্ষ মহোদয়, এতিয়ালৈকে যিহেতু ঘৰবাৰী নাই আনহাতে ৰাজপত্ৰিত বিষয়াসকলে পে শ্লিলিপৰ কাৰণে আৰু অসমৰ ভিতৰত লোন ব্ৰাঞ্চটো নথকাৰ কাৰণে ৰাইজৰ অসুবিধা হৈছে গতিকে ভাবাঘৰত হলেও এই এজি অফিছ ছিপ্টিং কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে আৰু তাৰ কাৰণে সময় সীমা বান্ধি দিব নোৱাৰিনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী): এই কাৰ্য্যালয় স্থানান্তৰৰ লগত ৰেচিদেনচিয়েল কথা বতৰা বিলাক জৰিত হৈ আছে। সকলোবিলাক ব্যৱস্থা ঠিক কৰিহে আনিব পৰা হব। যিমান সোনকালে আনিব পাৰি তাৰ চেষ্টা কৰিম।

### Re : Rate of Royalty

Shri Abhijit Sarmah asked :

*285. Will the Minister, Mines & Minerals be pleased to state—

(a) The rate of Royalty on crude oil per M. T. and the amount received during 1983, 1984 and 1985 ?

(b) Whether the Central Government is pressed to enhance the rate of Royalty on crude and if so, the amount per M. T. of crude oil ?

(c) The magnitude of Royalties on Natural Gas, Coal, Limestone received by the State from Central Government during the year, 1983, 1984, & 1985.

শ্ৰীপদ্মেশ্বৰ দলে (খনিজ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৮৫। (ক)—বৰ্ত্তমান খাৰুৱা তেলৰ ৰয়েলটিৰ হাৰ প্ৰতি মেট্ৰিক টনত ৬১ টকা। যোৱা ১৯৮৩-৮৫ চনত তলত দিয়া ধৰণেৰে খাৰুৱা তেলৰ ওপৰত ৰয়েলটি সংগ্ৰহ কৰা হৈছিল—

১৯৮৩ চন টকা ২৯,৭০,৫৯,৪১৯'০০

১৯৮৪ চন টকা ২৯,৮৬,৭৮,৭১৮'০০

১৯৮৫ চন টকা ২৮,৭৪,০৪,১৫৯'৭৫

(খ)—হয়, যোৱা ১৯৮৪ চনৰ পৰাই ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত খাৰুৱা তেলৰ ওপৰত থকা ৰয়েলটি প্ৰতি মেট্ৰিকটনত ৩৩৬ (তিনিশ ছয়ত্ৰিশ) টকা ধাৰ্য্য কৰিবলৈ দাবি জনাই আহিছে। বৰ্ত্তমান চৰকাৰেও উক্ত ৰয়েলটি প্ৰতি মেট্ৰিক টনত ৩৩৬ টকাকৈ বৃদ্ধি কৰিবলৈ ভাৰত চৰকাৰৰ ওচৰত টানি অনুৰোধ জনাইছে।

(গ)—১৯৮৩-৮৫ চনত তলত দিয়া পৰিমানৰ ৰয়েলটি প্ৰাকৃতিক গেছ, কয়লা

আৰু চুনশিলৰ পৰা আহৰণ কৰা হৈছে।

| | | ১৯৮৩ | ১৯৮৪ | ১৯৮৫ |
|---|---|---|---|---|
| প্ৰাকৃতিক গেছ | টকা | ৯৫,৭৩,০৫৭·০০ | ১২৬,৩৮৯০১·০০ | ৯৬,৭৯,৮৮৫·০০ |
| কয়লা | টকা | ৪৮,৮১,২৬৪·০০ | ৪৬,৫০,৬১৬·০০ | ৪৪ ৪৯,·২২·০০ |
| চুণশীল | টকা | ২,৫৪,৭৬২·০০ | ৪,০,৭,৮৮৬·০০ | ৩,৭৯,৯৮৮·০০ |

শ্ৰীঅভিজিত শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, এই হিচাৱত আমি দেখিবলৈ পালো কুদ ৰয়েলটি ১৯৮৩, ১৯৮৪,১৯৮৫ চনত যথেষ্ট কম পাইছে, প্ৰায় ১ কোটি টকা কম হৈছে ইয়াৰ কাৰণ মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীপদ্মেশ্বৰ দলে (ৰাজ্যিক মন্ত্ৰী) : ইয়াৰ কাৰণে মাননীয় সদস্যাই বেলেগ প্ৰশ্ন দি।া হলে ভাল আছিল ।

শ্ৰীঅভিজিত শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে বেলেগ প্ৰশ্ন দিব-লগীয়াটো অসম্ভব কথা এইটো আনুসঙ্গিক প্ৰশ্ন । কিয় কম হৈছে আমাক জনাব লাগে ?

শ্ৰীপদ্মেশ্বৰ দলে (ৰাজ্যিক মন্ত্ৰী) : অৱশ্যে আমি িছত জনাব পাৰিম, চাব লাগিব।

শ্ৰীদেবেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, কাৰ্বি আংলং জিলাত কয়লা চুনশিল আদিৰ ৰয়েলটি চৰকাৰৰ ঘৰলৈ অহা নাই মাজতে আত্মসাত কৰিছে এই বিষয়ে মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীপদ্মেশ্বৰ দলে (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়ে আমাৰ মাননীয় সদস্য শ্ৰীহামছিং হান্সে ডাঙৰীয়াই মোক জনাইছে আৰু সেই ৰিপোৰ্টৰ ওপৰত ভিত্তিকৰি ততকালিন ভাবে মই বিভাগীয় বিষয়াক অনুসন্ধান কৰিবলৈ দিছো। এইবিলাক ইলিগেল মাইনিং তাক বন্ধ কৰিব লাগে ।

শ্ৰীঅভিজিত শৰ্ম্মা : বৰ্ত্তমান আমি বয়েলটি ৬১ টকাকৈ পায় আছো। আমি কেন্দ্ৰীয় চৰকাৰক এই ৰয়েলটি ৩৩৬ টকালৈ বৃদ্ধি কৰিব লাগে বুলি দাবী কৰাৰ পাছতো যদি কেন্দ্ৰীয় চৰকাৰে নামানে তেনেহলে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীপদ্মেশ্বৰ দলে (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে যিটো কথা কৈছে সেই বিষয়ে আমি বিবেচনা কৰি আছো। ১৯৬১ চনত এই

ৰয়েলটি আছিল ৭.৫০ পইছা আৰু ১৯৮০ চনত ই বৃদ্ধি হৈ ৬১ টকা হৈছে we are now corresponding with the Govt. India for enhancing the royalty from Rs 61.00 to Rs. 336.00 এই হিচাৱত আমি এতিয়া প্ৰায় ৩০-৪০ কোটি টকা বছৰি পাওঁ। ইয়াক বঢ়াব পাৰিলে বছৰি প্ৰায় ১৭৬ কোটি টকা পাম বুলি আশা কৰা হৈছে। এই সম্পৰ্কত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দিল্লীলৈ যাওঁতে কৈ আহিছে। কেন্দ্ৰীয় চৰকাৰেও কথাটো বিবেচনা কৰি আছে অৱশ্যে সকলো বিলাক ৰাজ্য চৰকাৰে বিষয়টোৰ ওপৰত হেচা দি আছে। কেন্দ্ৰীয় চৰকাৰে বিবেচনা কৰা কথাটো ইতিমধ্যে কাগজে পত্ৰই প্ৰচাৰো হৈছে। আমি আকৌ টানি অনুৰোধ জনাম।

শ্ৰীঅভিজিত শৰ্ম্মা: দিন যোৱাৰ লগে লগে এই বিষয়টো দেৰী হৈ গৈ আছে আৰু যিমানে দেৰী হয় আমি ৬১ টকাকৈ পায় থাকিম। গতিকে ৩৩৬ টকা কৰিবৰ কাৰণে মন্ত্ৰী সভাই জোৰদ্দাৰ হিচাৱত কেন্দ্ৰীয় চৰকাৰক হেচা দিব লাগে আৰু দৰ্কাৰ হলে আমি গণআন্দোলন গঢ়ি তুলি হলেও ৩৩৬ টকা আদায় কৰিব লাগিব-তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে।

শ্ৰীপদ্মেশ্বৰ দলে (ৰাজ্যিক মন্ত্ৰী): অসমৰ ক্ৰুদ অয়লত যে কেন্দ্ৰীয় চৰকাৰে আজি ৩৮ বছৰে আমাক লোকচান ভৰাই আছে এইটো সচা। বিনিময়ত আমি এটা ফুটা পাটি পইছাও তেওঁলোকৰ পৰা পোৱা নাই। এই বিষয়ে আমি মুখ্যমন্ত্ৰীৰ লগতো আলোচনা কৰিম। এইবিষয়ে ইতিমধ্যে যোৱা ২৫ তাৰিখে এখন চিঠি লিখা হৈছে, অৱশ্যে নম্বৰটো মোৰ হাতত নাই। গতিকে লোকচানখিনি মেক আপ কৰিবৰ কাৰণে আমি অতি সোনকালে বিহীত ব্যৱস্থা গ্ৰহণ কৰিম।

## বি: শ্বহীদৰ পৰিয়াললৈ অনুদান

শ্ৰীদিনবন্ধু চৌধুৰীয়ে সুধিছে:

*২৮৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বিগত ছয় বছৰীয়া অসমৰ বিদেশী বিতাড়নৰ আন্দোলনৰ কাল ছোৱাত শ্বহীদ হোৱা মহান ব্যক্তিসকলৰ প্ৰতিটো পৰিয়ালক এক কালীন অনুদান দিয়া নাইবা পৰিয়ালৰ যোগ্য লোকক চাকৰিত নিযুক্তি দিয়াৰ কিবা ব্যৱস্থা কৰা হৈছেনে?

(খ) যদি হোৱা নাই তেনে ব্যৱস্থা কৰা হবনে ? আৰু কেতিয়ালৈকে কৰা হব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) যে উত্তৰ দিছে :

২৮৬। (ক) আৰু (খ) বিগত ছয়বছৰীয়া আন্দোলনৰ সময়ত শ্বহীদ হোৱা মহান ব্যক্তি সকলৰ পৰিয়ালক সাহাৰ্য্য নিযুক্তি দিয়াৰ কাৰণে চৰকাৰে এখন আঁচনি বিৱেচনা কৰি আছে।

উক্ত আঁচনি খন গৃহীত হলে শ্বহীদ সকলৰ পৰিয়ালক সাহাৰ্য্য দিয়া হ'ব।

শ্ৰীদীনবন্ধু চৌধুৰী : কেতিয়া বাৰিবা হব, কেতিয়া পাত কাতিব আৰু কেতিয়া ভাত বাঢ়িব এই খিনি কৰোতে যাব। এই আঁচনিলৈ অপেক্ষা কৰিবলৈ গলে তেওঁ-লোকে পেতত বান্ধি মুখত হাত দি থাকিব লাগিব। গতিকে সোনকালে কৰাৰ ব্যৱস্থা মুখ্যমন্ত্ৰী মহোদয়ে কৰিব নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সোনকালে ব্যৱস্থা লোৱা হব।

## বি : চাহ বাগিছাৰ স্কুলত খিচিৰি যোগান

শ্ৰীনৰেণ তাঁতীয়ে সুধিছে :

*২৮৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চাহ বাগিছা এল, পি, স্কুল সমূহত খিচিৰি খাবলৈ দিয়াটো বন্ধ কৰি তাৰ বিনিময়ত কিবা দিয়া ব্যৱস্থা কৰা হৈছে, জনাবনে ?

(খ) যদি হৈছে, কি হৈছে জনাবনে ?

(গ) যদি নাই হোৱা, কিয় হোৱা নাই, জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী) যে উত্তৰ দিছে :

২৮৭। (ক)—চাহ বাগিছা এল, পি, স্কুল সমূহত খিচিৰি খাবলৈ দিয়াটো বন্ধ কৰাৰ কোনো নিৰ্দ্দেশ দিয়া নাই।

(খ)—প্ৰশ্ন নুঠে।

(গ)—খিচিৰিৰ বিনিময়ত অন্য আহাৰ যোগান ধৰাৰ বিষয়টো চৰকাৰে বৰ্ত্তমান বিবেচনা কৰা নাই।

শ্ৰীনৰেণ তাঁতী : অধ্যক্ষ মহোদয়, বাগানৰ মানুহ হ'ল বুলিয়েই যে খিচিৰি খাব

লাগিব সেইটো নহয়। খিচিৰি খোৱাৰ ফলত লৰা-ছোৱালীৰ কাপোৰে কানিয়ে লাগে আৰু লেতেৰা হয়। গতিকে, খিচিৰিৰ পৰিবৰ্ত্তে আপেল দিয়ক, আঙুৰ দিয়ক আৰু কাজুবাদাম দিয়ক। আগৰ চৰকাৰৰ দিনত প্ৰবৰ্ত্তিত খিচিৰি উঠাই দিয়াৰ প্ৰতিশ্ৰুতি বৰ্ত্তমান চৰকাৰে দিবনে ?

(সদনত হাঁহিৰ ৰোল উঠে)

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, খিচিৰি সম্পৰ্কত সদনত আমি এক বিৰাট প্ৰত্যাহ্বানৰ সন্মুখীন হৈছো। এই আঁচনিত আঙুৰ-আপেল যোগান ধৰিবলৈ আমাক টকা-পইচাও লাগিব। কিন্তু এই শিতানত ইমান টকা-পইচা ধৰা হোৱা নাই। স্পষ্ট উত্তৰৰ বাবে মই বহলাই লিখি আনিছিলো। কিন্তু সদনত গাই দিবলৈ সাহক পোৱা নাই।

মাননীয় অধ্যক্ষ : খিচিৰি দিয়াৰ পৰিবৰ্ত্তে বেলেগ ব্যৱস্থাৰ কথা চিন্তা কৰিছে নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : চিন্তা কৰা নাই।

**Re : State Medical Stores Purchase Board**

শ্ৰীকমলা কলিতাই সুধিছে ঃ

*২৮৮। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰ্ত্তমানৰ State Medical Stores Purchase Board of the Health & Family Welfare Department খন এই সংক্ৰান্তত থকা নিয়ম উলংঘা কৰি থকা অভিযোগৰ পৰিপ্ৰেক্ষিতত ভগং কৰি দিয়া হব নে ?

(খ) যদি ভংগ কৰি দিয়ে নতুনকৈ গঠন কৰাৰ সময়ৰ পৰা বোৰ্ডত সদস্য অন্তভুক্ত কৰিবনে ?

শ্ৰীযতীন মালি (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৮৮। (ক)—উদ্যোগ বিভাগৰ নিয়ম অনুযায়ী প্ৰত্যেক বিভাগে তেওঁলোকৰ সংশ্লিষ্ট বিষয়া সকলক লৈ Purchase Board খনও তেনে ভিত্তিত গঠন কৰা হৈছে। বৰ্ত্তমানৰ Purchase Board খন পুনৰ গঠন কৰা সম্পৰ্কে বিবেচনা কৰি থকা হৈছে। নিয়ম উলংঘা কৰা অভিযোগবোৰ তদন্তাধীন হৈ আছে।

(খ)—চৰকাৰৰ বিবেচনাধীন হৈ আছে।

Shri Ardhendu Kumar Dey : Will the Hon· Minister tell us whether there is any Purchase Board in the Family Welfare Department ?

Mr Speaker : I think a separate question is required.

Shri Jatin Mali (Minister of state) : Mr. Speaker, sir, for your kind information, there is no separate Family Welfare Deptt. and the Purchase Board is meant for the Health and Family Welfare Department.

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : অধ্যক্ষ মহোদয়, ঔষধ-পাতি বিলাক 'পাৰ্চেজ' বৰ্ডত আছে নেকি ?

শ্ৰীযতীন মালি (মন্ত্ৰী) : হয়, আছে।

Shri Ardhendu Kumar Dey : Sir, may I know whether all the medical practitioners are included in the Purchase Board ?

Shri Jatin Mali (Minister of state) : For your information sir, the Purchase Board was re-constituted with the following members, in accordance with the provisions of the Assam Preferential Stores Purchase Rules, 1972—

1. Director, Health Services as head of Deptt. - Chairman.
2. Director of Industries or his representative not below the rank of Dy. Director - Member
3. Director of Accounts, Assam - Member
4. Deputy Secy: Health & Family Welfare Deptt. Member
5. Financial Adviser, Health Deptt. Member
6. Two senior officers of the Deptt.

(a) Chief Medical & Health Officer, Kamrup
& (b) Additional Drugs Controller - Members
and 7. Dr. D. C. Hazarika, Addl. Director of Health Services, Assam, as Member Secretary of the Board.
Thank you.

শ্ৰীদেবেশ্বৰ বৰা: অধ্যক্ষ মহোদয়, লাখটকীয়াৰ এজন মানুহৰ পৰা চৰকাৰে ঔষধ কিনি আছে, কথাটো সচা নেকি ?

শ্ৰীযতীন মালি (মন্ত্ৰী): এনে কোনো অভিযোগ এতিয়ালৈকে আমাৰ নাই। বিশেষ অভিযোগ পালে অনুসন্ধান কৰা হব।

শ্ৰীজয়নাল আবেদিন: অধ্যক্ষ মহোদয়, 'পাৰ্চেজ বৰ্ড'ৰ জৰিয়তে যি বিলাক ঔষধ কিনা হয় সেই বিলাক নিম্ন মানৰ আৰু তাত দূৰ্নীতি পৰায়ণ লোক জড়িত আছে কথাটো সচা নেকি ?

শ্ৰীযতীন মালি (মন্ত্ৰী): অধ্যক্ষ মহোদয়, পাৰ্চেজ বৰ্ডৰ পৰা ঔষধ কিনাৰ ক্ষেত্ৰত ডাক্তৰে প্ৰেচ্‌ক্ৰাইব কৰাৰ নিয়ম আছে। এনে অভিযোগ মইয়ো শুনিছো। বিশেষ অভিযোগ থাকিলে চৰকাৰে ব্যৱস্থা লব।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী: অধ্যক্ষ মহোদয়, ড্ৰাগ ইঞ্চপেক্টৰ দেৱ চৌধুৰী আৰু নাৰুলা নামৰ এজন বেপাৰীয়ে ২নম্বৰী ঔষধ দিয়ে আছে। এই সম্পৰ্কে চৰকাৰে জানেনে আৰু যদি জানে তেনেহলে ব্যৱস্থা লব নেকি ?

শ্ৰীযতীন মালি (মন্ত্ৰী): অধ্যক্ষ মহোদয়, চৰকাৰৰ তৰফৰ পৰা ঘোষনা কৰা হৈছে যে আমি এটা নিকা প্ৰশাসন গঢ়ি তুলিব লাগিব এই সম্পৰ্কত স্বাস্থ্য বিভাগৰ লগত জৰিত দূৰ্নীতি সমূহ দূৰকৰাৰ কাৰণে বিহিত ব্যৱস্থা লোৱা হব আৰু নুকুলা আদি কৰি কোনোৱে ইয়াৰ পৰা ৰেহাই নেপাব।

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা: অধ্যক্ষ মহোদয়, পাৰ্চেজ বৰ্ডত যথেষ্ট খেলি মেলি থকাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীযতীন মালি (মন্ত্ৰী): এনে অভিযোগ আমিও শুনিছো, এই বৰ্ডখন পুনৰ গঠন কৰাৰ কাৰণে চৰকাৰে চিন্তা কৰিছে।

শ্ৰীঅভিজিত শৰ্ম্মা : অধ্যক্ষ মহোদয়, ভেজাল দৰবৰ কাৰবাৰ চলিয়ে আছে। ভেজাল দৰবৰ চোৰাং বেপাৰী ধৰাৰ কাৰণে চৰকাৰে এটা চেল গঠন কৰিব লাগে যাতে এই চেলটোৱে ভেজাল দৰব ধৰাৰ ক্ষেত্ৰত সহায় কৰিব পাৰে।

শ্ৰীযতীন মালি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ পৰা এনে কোনো নিৰ্দ্দেশ নাই, বজাৰত ভেজাল দৰব বিক্ৰী কৰক।

শ্ৰীঅভিজিত শৰ্ম্মা : অধ্যক্ষ মহোদয়, মই এম, এল, এ হৈ অহাৰ আগৰ পৰাই এই বিলাক অভিযোগ শুনি আহিছো। গতিকে এটা 'ছেল' কৰি দিব লাগে যাতে দূৰ্নীতি বিলাক ধৰা পৰে, তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

শ্ৰীযতীন মালি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমিও ভাবিছো যাতে বজাৰত ভেজাল দৰব বিক্ৰী নহয়। তাৰ বাবে পাৰ্চেজ বৰ্ডখনকে পুনৰ গঠন কৰিবলৈ বিচৰা হৈছে।

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : অধ্যক্ষ মহোদয়, পাৰ্চেজ বৰ্ডৰ খেলিমেলিৰ কথা মন্ত্ৰী মহোদয়েও স্বীকাৰ কৰিছে। তদন্ত কৰাৰ ব্যৱস্থা লব নেকি ?

শ্ৰীযতীন মালি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই স্বীকাৰ কৰা নাই শুনিছো বুলিহে কৈছো। ইয়াৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰা হব।

শ্ৰীজয়নাল আবেদিন : অধ্যক্ষ মহোদয়, ভেজাল ঔষধ যাতে ৰুগীয়ে পাব নোৱাৰে তাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা লব নেকি ?

শ্ৰীযতীন মালি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, প্ৰয়োজনীয় ব্যৱস্থা লোৱা হব।

**Undisposed Starred Questions Dated Ist April 1986**

***Re* : Nath Kharija Bijni H.E. School**

Shri Hemen Das asked :

*289. Will the Minister, Education be pleased to state—

(a) Whether the Head Master of Nath Kharija Bijni H.E. School submitted a detailed particulars of teachers & other employees of the School before provincialisation ?

(b) When was that detailed particulars was submitted ?

(c) Whether Shri Nafibur Rahman's name was in that detail particulars ?

(d) If not, how Shri Nafibur Rahman would draw his pay from the date of provincialisation ?

(e) Whether his appointment was approved by Inspector of Schools ?

(f) If so, when ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৮৯ (ক)—হয় ।

(খ)—দাখিলৰ তাৰিখ ২০।৬।৮৪ ইং ।

(গ)—নাই ।

(ঘ)—বৰপেটাৰ স্কুল পৰিদৰ্শকৰ ১৪।৯।৮৫ ইং তাৰিখৰ চিঠিমতে জনা যায় যে স্কুল পৰিচালনা সমিতিয়ে ২নং প্ৰস্তাৱ যোগে ১১।২।৮৫ তাৰিখে শ্ৰীচবিলাল কৈৱালাই ইস্তফা দিয়া খালিপদত শ্ৰীনফিবুৰ ৰহমানক নিযুক্তিৰ অনুমোদন দিয়ে। শ্ৰীনফিবুৰ ৰহমানৰ, B. Com. বিশাৰদ শিক্ষক পদৰ নিযুক্তি বৰপেটাৰ স্কুল পৰিদৰ্শকে ২১।৩'৮৫ তাৰিখৰ চিঠি যোগে মঞ্জুৰ কৰে।

(ঙ)—হয় ।

(চ)—বৰপেটাৰ স্কুল পৰিদৰ্শকৰ দুখন চিঠিৰ ২১।৩।৮৫ আৰু ৩-১০-৮৫ যোগে মঞ্জুৰ কৰা হৈছে ।

## বি ঃ ম্যানাজারের বিরুদ্ধে অভিযোগ

শ্ৰীরমেন্দ্রদেই জিজ্ঞাসা করিতেসেন ঃ

*২৯০। মাননীয় উদ্যোগ বিভাগর মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জনাবেন কি—

(ক) Industrial estate বদর প্পরের ম্যানাজারের বিরুদ্ধে অভিযোগের কথা সরকার জানেন কি ?

(খ) যদি জানেন কোনো ব্যবস্থা লৈয়েচেন কি ?

শ্ৰীদ্বিগেন চন্দ্ৰ বৰা (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৯০। (ক)—বদৰপুৰৰ উদোগ পামৰ মেনেজাৰৰ বিৰুদ্ধে দুটা অভিযোগ পোৱা গৈছে।

(খ)—উক্ত অভিযোগ দুটা বৰ্ত্তমান তদন্তাধীন হৈ আছে।

**Re : Maduramuk Ferry**

Shri Altaf Hussain Mazumdar asked :

*291. Will the Minister, Transport be pleased to state—

(a) Is it a fact that there is no motorable ferry approach of Maduramuk Ferry under Silchar I.W.T. Division ?

(b) If so, will the Government direct for construction of the said motorable approach ?

Shri Lalit Chandra Rajkhowa (Minister, Transport) replied :

291. (a)—Yes.

(b)—Yes.

**Re : Guide Bund**

Shri Charan Narzary asked :

*292. Will the Minister, P.W.D. be pleased to state—

(a) Whether it is a fact that no amount of money has been sanctioned for construction of the approach Guide Bund of the Bridge on the river Gaurang at Bhatarmari, Kokrajhar ?

(b) If so, when is the construction of the said Bridge proposed to be completed ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৯২। (ক)—মঞ্জুৰ কৰা আঁচনিত প্ৰবেশ পথৰ (approach Road) বাবে ৩·৮৬ লাখ টকা আৰু সংৰক্ষনৰ (Protection) বাবে ১০.০০ লাখ টকা ধৰা আছে।

(খ)—মূল দলংখনৰ নিৰ্ম্মাণৰ কাম ৩১-৩-৮৬ ৰ ভিতৰত সম্পূৰ্ণ হব বুলি আশা কৰা হৈছে। প্ৰৱেশ পথ আৰু সংৰক্ষণৰ কাম আৰম্ভ কৰা হোৱা নাই।

## Re: Junior Technical School

Shri Maziruddin Ahmed asked :

*293. Will the Minister, Education be pleased to state—

(a) Whether under a Contemplated Scheme to start a Junior Technical School at Goalpara a building for the purpose was constructed ?

(b) If so, when was the building completed ?

(c) Was the Institution started functioning, if not, will the Government start the Institution immediately to fulfil the used of the backward area ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৯৩। (ক)—হয়।

(খ)—১৯৬৭-৬৮ চনত।

(গ)—হয়, নিম্ন কাৰিকৰী বিদ্যালয় গোৱালপাৰা নিয়মীয়া ভাৱে চলি আছে।

## Re : Artificial Insemination

Shri Ardhendu Kumar Dey asked :

*294. Will the Minister, Veterinary be pleased to state—

(a) Whether Government is aware that the vaccine, semen for Artificial Insemination are not properly preserved ?

(b) If so, when the Government will make necessary arrangement for proper preservation of the same ?

Shri Nagen Sarma (Minister, Veterinary) replied :

294. (a)—No. Vaccine and semen are preserved only in the Institutions where preservation facilities are available.

(b)—Steps are taken by Government for preservation of Vaccine and semen in a much efficient manner within the limited fund.

**Re : Permanent Capital Construction**

Shri Pobin Chandra Deka asked :

*295. Will the Minister, G. A. D. be pleased to state—

(a) Whether the present Government has taken steps to start the construction of the Permanent Capital Complex of Assam at Chandrapur ?

(b) If so, please mention the steps taken.

শ্ৰীভৃগু কুমাৰ ফুকন (সাধাৰন প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৯৫। (ক) আৰু (খ)—লোৱা নাই ।

বি: I. R. D. আঁচনি

শ্ৰীবলোভদ্ৰ তামূলীয়ে সুধিছে :

*২৯৬। মাননীয় গ্ৰামীন উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) I. R. D. আঁচনিৰ অন্তৰ্গত শিৱসাগৰ জিলা কেন্দ্ৰীয় সমবায় বেংকে বোকাখাত উন্নয়ন খণ্ডৰ এলেকাত কিমান পৰিমাণৰ ঋণ ১৯৮৪-৮৫, ১৯৮৫-৮৬ চনত দিলে ?

(খ) বেংকটোৱে কিছু সংখ্যক ঋণীক কেৱল মাত্ৰ ৰাজ সাহাৰ্য্য খিনিহে দি অনিয়ম কৰি থকাৰ বিষয়ে তদন্ত কৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৯৬। (ক)—১৯৮৪-৮৫ চনত

মুঠ ঋণ— ৯৭,৯৫৬ টকা

বেংকৰ অংশ—৬৫,৩১২ টকা

ৰাজ সাহায্য—৩২,৬৪৪ টকা

১৯৮৫-৮৬ চনত

মূঠ ঋণ— ১,৮৫,২৯৯ টকা

বেংকৰ অংশ— ১,১২,৭০১ টকা

ৰাজ সাহায্য— ৭২,৫৯৮ টকা

(খ)—তদন্ত কৰা হব।

## বিঃ Malaria Eradication Programme

শ্রীকমলা কলিতাই সুধিছে :

*২৯৭। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) Malaria Eradication Programme আঁচনিত District Malaria Officer নামৰ পদবী সমূহত এতিয়াও Non-Medical person ৰখা হৈছে নেকি ?

(খ) যদি ৰখা হৈছে, এই পদ সমূহত Medical person ক নিযুক্তি দিয়াৰ ব্যৱস্থা লবনে ?

শ্রীযতীন মালি (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৯৭।(ক)—হয় ৰখা হৈছে।

(খ)—বিষয়টো চৰকাৰে বিবেচনা কৰি ব্যৱস্থা লব।

শ্রীকুসুম্বৰ টাইৰাইয়ে (গগৈ) সুধিছে :

*২৯৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

নিৰ্ব্বাচনী ইস্তাহাৰত উল্লেখ কৰা মতে চৰকাৰে চাহ বাগিছাৰ প্ৰাথমিক বিদ্যালয় সমূহ চৰকাৰৰ অধীনলৈ অনাৰ ক্ষেত্ৰত কেনে ধৰণৰ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে অনুগ্ৰহ কৰি মহোদয়ে জনাবনে ?

শ্রীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে :

২৯৮। চাহ বাগিছাৰ প্ৰাথমিক বিদ্যালয় সমূহ চৰকাৰৰ অধীনলৈ অনাৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

## Re: Primary Health Centre

Shri Ramendra De asked:

*299. Will the Minister, of State, Health be pleased to state—

(a) The Total number of Primary Health Centre and State Dispensaries in the State of Assam?

(b) The number in Karimganj District?

Shri Jatin Mali (Minister of State, Health) replied:

299. (a) Total number of Primary Health Centres—198.

Total number of State Dispensaries—372.

(b)—Total number of Primary Health Centres—5.

Total number of State Dispensaries—17.

## Re: Illegal occupation of Land by Mizoram

Shri Manilal Gowala asked:

*300, Will the Minister, Political be pleased to state—

(a) Whether the Government is aware that more than three KM land of Assam at Medhicherra under Karimganj Dist. has been illegally occupied by Mizoram or MNF?

(b) If so, the steps the Government think to recover the said land?

(c) Whether it is a fact that very frequently local people living in the surrounding of Rangmoti are threatened by MNF or so?

(d) If so, the steps so far taken to give safeguard to them?

Shri Bhrigu Kumar Phukon (Minister, Political) replied:

৩০০। (ক)—হয়।

(খ)—ইতিমধ্যে মেদলিচেৰাত ২৭।১।৮৬ তাৰিখে কিছুমান বেদখলকাৰীক উচ্ছেদ কৰা হৈছে।

(গ)—হয়।

(ঘ)—ৰঙামাটি এলেকাত পুলিচ পহৰাৰ ব্যৱস্থাও সতর্ক দৃষ্টি ৰখা হৈছে। মিজোৰামৰ সংশ্লিষ্ট উপায়ুক্তৰ লগত আলোচনা কৰি এনে ঘটনা যাতে প্রতিৰোধ কৰিব পৰা যায় তাৰ কাৰণে উপায়ুক্তক নির্দ্দেশ দিয়া হৈছে।

## Re : Subong Tea Estate

Shri Altaf Hossain Mazumdar asked :

*301. Will the Minister, Labour be pleased to state—

(a) Is the Government aware that the management of Subong Tea Estate of Cachar failed to provide drinking water to labourers of Subong Tea Garden and that the matter was agitated since long before ?

(b) If so, what specific action has been taken by the Government ?

শ্রীবার্কী প্রসাদ তেলেঙ্গা (শ্রম ও নিয়োগ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

৩০১। (ক)—হয়। কাছাৰ জিলাৰ চুবং চাহ বাগিছাৰ বনুৱা সকলৰ প্রয়োজন অনুসৰি খোৱা পানীৰ যোগান, বাগান কর্ত্তৃপক্ষই দিব পৰা নাই। এই সন্দর্ভত কর্ম্মী সকলৰ দুর্গতিৰ কথা চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

(খ)—ইং ৩১।৩।৮৬ তাৰিখৰ ভিতৰত বাগান কর্ত্তৃপক্ষক এই খোৱাপানীৰ অভাৱ যিকোনো প্রকাৰে দূৰ কৰিবৰ কাৰণে নির্দ্দেশ দিয়া হৈছে।

## বিঃ পাভ বনাঞ্চল

শ্রীজগত হাজৰিকাই সুধিছে :

Similarly, Shri Das Gupta has also referred to page No. 292 of the Practice and Procedure of Parliament by Kaul and Shakder and referred to different facilities provided to the political parties. He also contended that according to this provisions the members of the Asom Gana parishad were given a block of seats inside the Chamber Legislature party room and and office room in the Assam Legislative Assembly Building. All these facilities have been provided to the Asom Gana Parishad because it is a recognised political party. Therefore the Asom Gana parishad party is a political party according to the Manual of Election Law and practice and procedure of parliament by Kaul and Shakder including the Asom Gana parishad "MUKHA PATRA."

In this connection the following extract from the proceedings may be set out below :

Mr. Speaker : Whether any definition is there about the political party in the Constitution (52nd Amendment) Act ?

Shri Santi Ranjan Das Gupta : The word "Party" is there. In this Manual of Election Law, there are two types of Political Parties - one is recognised and the other is unrecognised.

Mr. Speaker : As per provision of Election Symbol Reserved Order, 1968, whether according to this order, the Asom Gana Parishad was a political party on the date of filing nomination and on the date of poll and also on the date of declaraction of results ?

Shri Santi Ranjan Das Gupta : From that point that was a political party from the date when the symbol was allotted to them and according to Rule 6 (2) (A) and (B) on the date of election they have automatically become political party by obtaining 63 seats and more than 4% votes.

Mr. Speaker : You have shown the gazette. As per gazette notification what is the status of Asom Gana Parishad including these six Independent Members ?

Shri Santi Ranjan Das Gupta : As per direction of Election Commission they fought as Independent members with Common Symbol 'Elephant'. Their status was Independent.

Mr, Seaker : The six hon'ble members who had joined the Asom Gana Parishad after their election and against whom the present complaint petition has been filed appeared before me and each of them had submitted a written statement along with a copy of Notification dated 25th February, 1986 issued by the Election Commission according recognition to the Asom Gana Parishad and reserving the symbol 'Elephant' to Asom Gana Parishad and deleting the said symbol 'elephant' from the list of free symbols. All of them have also submitted a copy of letter issued by the President - in-chief of the Asom Gana Parishad admitting them into the Asom Gana Parishad. From the records they supplied to me it appears all of them had joined the Asom Gana Parishad in the month of December, 1985 immediately after the results of the elections were announced. All of them have admitted that they contested the

1985 election as independents but supported by the Asom Gana Parishad and that when they joined the Asom Gana Parishad, it was an association of persons and not a political party as defined in para 2 (1) (h) of the Election Symbols (Reservation and Allotment) Order, 1968. All of them have also asserted that the complaint petition in the form of the letter is not legally maintainable and is liable to be rejected.

As regards the contention of Shri Das Gupta that a 'political party' may be a recognised political party or unrecognised political party, it may be stated that the answer to this point is very much obvious in the Election Symbols (Reservation and Allotment) Order, 1968.

Para 6 (1) of the Order deals with classification of political parties and states that "political parties are either recognised political parties or unrecognised political parties. "Again what is a recognised political party has been defined in para 6 (2) of the Order which I have already referred to. Para 6 of the Symbols Orders deals with Political Parties. The expression 'political party' is defined in para 2 (1) (h) of the said Order and it, inter alia, means an Association or body of individual citizens of India registered with the Commission as political party under para 3. Para 3 of the Symbols Order lays down the procedure for obtaining registration as a political party from the Election Commission of India and the Commission is empowered to decide either to register the Association or Body as a Political Party, or not to register it and the decision of

the Commission has been made final. No order has been placed to show that the Commission had registered the Asom Gana Parishad as a Political Party under para 3 of the Symbols Order either at the time of the election or at the time when these six persons joined the Asom Gana parishad. That being the position reliance on para 6 of the Symbols Order does not advance the case of Shri Das Gupta.

Similarly reliance on certain passages from 'Practice and Procedure of Parliament' by Kaul and Shakdher also does not advance the case of Shri Das Gupta and on the basis of the said passages it is difficult to hold that the Asom Gana Parishad was a Political Party at the time when these six members joined the said party so as to attract the disqualification under para 2 (2) of the Tenth Schedule to the Constitution.

I now come to the question of definition of Political Party. The phrase "Political Party" occurs in the Tenth Schedule to the Constitution which deals with elections and disqualification of members. The Scheme of the Tenth Schedule adheres to a great extent to the scheme of the Symbols Order as the question of registering a political party, recognising a political party and allocating a symbol thereto and dealing with the question of a split in a political party are all matters dealt with in the Symbols Order. The phrase "Political Party" is defined in para 2 (i) (h) of the Symbols order and read as follows:

"Political party" means an association or body of

individual citizens of India registered with the Commission as a political party under paragraph 3 and includes a political party deemed to be registered with the Commission under the proviso to sub-paragraph (2) of that paragraph."

Thus a political party for the purpose of Election is only a political party which is registered by the Election Commission of India and thereafter recognised for the purpose of election.

Any attempt to give a meaning to the phrase 'political party' other than as understood in the Symbols Order would be contrary to the Rules of construction and may also lay open the constitutional amendment to challenge on the ground that it may affect the basic structure of the Constitution. It has to be remembered that the phrase occurs in provisions of the Constitution and that too provisions made by amending the constitution long after the making of the Symbols Order. It has also to be remembered that the consequence caused by the Tenth Schedule to the Constitution on a member of the Legislature is drastic. Considering the mischief sought to be eliminated and having regard to the consequence that may follow, I am inclined to construe the phrase 'political party' in para 2 (2) of the Tenth Schedule not in a wide sense but as a political party which is registered by the Election Commisson of India and there after recognised for the purpose of election.

In this background, I am sure that any attempt to give a meaning to the phrase "Political Party" other than

as defined in para 2 (1) (h) of the Symbols Order would be contrary to the rules of construction. Therefore, the meaning to be attributed to the phrase "Political Party" would be the meaning in which it is understood in the Symbols Order, i. e., a party which has been registered or recognised for the purpose of an election. The Asom Gana Parishad was not a party which has been registered on the date of poll, namely 16th December, 1985. It was not a party which was registered or recognised on the date when the six independent members applied for membership of the Asom Gana parishad and became members thereof. When they became members of the Asom Gana parishad, they did not become members of a political party within the meaning of paragraph 2 (2) of the Tenth Schedule to the Constitution. I, therefore, declare that these six members who had been elected as Independents and subsequently joined the Asom Gana Parishad before 24-2-86 are not subject to the disqualification under paragraph 2 (2) of the Tenth Schedule and are not guilty of defection as contemplated by the Tenth Schedule to the Constitution.

Accordingly, the petition is dismissed.

Shri Sarat Chandra Sinha : Mr. Speaker Sir, this is absolutely within your jurisdiction and the Assembly has nothing to do. It is practically your jurisdiction.

Shri Suren Medhi (Minister) : Sir, 15 members of the UMF filed a petition in the form of a letter before the Hon. Speaker of the Assam Legislative Assembly and there-

fore Sir, in my humble submission, I would say that it is a part of the Legislative Assembly and so the hon. Speaker has given rightly the verdict on the floor of the Assambly.

## Private Members Resolution

Item No. 6.

Shri Amritlal Basumatary : Hon. Speaker Sir, this Assembly recommends that the people affected and rendered homeless and landless by the erosion of the Brahmaputra and its tributaries be provided with land on priority basis or means of livelihood they are used to.

মাননীয় অধ্যক্ষ মহোদয়, প্ৰস্তাৱটো সকলোৰে কাৰণে মই ভাল বুলি ভাবিছো আৰু একেবাৰে কবলৈ গলে ইয়াৰ ভিতৰত কোনো ৰাজনীতি নাই, সমাজৰ কথাহে আছে। গতিকে মই প্ৰস্তাৱটো পাছ কৰিব বুলি ভাবিছো।

কথাটো হল—অসমৰ ব্ৰহ্মপুত্ৰৰ লগত বহুতো নদ নদী আছে আৰু প্ৰত্যেক বছৰে অসমত বানপানী হয়। সেই বানপানীৰ ফলত শ শ ই মানুহ মাটিহীন, গৃহহীন হৈ পৰে। তেওঁলোকৰ প্ৰতিৰোধৰ কাৰণে চৰকাৰে কিবা যদি উপায় অবলম্বন কৰে, তেতিয়া হলে সেই সমস্যা সমাধান হব। কবলৈ গলে ইয়াৰ লগত এটা কথা জৰিত হৈ আছে আৰু সেই কথাটোৰ ইয়াৰ লগত সম্পৰ্ক আছে। সেই কথাটো হল—"এনক্ৰোচমেণ্ট ফৰেষ্ট লেণ্ড"। ফৰেষ্ট লেণ্ডত মানুহ সাধাৰণতে নেযায়, তাত এনক্ৰোচমেণ্ট কৰিবলৈহে যায়। সেই কাৰণে আমাৰ মাজত এই কথাটো আলোচনা হৈছে। গতিকে মই শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে নতুন চৰকাৰক অনুৰোধ কৰিব খুজো সেইসকল মানুহক প্ৰত্যেক বছৰে এটা জৰিপ কৰিব লাগে। যিসকল মানুহ মাটিহীন হৈছে তেওঁলোকক যাতে প্ৰত্যেক বছৰে জৰিপ কৰাৰ ব্যৱস্থা কৰে তাৰ বাবে মই অনুৰোধ কৰিছো।

অধ্যক্ষ মহোদয়, আমাৰ মাটিহীন হোৱা ব্যক্তিসকলক বহুত সময়ত অৱজ্ঞা কৰা হয়। গতিকে তেওঁলোকে খাছ লেণ্ড, ফৰেষ্ট লেণ্ড আদিত কিছুমান মানুহ

যায়। তেতিয়া তেওঁলোকক বিদেশী আদিৰে টাইটেল দিয়া হয়। এই আখ্যাৰে তেওঁলোকক মানসিক কষ্ট দিয়া হয়। এইদৰেই আমাৰ অসমৰ মানুহেই টাইটেল পাবলগীয়া হয়। গতিকে মই অনুৰোধ কৰিছো যাতে আমাৰ অসমৰ মানুহক তেনেকুৱা আখ্যা দিয়া নহয়, সেইটো বিবেচনা কৰিব লাগে। এইখিনি কৈ মাননীয় সদস্যসকল, মাননীয় মন্ত্ৰীসকল আৰু আৰু মাননীয় অধ্যক্ষ মহোদয়ক মোৰ প্ৰস্তাৱটো পাছ কৰিবলৈ অনুৰোধ কৰিছো।

Shri Altaf Hussain Majumdar : Mr. Speaker Sir, I support the resolution moved by Mr. Basumatary and also fully endorse the views expressed by him. It is a most justified case for a resolution brought by the hon. member, that in a welfare state it is the primary duty of the Govt. to see that those people who have been made homeless by the river erosion should be given priority in the matter of settlement of lands. That should be the accepted policy of the Govt. as well as it should be executed in letter and spirit, as humane consideration is also invold in it. Apart from that the question of encroachment is also related with river erosion and therefore, Govt. must formulate a policy for providing lands to the erosion affected people right in time, so that encroachment does not take place in forest lands, khas lands etc. Sir, those people who have been affected by erosion and have got no other alternative land, but encroached upon Govt. lands should necessarily be evicted. But before eviction, first of all, there should be some sort of an arrangement to remove them to a place with no inconvenience in their living. So I would recommend this resolution to the House because it is necessary in the context of the state of affairs we are facing about this

homeless people. So there should be clear cut policy and execution in this respect.

শ্ৰীসহিদুল ইছলাম : অধ্যক্ষ মহোদয়, শ্ৰীঅমৃতলাল বসুমাতাৰীৰ প্ৰস্তাৱটো মই সমৰ্থন জনাইছো। ব্ৰহ্মপুত্ৰ নদীক কোনোবাই অসমৰ অভিশাপ বুলি কয়, আৰু কোনোবাই কয় আৰ্শীবাদ বুলি। ব্ৰহ্মপুত্ৰ নদীয়ে প্ৰতি বছৰে হেজাৰ হেজাৰ লোকক গৃহহীন কৰে। ব্ৰহ্মপুত্ৰ নদীৰ ধ্বংসলীলাই অসমত বিভিন্ন সমস্যাৰ সৃষ্টি কৰি আহিছে। গতিকে এই সমস্যাটোৰ প্ৰতি লক্ষ্য ৰাখি যি বিলাক মানুহ বৰ্ত্তমান অঘৰী হৈ বস-বাস কৰিব লগা হৈছে, এই নদীৰ কাৰুকাৰ্য্যৰ কাৰণে আৰু খহনীয়াৰ কাৰণে। গতিকে এই নদীয়ে যেদি পঠোৱা মানুহখিনি বিভিন্ন ঠাইত বস-বাস কৰিবলৈ যাওঁতে বাংলা দেশী বুলি আখ্যা পাব লগা হয়। আজি এই প্ৰস্তাবটো গ্ৰহণ কৰি নদী ভঙনীয়া মানুহ খিনিক স্থায়ীভাবে বস-বাস কৰাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ, এওঁলোকৰ বেছিভাগেই খেতিয়ক আৰু এওঁলোকৰ উপাৰ্জ্জনেৰে সমগ্ৰ উত্তৰ পুৰ অঞ্চলৰ মানুহে খাই থাকিব পাৰে। সেয়ে মই বসুমাতাৰী ডাঙৰীয়াৰ প্ৰস্তাবটোক অভিনন্দন জনাইছো। গতিকে এই নদী ভঙনীয়া মানুহখিনিক স্থায়ী ভাবে বস-বাস কৰাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক অনুৰোধ জনাই মই সামৰনি মাৰিছো।

কুমাৰ দীপক দাস : মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীঅমৃতলাল বসুমাতাৰী ডাঙৰীয়াই উত্থাপন কৰা প্ৰস্তাৱটোৰ সম্পৰ্কত মই দুআশাৰ কব খুজিছো। এটা সুন্দৰ প্ৰস্তাব বসুমাতাৰী ডাঙৰীয়াই সদনত আনিছে আৰু মই ভাবো, প্ৰস্তাৱটোৰ কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা ইতিমধ্যে আমাৰ চৰকাৰে ঘোষনা কৰিছে যে—যিসকল মাটিহীন আৰু গৃহহীন অঘৰীৰ দৰে অনাই-বনাই ফুৰিছে, যাযাবৰী জীৱণ যাপন কৰিছে, তেওঁলোকৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে আৰু এইটো স্পষ্ট যে বিগত বছৰকেইটাত এনে ধৰণৰ যাযাবৰী জীৱণ যাপন কৰা বহুত সংখ্যক লোকৰ কাৰণে আমাৰ চৰকাৰৰ নিশ্চয় আঁচনি আছে আৰু সেই আঁচনি ইতিমধ্যে ঘোষণা কৰা হৈছে। মই ভাবো, এনে এটা আঁচনি লোৱাৰ কাৰণে নতুনকৈ কোনো প্ৰস্তাব লোৱাৰ প্ৰয়োজন নাই। ধন্যবাদ।

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, মই অমৃতলাল বসুমাতাৰী প্ৰস্তাৱটো দুৰ্ঘোৰ বিৰোধিতা কৰিছো। কাৰণ, ব্ৰহ্মপুত্ৰৰ মাজেৰে হেজাৰ হেজাৰ মানুহ অসমলৈ

আহিছে, এইটো সচা কথা। এতিয়া এই প্ৰস্তাবটো বাংলাদেশী লোকৰ স্বাৰ্থৰক্ষাৰ কাৰণে ষড়যন্ত্ৰ থকা যেন হে অনুমান হয়। গতিকে মাটিহীন আৰু গৃহহীন প্ৰকৃত ভাৰতীয় লোকক ৰক্ষণা-বেক্ষণ দিয়াৰ দায়িত্ব এই প্ৰস্তাৱেৰে নকলেও আমাৰ চৰকাৰে লব। কিন্তু এই প্ৰস্তাৱটোৱে নদীৰ দুয়োপাৰে থকা লোক সকলকহে বিশেষ ভাৱে কেৱল অগ্ৰাধিকাৰ ভিত্তিত সুবিধা দিব লাগে, এই কথাটো আমাৰ চৰকাৰৰ বাবেই নহয় অসমৰ যিকোনো সচেতন নাগৰিকৰ বাবেই গ্ৰহণ যোগ্য হব নোৱাৰে। ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে থকা ৰসাল ভূমিত বাংলাদেশী লোকে বসবাস কৰিবলৈ আৰম্ভ কৰিছে। গতিকে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে থকা লোকখিনিক ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াই বা বানপানীয়ে আকৌ বাংলাদেশত ঢালাই দিব খুজিছে তেন্তে ব্ৰহ্মপুত্ৰই ভালেই কৰিছে। গতিকে এই প্ৰস্তাৱটো মই দোৰ্ঘোৰ বিৰোধীতা কৰিছো আৰু অনুৰোধ কৰিছো প্ৰস্তাব ডাঙি ধৰা জনে দেশৰ বৃহত্তৰ আৰু অসমীয়া খিলঞ্জীয়া লোকসকলৰ স্বাৰ্থৰ কাৰণে প্ৰস্তাবটো উঠাই লব। মই পুনৰ আমাৰ দলৰ তৰফৰ পৰা ইয়াৰ দোৰ্ঘোৰ বিৰোধীতা কৰিছো।

শ্বেখ ছামন আলি : অধ্যক্ষ মহোদয়, মই বসুমতাৰী ডাঙৰীয়াৰ প্ৰস্তাবটো সমৰ্থন কৰিছো, কিয়নো মাননীয় সদস্য কুমাৰ দীপক ডাঙৰীয়াই যিটো কথা কৈছে, সেইটো সচাঁ কথা। কাৰণ ব্ৰহ্মপুত্ৰৰ ভগনীয়া মানুহখিনিক জাৰজ সন্তান হিচাবে ব্যৱহাৰ কৰা হয়। এই মানুহখিনিক এক শ্ৰেণীৰ লোকে ৰাজনৈতিক উদেশ্যত ব্যৱহাৰ কৰাৰ কাৰণে আনিছিল। সি যিকি নহওক অসমৰ উন্নয়নৰ কামনা কৰি বৰ্ত্তমান চৰকাৰে এই প্ৰস্তাবটো নিশ্চয় গ্ৰহণ কৰিব। নহলে এই মানুহখিনিক বিদেশী বুলি ধৰি থাকিলে অসমৰ উন্নতি নহব। এসময়ৰ ৰাজনীতিক সকলে ৰাজনীতি মুনাফা আদায়ৰ কাৰণে এই মানুহখিনিক আনিছিল আৰু এতিয়াৰ মানুহখিনিয়ে বাংলাদেশী বুলি কোৱাত এওঁলোকৰ মাজতে মৰণ হল। গতিকে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে থকা এই মানুহ খিনিক স্থায়ী ভাৱে বস-বাস কৰিবলৈ দিলে সকলোৰে কাৰণে (ওৱাঞ্চফৰ অল) মঙ্গল সাধণা কৰা হব। তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে : মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীঅমৃতলাল বসুমতাৰী ডাঙৰীয়াই যিটো প্ৰস্তাব উত্থাপন কৰিছে মই সেইটো সমৰ্থন কৰিছো। ইয়াৰ আগতে মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই যিটো কথা কৈছে সেই কথাটো ইতি

হাসৰ লগত মিল নাখায়। তেখেতে কোৱাৰ লগত ইতিহাসৰ কোনো সম্পৰ্ক নাই। ১৯৭১ চনৰ পিচত যিবিলাক মানুহ আহিছে সেইবিলাক মানুহৰ কথাই নাই, তাৰো আগৰে পৰা বহুত মানুহ আহি ব্ৰহ্মপুত্ৰৰ চৰ বিলাকত বহি আছে। এই বিলাক কথাৰ ইতিহাস হয়তো তেখেতে পঢ়াই নাই।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অবজেকচন আছে, চাৰ।

শ্ৰীঅৰ্দ্ধেন্দ্ৰে কুমাৰ দে ঃ বহুত বিলাক মানুহ ব্ৰহ্মপুত্ৰৰ চৰ অঞ্চলত আছে। তাৰে বহুত বিলাক মানুহ ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত পৰি কেতিয়াবা ইপাৰলৈ গৈছে আৰু তাতো খহনীয়া হোৱাৰ কাৰণে সিপাৰলৈ গৈছে। এই দৰেই গৰা-খহনীয়াৰ কাৰণে ইপাৰ সিমাৰ কৰি আছে। এনেকুৱা দুৰ্ভগীয়া মানুহ বহুত আছে। মাননীয় সদস্য শ্ৰীচামান আলি চাহাবে এটা কথা ঠিকেই কৈছে। যে এই ধৰণৰ কিছুমান মানুহ ৰাজনৈতিক খেলাৰ পুতলা হৈ পৰিছে কোনোবা ৰাজনৈতিক দলে এই মানুহ বিলাকক কুকুৰ মেকুৰীৰ দৰে ব্যৱহাৰ কৰিছে আৰু কোনোবা ৰাজনৈতিক দলে তেওঁলোকক সমৰ্থন দি কৈছে যে তেওঁ-লোকক ইয়াতে সংস্থাপন দিব লাগে। এই ধৰণৰ বিভিন্ন ৰাজনৈতিক দুৰভি-সন্ধিত পৰি আছে এই মানুহখিনি। কোনোবাই কৈছে যে এই মানুহ বিলাকক ব্ৰহ্মপুত্ৰত পেলাই দিব লাগে আৰু কোনোবাই কৈছে যে তেওঁলোক ব্ৰহ্মপুত্ৰৰ পাৰতে থাকে যেতিয়া পানীত পৰি যাব লাগে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অবজেকচন আছে, চাৰ।

শ্ৰীঅৰ্দ্ধেন্দ্ৰে কুমাৰ দে ঃ মই এই খিনিকে কৈ শ্ৰীবসুমতাৰী ডাঙৰীয়াৰ প্ৰস্তাবটো সমৰ্থন কৰিলো।

শ্ৰীমকবুল হুচেইন ঃ মাননীয় অধ্যক্ষ মহোদয়, মই শ্ৰীঅমৃতলাল বসুমতাৰী ডাঙৰীয়াৰ প্ৰস্তাবটো সমৰ্থন কৰি কব বিচাৰিছো যে অসমত বহুত দিনৰেপৰা বসবাস কৰি থকা এটা শ্ৰেণীৰ লোকক সদায়েই সন্দেহ কৰি অহা হৈছে। বহুতেই তেওঁলোকক 'বিদেশী' আখ্যা দি নেগলেট কৰি আহিছে। তেওঁলোক ভাৰতীয় নাগৰিক হয়নে নহয় সেই কথা কোনেও ভাবি চোৱা নাই। তেওঁলোকক ৰক্ষনা বেক্ষন দিয়া হবনে নহয় সেই কথা আজিলৈকে কোনেও ভাবি চোৱা

নাই। সন্দেহ জনক এই ভাবেই শ্ৰেনীটোক অবহেলিত কৰি ৰখা হৈছে। তেওঁলোকৰ সম্পৰ্কত বিভিন্ন ৰাজনৈতিক দলৰ বিভিন্ন মতামত। কোনোবা ৰাজনৈতিক দলে কৈছে ৰে তেওঁলোকক খেদি পঠাব লাগে আৰু কোনোবা ৰাজনৈতিক দলে কৈছে যে তেওঁলোকক ৰক্ষনা বেক্ষন দিব লাগে। প্ৰকৃততে এই মানুহ বিলাক সংবিধান মতে ভাৰতীয় নাগৰিক হয়নে নহয় সেইটো বিচাৰ বিবেচনা কৰি চাব লাগে। আমাৰ প্ৰাক্তন মুখ্য মন্ত্ৰীয়ে কৈছিল যে ১৯৭১ চনৰ ২৪ মাৰ্চৰ আগৰে পৰা যি সকল লোক ইয়াত বসবাস কৰি আছিল তেওঁলোক ভাৰতীয় নাগৰিক হয়নে নহয় সেইটো চাব লাগে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ পইণ্ট অব অৰডাৰ।

শ্ৰীমকবুল হুচেইন ঃ অসমত যিমান বিলাক ভাৰতীয় নাগৰিক হৈ আছিল···

(সদনত গুন গুননি হোৱাৰ বাবে শুনা নগল)

........এই খিনি কথা বিবেচনা কৰি এই মানুহ বিলাকৰ প্ৰতি যদি ভাল দৃষ্টি ভংগী দেখুৱা নহয় তেতিয়াহলে নিশ্চয় এই মানুহ বিলাকৰ মনত বিক্ষোভৰ সৃষ্টি হব। আজি যিটো বিক্ষোভৰ সৃষ্টি হৈছে সেইটো হবলৈ দিব নালাগে। মই এইখিনিকে কৈ শ্ৰীবসুমতাৰী ডাঙৰীয়াৰ প্ৰস্তাবটো সমৰ্থন কৰিলো।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীঅমৃত লাল বসুমতাৰী ডাঙৰীয়াই যিটো প্ৰস্তাৱ ডাঙি ধৰিছে মই এই প্ৰস্তাবটো শ্ৰীজয়নাথ শৰ্ম্মাৰ ভাষাত তীব্ৰ বিৰোধীতা কৰিছো। আমাৰ চৰকাৰে ইতিমধ্যে আঁচনি গ্ৰহণ কৰিছে যে যিবিলাক মাটিহীন মানুহ তেওঁলোকৰ সংস্থাপনৰ ব্যৱস্থা কৰিব লাগিব। ব্ৰহ্মপুত্ৰৰ চৰত থকা বহুত লোকে ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত মাটিহীন হোৱা বুলি কিমান সা-সুবিধা লৈ আছে। আজি বহুতে বহুত ডাঙৰ ডাঙৰ কথা কৈছে। কোনোবাই কৈছে বিদেশী, কোনোবাই কৈছে "স্বদেশী" এইবিলাক তেনেই 'ভেগ' কথা। কোনোবাই কৈছে ৰাজনৈতিকভাবে যে তেওঁলোকক ৰক্ষনা বেক্ষন দিব লাগে কিন্তু এই সকলক ৰাজনৈতিক ভাবে গাদী ৰাখিবলৈ অসমত মেলি দিলে কোনে ? মেলি দিয়াৰ পিচত তেওঁলোকৰ ইয়াতে লৰা ছোৱালী হল। লৰাছোৱালীৰ গাত দোষ নাই। কিন্তু তেওঁলোকক যিসকলে ইয়াত মেলি দিছিল তেওঁলোকেই ইয়াৰ বাবে

দায়ী। তেওঁলোকক কোনোবাই সমৰ্থন কৰিলে আমাৰ আপত্তি আছে। কাৰণ আমি এনে কিছুমান কথা দেখিছো যে বহুতৰ নাম আমাৰ ভোটাৰ তালিকাত আছে কিন্তু মানুহজন আমাৰ ইয়াত নাই। তেনেকুৱা কথা আমি দেখিছো। হীৰালাল পাটোৱাৰীৰ মৃত্যুৰ পিছত নিৰ্ব্বাচনৰ সময়ত ময়ো ইনুমাৰেটৰ আছিলো। তেতিয়া আমি তাত দেখিবলৈ পাইছিলো যে বহত বিলাক তালুকদাৰ মানুহ আছে যি বিলাকৰ ভাষা আমাৰ লগত নিমিলে। আমি আগৰ ভোটাৰ তালিকাৰ লগত তেতিয়াৰ তালিকা মিলাই চাইছিলো। তেতিয়া কিছুমান মানুহৰ নাম পাওঁ আৰু মানুহজন কত বুলি কলে কয় যে এতিয়া নাই। তাৰ পিচত এজন ট্ৰাইবেল সৰল সহজ মানুহে আমাক কলে যে এই বিলাক তালুকদাৰ এতিয়া ঢাকাত আছে। তেওঁলোকে শতকৰা ৫০ ভাগ ঢাকাত থাকে আৰু শতকৰা ৫০ ভাগ আমাৰ ইয়াত থাকে। আমি দেখিছিলো যে যিবিলাক ঘৰত থাকে সেই বিলাকৰ বাৰী বিলাক পুৰণী। কাৰণ তাৰ তামোল, নাৰিকল বিলাক বহুত ডাঙৰ হৈছে। চালেই পুৰণী বাৰী বুলি ধৰিব পাৰি। এইবিলাক মানুহক ভাৰতীয় নাগৰিক বুলি কলে আমাৰ দুৰ্ঘোৰ আপত্তি আছে। মাননীয় বসুমতাৰী ডাঙৰীয়াই এটা ইনচেণ্ট ভাবত এই প্ৰস্তাবটো ডাঙি ধৰিছে কিন্তু যিসকলে সমৰ্থন কৰিছে 'নট আউট অব কনটেস্ক। মাটিহীন মানুহৰ নাম লৈ তেওঁলোকে কি কৰি ফুৰিছে? তেওঁলোকক যদি কোনোবাই ৰক্ষনা বেক্ষন দিব লাগে বুলি কয় তেতিয়াহলে তেওঁলোককো জাতি দ্ৰোহী কৰিব লাগিব। মাতৃক বিক্ৰী কৰাত মানবতাৰ কথা থাকিব নোৱাৰে। তামোলপুৰত মাটিহীনৰ নামত হাজাৰ হাজাৰ মানুহ সোমাই গল। এই বিলাকক কোনে আনিলে ? ইয়াৰ পৰা প্ৰতি বছৰে কোন নিৰ্বাচিত হৈ আহিছে ? এনেধৰণৰ আৰু ৰাজনীতি হবলৈ দিয়া নহব। যিসকল আগতে আহিল এতিয়া আৰু নহব। গতিকে এইবিলাক কথা চাব লাগিব। আগতে যি হৈ গল হৈ গল। আগতে যিসকলে আনিছিল এতিয়া তেওঁলোকে ৰাখিব নোৱাৰো বুলি ক্ষমা খোজক।

মাননীয় অধ্যক্ষ : সদন মধ্যাহ্ন ভোজনৰ বাবে ২.৩০ বজালৈ স্থগিত।

মধ্যাহ্ন ভোজনৰ পিচত

শ্ৰীমুক্তাৰ হুচেইন : শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, আজি বিধান সভাত মাননীয় সদস্য শ্ৰীঅমৃত লাল বসুমতাৰীয়ে উৎথাপন কৰা প্ৰস্তাৱটো মই সমৰ্থন কৰিছো।

শ্ৰীবসুমতাৰী ডাঙৰীয়াই এটা বৰ গুৰুত্বপূৰ্ণ প্ৰস্তাব উৎথাপন কৰিছে। আচলতে এই প্ৰস্তাৱ চৰকাৰ পক্ষৰ পৰা উৎথাপন হব লাগিছিল। অধ্যক্ষ মহোদয় আপুনি নিশ্চয় মোৰ লগত একমত হব যে বৰ্ত্তমান অৱস্থাত ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াত ক্ষতিগ্ৰস্ত লোক সকলে গৈ বিভিন্ন ট্ৰাইবেল বেল্ট ব্লক, খাচ মাটি বা বন বিভাগৰ মাটিত বেদখল কৰি আছে। এইটো এটা বিৰাট ডাঙৰ সমস্যা। এই সমস্যা সমাধানৰ কাৰণে আগৰ চৰকাৰে বা আগৰ মন্ত্ৰী সভাই বাৰে বাৰে সিদ্ধান্ত লৈছিল যদিও বাৰে বাৰে উচ্ছেদ কাৰ্য্য চলাইছিল যদিও এইটো স্পষ্ট দেখা যায় যে উচ্ছেদকাৰ্য্যৰ দ্বাৰা সমস্যাৰ সমাধান নকৰি এই সমস্যা ব্যাপকহৈহে উঠিছে সমস্যাৰ কিঞ্চিতমানো সমাধান নহ'ল। এই প্ৰসংঙ্গতে মই মাননীয় শাসক দলৰ সদস্য শ্ৰীচন্দ্ৰ পাটোৱাৰীৰ লগত একমত—তেখেতে কৈছে যে নদীভঙা বা গড়াখহনীয়াত ক্ষতিগ্ৰস্ত লোকেই বেদখল কৰা নাই আৰু কিছুমান অন্য মানুহে এই বিলাক ঠাইত বসতি বিছাৰিছে—সচাঁ কথা। সেই কাৰণে মই কৈছো যে এই প্ৰস্তাৱটো চৰকাৰ পক্ষৰ পৰা আহিব লাগিছিল। এইটো আমি স্পষ্ট দেখিবলৈ পাইছো যে নদীভাঙা নদীৰ গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হোৱা লোকেই মাটি বেদখল কৰা নাই বহুত বহুবছৰ কোনো পুনৰবাসন নোপোৱা লোক সকলেও এতিয়া পুনৰবাসন বিছাৰিছে। এইটো ঠিক যে অকল নদী ভঙা বা গড়াখহনীয়াত ক্ষতিগ্ৰস্ত লোকেই যে উপায় নাপায় বেদখল কৰিব এনে নহয় যিসকল কৃষিজীবিলোক যাৰ সম্পৰ্ক অকল মাটিৰ লগত যিসকল মাটিকলৈয়ে জীয়াই থাকে তেওঁলোকে আজি মাটি নাপায় এই নদীৰ কাষতগৈ মাটি বেদখল কৰিছে। গতিকে এই লোক সকলক মাটি দিয়াৰ কাৰণে সকলো কল্যানকামী চৰকাৰৰে কৰ্ত্তব্য আৰু দায়িত্ব। এই লোকসকলে আজি নদীৰ বুকুত সৰ্ব্বস্ব হেৰুৱাইছে। গতিকে তেওঁলোকক পুনৰ বসতি দিয়া যি কোনো চৰকাৰৰেই কৰ্ত্তব্য। আজি পবিত্ৰ বিধান সভাত এজন মাননীয় সদস্যই বৰ দুৰ্ভাগ্যজনক বক্তৃতা দাঙি ধৰিছে। তেখেতে কৈছে যে এই চৰ অঞ্চল বিলাকতে বিদেশী বেছি থাকে। তেওঁলোকক ভাঙি নিয়াৰ ব্ৰহ্মপুত্ৰৰ কাৰণে ভাল কামেই হৈছে। এইটো অধক্ষ্য মহোদয়, কোনো মানবীয় দৃষ্টিভঙ্গিৰ বক্তৃতা হব নোৱাৰে। তৰ্কৰ খাতিৰত কোনোবা এজন মানুহৰ যদি নদীৰ পাৰত আছেও বিদেশী লোক তেওঁৰ ঘৰত জুই লাগি পুৰি যাওঁক তেওঁক ব্ৰহ্মপুত্ৰ নদী য়ে ভাঙি নিয়ক এইটো কব নালাগে। কিছু-

দিন আগতে অসমত তেনেকুৱা এটা পৰিস্থিতি হৈছিল-মানুহে মানুহৰ প্ৰতি তেনে ব্যৱহাৰ কৰা উচিত নহয়। কাৰোবাৰ ঘৰত জুই লাগিলে তেওঁ কোন জাতিৰ মানুহ আগতে সেইটো প্ৰশ্ন কৰিছিল আৰু তেতিয়াহে জুই নুমুৱাৰ ব্যৱস্থা কৰিছিল। এইটো বৰ দুৰ্ভাগ্যজনক কথা। নদীৰ কাষত বাস কৰিলেই বিদেশী তেওঁৰ কোনো উন্নতি হব নোৱাৰে এইটো সচাঁকৈ সভ্য জগতত লাজৰ কথা। আজি নদীৰ কাষত থাকিও বহুত ভাৰতীয়ই পুনৰ বসতি পোৱা নাই। গতিকে সকলোৱেই বিদেশী সেইটো নহয়। আমাৰ এটা আন্তৰ্জাতিক সীমাৰেখা আছে, তাত পুলিচ চকী আছে পহৰাদাৰী আছে লাগিলে তাত আকৌ গগন চুম্বি অট্টালিকা সাজক বিদেশী অহা বন্ধ কৰক। চৰকাৰৰ নিজৰ দুৰ্ব্বলতাৰ কাৰণে বিদেশীলোক আমাৰ দেশত সোমাইছে। নদীৰ কাষত থাকিলে তেওঁলোকৰ উন্নতি হব নালাগে এইটো গতিকে বেয়া কথা। নদীয়ে কাকো চিনি নাপায়। অধ্যক্ষ মহোদয় আপুনি জানে আপোনাৰ সমষ্টিতে পৰে কবি ৰঘুনাথ চৌধুৰী এজন বিখ্যাত কবি আছিল কিন্তু তেওঁৰ ঘৰটো লাউপাৰাৰ ব্ৰহ্মপুত্ৰই উটাই নিছে। গতিকে নদীয়ে সৰুবৰ নিচিনে।

অধ্যক্ষ মহোদয়, গতিকে এই সন্মানিত সদনৰ সকলো মাননীয় সদস্যই অসম দেশৰ মানুহৰ কাৰণে সমানে দুখ কৰা উচিত। প্ৰস্তাৱটোৰ আলোচনা কালত ভালেকেইজন মাননীয় সদস্যই ইয়াত উল্লেখ কৰিছে যে গড়াখহনীয়া পীড়িত লোকে তেখেতসকলৰ সমষ্টিত ফৰেষ্টৰ মাটি দখল কৰিছে, ট্ৰাইবেল বেল্ট ব্লকৰ মাটি দখল কৰিছে আৰু পি-ডি-আৰ ভিজিআৰৰ মাটি দখল কৰিছে। কিন্তু এইটো ঠিক যে যদি মাটি বণ্টন আদিৰ ক্ষেত্ৰত চৰকাৰৰ সুস্থ নীতি থাকিল-হেতেন তেনেহলে বেচ পৰিমাণৰ মাটি ৰাহি হ'লহেতেন আৰু সেই সকলো মাটি মাটিহীন লোকৰ মাজত বণ্টন দিব পৰা গ'লহেতেন। গড়াখহনীয়াত পৰি মাটিহীন হোৱা লোকসকলে যাতে সেই মাটি দখল কৰিব নোৱাৰে তাৰ কাৰণে কোনো চৰকাৰী আইন নাই। এম-এন-পি এটা আঁচনি চৰকাৰৰ হাতত আছে যদিও সেইটো আঁচনিহে কোনো আইন নহয়। কিন্তু যদি এইটোকে আইনত পৰিনত কৰিব পৰা গ'লহেতেন তেনেহলে ইয়াৰ দ্বাৰা গড়াখহনীয়া পীড়িত লোকক পুনৰবসন কৰাৰ কাৰণে মাটিও ওলালহেতেন আৰু সুবিধা কৰিও দিব পৰা গ'লহেতেন। এই এটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আজি বিৰোধী দলৰ মাননীয়

REFERENCE,
( NOT FOR ISSUE )



READING ONLY INSIDE LIBRARY,

সদস্য শ্ৰীঅমৃতলাল বসুমতাৰীয়ে উত্থাপন কৰিছে এই প্ৰস্তাৱটো আমি আশা কৰিছিলো চৰকাৰী শাসক দলৰ পৰাই অহা উচিত আছিল কিন্তু যিহেতু নাহিল আৰু বিৰোধী দলৰ পৰাহে আহিছে সেইটো অনুমোদন কৰি এই অনুক্ৰমে ব্যৱস্থা লোৱাৰ কাৰণে চৰকাৰক সহায় কৰিবলৈ মাননীয় সদস্যসকলৰ প্ৰতি মই অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীভবেন নাৰ্জি ঃ শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীঅমৃতলাল বসুমতাৰী ডাঙৰীয়াই নদী গড়াখহনীয়া মানুহৰ পুনৰবসনৰ কাৰণে যিখিনি প্ৰস্তাৱ আকাৰে দাঙি ধৰিছে সেইটোৰ মই বিৰোধীতা কৰিছো কিয়নো নদীৰ গড়াখহনীয়াত পৰা মানুহৰ পুনৰবসন দিয়াটো এটা অবান্তৰ কথা। নদীত বানপানী হৈয়েই থাকিব, গড়াখহনীয়া হৈয়েই থাকিব। আমাৰ দৰকাৰ সেই বানপানী আৰু গড়াখহনীয়া ৰোধ কৰাৰ চেষ্টা কৰাটোহে। গড়াখহনীয়া ৰোধ কৰিবলৈ নগৈ গড়াখহনীয়া আক্ৰান্ত লোকক মাটি দিবলৈ গলে কিমান মাটি পাব, কিমানক দিব। তাৰ সলনি নদী নিয়ন্ত্ৰণ কৰাৰ পৰামৰ্শ দিয়াটোহে যুক্তিযুক্ত আছিল। নদীয়ে খহাই থাকিব। পৃথিবীখন লাহে লাহে সৰু হৈ আহিছে। মাটি কমি আহিছে কিয়নো বাসিন্দা বাঢ়ি আহিছে। তাৰ ঠাইত আৰু নদীয়ে খহাই নিয়া লোককেই মাটি দি থাকিবলগীয়া হলে যি সকলৰ আন আন কাৰণত মাটি নাই সেই সকলৰ কাৰণে ইমান মাটি ক'ৰ পৰা ওলাব সেই কথাও চিন্তা কৰি চাব লাগিব। সেই কাৰণে খহনীয়া প্ৰতিৰোধ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। জাতি সম্প্ৰদায় নিৰ্বিশেষে বহুত মাটিহীন মানুহ আছে। সেই সকল গড়াখহনীয়াত মাটি যোৱা লোক নহয় যদিও সেই সকলৰ প্ৰতিও চৰকাৰৰ পবিত্ৰ দায়িত্ব আছে। দুখীয়া মানুহ বিলাকে খেতিৰ কাৰণে মাটি ক'ৰ পৰা পাব সেই কথাও চিন্তা কৰা প্ৰয়োজন। গতিকে কেৱল গড়াখহনীয়া পীড়িত লোকক মাটি দি পুনৰবসন কৰিবলৈ বিচৰা প্ৰস্তাৱটো অবান্তৰ মাথোন। বুলিয়েই মই ভাবো। চাৰ্ভে অব ইণ্ডিয়াৰ এখন কিতাপত মই পঢ়ি পাইছো যে নদীৰ সোঁতৰ ওপৰত তেওঁবিলাকে গৱেষণা কৰিছে আৰু প্ৰতি ঘণ্টাত ৪৫ লাখ মেগাৱাট নে কিলোলিটাৰ গেলান বালি পানী যায় ব্ৰহ্মপুত্ৰৰ বুকুয়েদি। বান নিয়ন্ত্ৰণ কৰিবলৈও কিবা কিবি পৰামৰ্শ তাত আগবঢ়াইছে। সেই মতে হিমালয়ৰ পৰা ইমান ওখ পাহাৰ এখনৰ পৰা বৈ অহা নদীৰ সোঁত প্ৰতিৰোধ কৰিবলৈ ভূটান

পাহাৰৰ ওচৰতে খান্দি নি খাচীয়া জয়ন্তীয়া পাহাৰৰ মাজেদি গাৰোপাহাৰৰ মাজেদি মিকিৰ হিলচ ওলাই ব্ৰহ্মপুত্ৰক বোৱাই আনিব পাৰিলে সুবিধা হব বুলি পৰামৰ্শও আগবঢ়াইছে। চীন দেশত হোৱাং হো নদী নিয়ন্ত্ৰণ কৰিব পৰা হৈছে আচনি লৈ। আমাৰ ইয়াতো তেনে আচনি লৈ ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ কাৰণে সময় লাগিব দীৰ্ঘম্যাদী ভিত্তিত আচনি লব লাগে। ইয়াৰ লগে লগে উপনৈ বিলাক ঠিক কৰিব লাগিব আৰু চুইচগেট নিৰ্ম্মাণ কৰি দিব লাগিব। চাৰ্ভে কৰি পোৱা হৈছে যে হিমালয় পৰ্ব্বত নাথাকিলে আমাৰ অসম খন মৰুভূমি হলহেতেন। হিমালয় পৰ্ব্বত থকা কাৰণেই আমাৰ অসম শস্যে মত্স্যে শস্য শ্যামলা হৈ আছে। নদীৰ গড়াখহনীয়া হলেই ৰিলিফ দিব লগীয়া হয়, ক্ষতিপূৰণ দিবলগীয়া হয় আৰু পুনৰবসতিৰ কাৰণেও সুবিধা কৰি দিবলগীয়া হয় আৰু সেইটো আমাৰ চৰকাৰৰ তৰফৰ পৰা প্ৰতি বছৰে দি থকা হৈছে। এইটো এটা চাৰ্ভে কৰিব লাগে। আমাৰ চৰকাৰৰ তৰফৰ পৰা এই প্ৰস্তাৱ উত্থাপন কৰাৰ আগতেও আচনি আছিল এতিয়া আৰু এই প্ৰস্তাৱ অহাৰ কোনো যুক্তিযুক্ততা নাছিল সেই কাৰণেই এই প্ৰস্তাৱৰ বিৰোধীতা কৰিছো আৰু আশা ৰাখিছো সকলোৱে বিৰোধীতা কৰিব।

শ্ৰীআব্দুল জব্বৰ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীঅমৃতলাল বসুমতাৰী ডাঙৰীয়াই যিটো প্ৰস্তাৱ সদনৰ মজিয়াত দাঙি ধৰিছে সেইটো প্ৰস্তাৱ মই সমৰ্থন কৰিছো আৰু দুআষাৰ কথা কব খুজিছো। গড়াখহনীয়াত পীড়িত লোকসকলৰ সমস্যাটো এটা সুকীয়া সমস্যা সেই কাৰণে সেই সকলৰ কাৰণে সুকীয়া ব্যৱস্থা থাকিব লাগে। যিধৰণে অনুসূচীত জাতি অনুসূচীত জনজাতি আদি সম্প্ৰদায়ৰ কাৰণে যি ধৰণে কোটা ভাগ কৰি দিয়া থাকে ঠিক তেনেধৰণে গড়াখহনীয়া পীড়িত লোকৰ কাৰণে, গড়াখহনীয়াৰ ফলত ভূমিহীন হোৱা সকলক পুনৰসংস্থাপন দিয়াৰ কাৰণে এটা সুকীয়া ব্যৱস্থা থাকিব লাগে। আৰু এই উদ্দেশ্যই এই প্ৰস্তাৱ অনা হৈছে। ইয়াত যথেষ্ট যুক্তিযুক্ততা আছে। অধ্যক্ষ মহোদয় আমি বিৰোধীপক্ষৰ সদস্য সকলে চৰকাৰ পক্ষৰ পৰা অনা বহুত প্ৰস্তাৱ আলোচনাৰ কাৰণে বিৰোধীতা কৰিব পাৰো কিন্তু আজিৰ দিনতো আমাৰ কাৰণে বেয়া দিন কিয়নো এই প্ৰস্তাৱ উঠাৰ সময়তো আমি মাননীয় মুখ্যমন্ত্ৰীয়ে সংখ্যালঘু সকলক যি আশ্বাস দিছিল সেই আশ্বাসক আমি বিশ্বাস কৰিছিলো

আৰু সমৰ্থন জনাইছিলো কিন্তু আজি সদনৰ মজিয়াত দুই এজন মাননীয় সদস্যাই যিটো ভাবমুৰ্ত্তি প্ৰকাশ কৰিছে সেইটো সঁচাকৈয়ে দুভাগ্যজনক। ১৯৬৬ চনৰ পিচৰ পৰাহে যে চৰ অঞ্চলত মানুহ থকা কৰিছে আৰু গড়াখহনীয়াই মাটি হীন কৰিছে সেইটো নহয় ১৯৬৬ চনৰ আগতেও চৰ অঞ্চলত মানুহ আছিল এতিয়াও আছে আৰু থাকিবও। আকৌ চৰ অঞ্চলত থকা সকলো লোকেই যে বাংলাদেশী সেইটো নহয়। বাংলাদেশৰ পৰা অহা লোক বাংলাদেশী সেইটো সত্য কিন্তু চৰ অঞ্চলত থকা ভাৰতীয় লোক সকল ভাৰতীয়হে বাংলাদেশী নহয়। বাংলাদেশী শব্দটো সেই সকলৰ ক্ষেত্ৰত প্ৰয়োগ কৰাটো সঁচাকৈয়ে দুৰ্ভাগ্যজনক। অধ্যক্ষ মহোদয়, আমি চৰকাৰৰ ওচৰত আপোনাৰ জৰিয়তে সবিনয় নিবেদন জনাব বিচাৰিছো যে চৰ অঞ্চলত থকা ভাৰতীয় লোক সকলৰ পুনৰবসনৰ ব্যৱস্থাৰ কাৰণেহে এই প্ৰস্তাব অনা হৈছে। চৰ অঞ্চলৰ মানুহৰ দুখ দুৰ্দ্দশা আতৰ কৰিবলৈকেহে এই প্ৰস্তাৱ অনা হৈছে। আশাকৰো চৰকাৰী পক্ষৰ পৰাও এই প্ৰস্তাৱত একমত হব আৰু মাননীয় সদস্য শ্ৰীঅমৃতলাল বসুমতাৰী ডাঙৰীয়াই অনা প্ৰস্তাৱটো সমৰ্থন কৰিব আৰু দুই এজন মাননীয় সদস্যাই এই সদৰ্ভত কোৱা শব্দ দুৰ্ভাগ্যজনক বুলি বিৰোধীতা কৰিছো। ধন্যবাদ।

শ্ৰীগুণীন হাজৰীকা: মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ সদস্য শ্ৰীঅমৃত লাল বসুমতাৰী ডাঙৰীয়াই যিটো প্ৰস্তাৱ উত্থাপন কৰিছে সেই প্ৰস্তাৱৰ মুল বিষয়টোৰ লগত দ্বিমত নহওঁ কিন্তু যিটো কথা প্ৰস্তাৱটোৰ মাজেদি উত্থাপন কৰা হৈছে যে অগ্ৰাধিকাৰৰ ভিত্তিত ভূমিহীন লোক সকলক ভূমি দিয়াৰ ব্যৱস্থা কৰিব লাগে সেইটোৰ মই বিৰোধীতা কৰিছো। যিসকল লোক ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াত সৰ্ব্বস্বান্ত হয় খেতি মাটি যিসকলৰ নোহোৱা হয় সেই সকলৰ কাৰণে বিশেষ ব্যৱস্থা লব লাগে মানে এইটো নহয় যে ৰাজ্যখনৰ সকলোবোৰ ভূমিহীন লোকৰ সমস্যা সমাধান হৈ যাব। মূল বিষয়বস্তু চালে দেখিবলৈ পাম যে ভাৰতবৰ্ষ আৰু পৃথিৱীখনেই জনসংখ্যাৰ বৃদ্ধিৰ লগে লগে ভূমিসমস্যাৰ আৰু জটিল স্তৰলৈ আগবাঢ়ি আছে আৰু তাকে আজি সমাধানৰ কাৰণে নতুনকৈ চিন্তা কৰাৰ প্ৰয়োজন আহি পৰিছে। উত্তৰ পূৰ্ব্বাঞ্চলত অকল যে গড়াখহনীয়াই সমস্যাৰ সৃষ্টি কৰিছে তেনে নহয়। ব্ৰহ্মপুত্ৰৰ চৰত বাস কৰা লোকৰ কাৰণে চৰ এলেকা কেতিয়াবা নোহোৱা হৈ যায় আৰু তাৰ পিচত অন্য ঠাইত চৰ

পৰে আৰু তাতৰ্গে খেতি বাতি কৰি জীৱিকা নিৰ্ব্বাহ কৰি কটায়। ডিবুগড় নগৰীও ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াত বিলুপ্ত হবলৈ ওলোৱা কথা আমাৰ সকলো মাননীয় সদস্যই জানে। শুবালকুছিৰ কথাও সকলো মাননীয় সদস্যই জানে। এনে ডাঙৰ ডাঙৰ চহৰ বিলাক গড়াখহনীয়াৰ দ্বাৰা বিলুপ্ত হৈ যাব খোজা অৱস্থা সম্প্ৰতি নদী নিয়ন্ত্ৰণ কৰাৰ লগতে পুনৰস্থাপন কৰাৰ কাৰণে ৰক্ষা পৰিছে। ভূমি সমস্যা ইমান সহজীয় নহয় যে গড়াখহনীয়া পীড়িত লোকসকলক পুনৰ সংস্থাপণ কৰিলেই নাইকীয়া হৈ যাব। উত্তৰ পূৰ্ব্বাঞ্চলত বহু দিশৰ পৰা মাটিৰ সমস্যাৰ সৃষ্টি হৈছে। মেৰাপানীৰ সমস্যা মাটি লৈয়েই সমস্যা আজি ইমান দিনৰ পৰা চলি আহিছে। অৰুণাচল সীমান্তত ভূমিসমস্যাই অন্য এক সমস্যাৰ সৃষ্টি কৰি আছে। সেই ঠাইত নদীৰ গড়াখহনীয়াৰ সমস্যা নাই যদিও সেই সমস্যাও কোনো গুণে কম নহয়। গড়াখহনীয়া পীড়িত আৰু তাৰ দ্বাৰা মাটিহীন হোৱা লোকক জীৱিকা নিৰ্ব্বাহৰ কাৰণে মাটি দিলেই এই সমূহ সমস্যাৰ সমাধান হৈ নাযাব। কি ধৰণৰ আঁচনি লৈ কেনে ধৰণৰ দৃষ্টিভঙ্গী লৈ এই আটাইবিলাক সমস্যা অটাব পৰা যায় সেইটোহে সদনৰ পবিত্ৰ কৰ্ত্তব্য হব। এই পুৰণিকলীয়া সমস্যা বিলাকে সময়ে সময়ে আহুকালৰ সৃষ্টি কৰা কথা মাননীয় সদস্য সকলোৰে জ্ঞাত। বিৰোধী দলৰ মাননীয় সদস্য সকলে কেৱল ভূমি পৰিবৰ্ত্তে ভূমি দিয়াৰ মনোভাব নাৰাখি অন্য কি দৃষ্টিভঙ্গীৰে এই জলন্ত সমস্যাবিলাক সমাধান কৰিব পৰা যায় তাৰ কাৰণে দিহা পৰামৰ্শ আগ বঢ়ালেহে ৰাইজ আৰু ৰাজ্যখনৰ উপকাৰ হব। বাংলা দেশৰপৰা বহুত মানুহ আহিছে এইটো কথা আগেয়ে উল্লেখ কৰাও হৈছে যে যি সকল বিদেশী লোক আছে সেই সকলক সংস্থাপন কৰাৰ কথা নাহে। অবশ্যে যি সকলে স্থায়ী ভাবে বসবাস কৰিছে সেই সকলৰ কথা সুকীয়া। আমাৰ সদস্য কোনোৱাই এই কথা উল্লেখ কৰোতে বিৰোধী পক্ষৰ সদস্য দুখ কৰাৰ কোনো কাৰণ নাই। কিয়নো তেখেতে বাংলাদেশী লোকৰ কথাহে কৈছিল ভাৰতীয় নাগৰিকক সা-সুবিধা নিদিয়াৰ কথা কোৱা নাছিল। সেই কাৰণে মই সদনৰ প্ৰতি আহ্বান ৰাখিছো এই প্ৰস্তাৱ বিৰোধীতা কৰাৰ কাৰণে আৰু এটা নতুন গঠনমূলক দৃষ্টিভঙ্গী লৈ ভূমি সমস্যা সমাধান কৰাৰ কাৰণে পৰামৰ্শ আগবঢ়াবলৈ অনুৰোধ জনাইছো। আচল কথা হ'ল জনসংখ্যা বৃদ্ধিৰ লগে লগে পৃথিবীখনেই

সৰু হৈ আহিছে আৰু মানুহৰ বাসপযোগী মাটি ক্ৰমান্বয়ে কমি আহিছে। সেই সন্দৰ্ভত উপায় বিচাৰি কোনো প্ৰস্তাৱ উত্থাপিত হলে সমথন জনাব পাৰিলোহেতেন কিন্তু পুৰণি কলীয়া দৃষ্টিভঙ্গী লোৱা কাৰণে বিৰোধীতা কৰিছো আৰু আমাৰ চৰকাৰৰ ফালৰ পৰা বিৰোধীতা কৰি কোৱা কথা সমূহৰ সমৰ্থন জনাইছো। ধন্যবাদ।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় সদস্য শ্ৰীচৰন নাজাৰিয়ে কব।

Shri Charan Narzary : Hon'ble Mr. Speaker, Sir, I do not want to make any comment on the resolution moved by Mr. Amritlal Basumatary. Well, Sir, erosion of the Brahmaputra river is only one factor of the problem of landlessness. There are also some other factors which are responsible for the problem of landlessness. I have heard that some of the Hon'ble Members have referred to the large scale encroachment upon the tribal belts and blocks by the erosion affected people. May be, the encroachers, many of the encroachers are affected by the erosion of the Brahmaputra river. But then the fact remain that until and unless a thorough survey of the erosion affected people is conducted, the real cause of the landlessnese cannot be ascertained. To ascertain the magnitude of the problem, the Government will have to make a thorough survey. Who are the people, which are the classes of people who have been affected by the erosion of the Brahmaputra river. Whatever it may be, so far as the tribal belts and blocks are concerned, Sir we are not going to tolerate any encroachment upon the tribal belts and blocks by the people, whether erosion affected or not. I am repeating, Sir, we are not going to tolerate encroach-

ment upon the tribal belts and blocks by the people in the name of becoming landless due to the erosion caused by the Brahmaputra river. We want that the provision of Chapter-X which governs the tribal belts and blocks should be implemented in its true spirit. We want that illegal encroachers, whether erosion affected or not, should be cleared from all tribal belts and blocks because the tribals have their own problem. Erosion is only one factor of rendering people landless. But there are many other factors which have made our people landless and homeless. There has been a continuous and unabated encroachment on the tribal belts and blocks in a faked and naked way and it is up to the Govt. to ensure that the tribal belts and blocks are protected by implementing Chapter-X of the Assam Land Revenue Regulation Act with letter and spirit. With thesee words, sir, I conclude my speech.

শ্ৰীদেৱেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত মাননীয় সদস্য শ্ৰীঅমৃতলাল বসুমতাৰী দেৱে যিটো প্ৰস্তাৱ ইয়াত দাঙি ধৰিছে সেই প্ৰস্তাৱটো সময় উপযোগী হোৱা নাই। এই প্ৰস্তাৱটো মই তীব্ৰ নিন্দা কৰিছো। চৰকাৰৰ ভূমি নীতি আছে, যিসকল ভূমিহীন মানুহ সেই সকলক চৰকাৰে ভুমিদান কৰি আহিছে, চিলিং এক্টমতে ভূমি দিয়া হৈছে। বেলেগে এটা প্ৰস্তাৱ আনি গড়াখহনীয়া বুলি মাটি দিব লাগে বুলি প্ৰস্তাৱ আহিব নালাগে। ইয়াৰ আগতে চৰকাৰে যাক মাটি দিছে সেইসকল প্ৰকৃততে ভূমিহীন নাছিল। বৰ্ত্তমান আমাৰ চৰকাৰে প্ৰকৃত ভূমিহীনক মাটি দিব—গড়াখহনীয়াই হওঁক বা মাটি হীনেই হওক। গড়াখহনীয়া যে অকল ব্ৰহ্মপুত্ৰই কৰিছে এনে নহয় অন্য নদীয়েও গড়া খহাইছে। কিন্তু আমি দেখিবলৈ পাইছো যে গড়াখহনীয়াৰ নামত কিছুমান মানুহে কিছুমান ঠাইত বসতি কৰিছে। এনেদৰে

দৈয়া বনাঞ্চললৈ কিছুমান মানুহ আহিছে, তেওঁলোক ভাৰতীয় হয়নে নহয় এইটো সন্দেহযুক্ত। কিন্তু যিসকলে প্ৰকৃততে তাত বসতি কৰিছে তেওঁলোকক চৰকাৰে মাটি দিব। ভাৰত চৰকাৰে হওক বা অসম চৰকাৰে হওক প্ৰকৃত ভূমিহীনক মাটি দিব। আমাৰ মাননীয় সদস্যজনে আক্ৰোশ মূলক ভাৱে এই প্ৰস্তাৱটো আনিছে। কিন্তু আমি কৈছো যে যিসকল প্ৰকৃত থলুৱা, খিলঞ্জীয়া ভূমিহীন তেওঁলোকক চিলিং এক্ট মতে মাটি দি আহিছে আৰু দিব। মই মাননীয় সদস্যজনৰ প্ৰস্তাৱটোৰ বিৰোধীতা কৰি উঠাই লবলৈ অনুৰোধ জনাইছো।

শ্ৰীমতী জ্যোস্না সোনোৱাল : মাননীয় অধ্যক্ষ মহোদয়, আজি এই সদনত অমৃতলাল বসুমতাৰী ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে তাৰ মই তীব্ৰ বিৰোধীতা কৰিছো আৰু মই কব খোজিছো যে গড়াখহনীয়াৰ পাৰত থকা মানুহ বিলাক কোন। আমি কও, গড়াখহনীয়াৰ পাৰত থকা এই মানুহবিলাক হল থলোৱা আমাৰ খেতিয়ক সকল আৰু তেওঁলোকক অবধ্য মানুহ বুলি অ-নাগৰিক বুলি আৰু বিদেশী বুলি কোৱাত দুটা প্ৰশ্ন সুমাই আছে। আমাৰ প্ৰশ্ন হল ভাৰতীয় সংবিধানে কি কয় ? আমি সকলোৱে ভাৰতীয় সংবিধানৰ একোজন ভাল নাগৰিক হিচাবে নিশ্চয় স্বীকাৰ কৰিব লাগিব যে ব্ৰহ্মপুত্ৰৰ পাৰত থকা মাটিহীন, গৃহহীন সেই খিলঞ্জীয়া লোকসকলক মাটি দিব লাগে, পুনৰ সংস্থাপন দিব লাগে। এইটো স্পষ্ট কথা যে ইয়াত ধৰ্ম্ম, ভাষা, সম্প্ৰদায়ৰ কথা নাহে। আমি জানো যে ভাৰতীয় সংবিধানে অ-নাগৰিকৰ কাৰণে একো কৰিব নোৱাৰে।

মই কব খুজিছো যে ইয়াত কোনো সংখ্যালঘুৰ প্ৰশ্ন আহিব নোৱাৰে। থলুৱা খিলঞ্জীয়া, মাটিহীন যি সকল মানুহ তেওঁলোকৰ কাৰণে হয় সচাকৈ কিবা এটা কৰিব লাগে। প্ৰশ্ন হব লাগিছিল, খিলঞ্জীয়া, থলুৱা লোক সকলৰ কাৰণে চৰকাৰে পুনৰ সংস্থাপনৰ কথা ভাবিব লাগে। প্ৰস্তাৱটো মই ভাবো আউল লগা। অধ্যক্ষ মহোদয় মই কব খোজো যে বসুমতাৰী ডাঙৰীয়াৰ প্ৰস্তাৱটো 'ট্ৰাইবেল বেল্ট' এণ্ড ব্লক' বিষয়টো এটা পকেট ভুল। যোৱা ৩৮ টা বছৰৰ বিশেষকৈ ৩টা বছৰত চৰকাৰে কৰা অপৰাধৰ ফল স্বৰূপে জনসাধাৰণক মুক্ত কৰিবৰ কাৰণে বৰ্ত্তমান আমাৰ গনপৰিষদ চৰকাৰ

গঠন হৈছে। বিগত দিনৰ অপৰাধৰ পৰা দেশখনক ৰক্ষা কৰিবৰ কাৰণে আজি আমি সামগ্ৰীকভাৱে এক নতুন দৃষ্টিভঙ্গী লব লাগিব। ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ ১০ নং দফা মতে কৈছে যে তাত নন্‌ট্ৰাইবেল খেতিয়ক আছে। এনেধৰণৰ কিছুমান আউললগা বিষয়ৰ ক্ষেত্ৰত নতুন দৃষ্টি-ভঙ্গী লৈ আমাৰ অসমীয়া থলোৱা খিলঞ্জীয়া মানুহৰ কাৰণে সংস্থাপন আৰু নিৰাপত্তাৰ ব্যৱস্থা কৰিব লাগে। তাকে নকৰি ট্ৰাইবেল বেল্ট এণ্ড ব্লকবোৰ পকেট ভোট চিষ্টেম কৰিব নালাগে। যদি এই বেল্ট ব্লক বোৰত থকা মানুহবোৰ মাটিহীনেই হয় তাৰ পৰা তেওঁলোক উঠি আহে কিয়। যোৱা ৩৮ টা বছৰে ট্ৰাইবেল মানুহখিনিহে অকল অ-নাগৰিক হ'ল। নিজৰ গাত চিকুট মাৰিলে যিমান দুখ পায় আনৰ গাত চিকুটিলেও সিমানেই দুখ পায়। পূৰ্ব্বৰ নেতা বোৰৰে এইবোৰ ভুল হৈছে। তেওঁলোকৰ কিছুমানে ৰাজনৈতিক স্বাৰ্থত ভোট যোগাবৰ কাৰণে কিছুমান মানুহক সুমোৱাই দিয়ে। ট্ৰাইবেল লোকসকলে পঢ়িব শুনিব নজনা খেতিয়ক মানুহ। সেই কাৰণে তেওঁলোক তাৰপৰা গুচি আহে আৰু চৰাই দৰে অত তত থাকিবলৈ লয়। তেওঁলোকেই মাটিহীন হৈ ঠাইবোৰ সলাই ফুৰে, এই কাৰণে মই ভাবো ইয়াৰ এটা জৰিপ হব লাগে। সচাঁ কথাবিলাক জনসাধাৰণৰ পৰা লৈ স্পষ্টীকৰণ কৰিব লাগে।

অধ্যক্ষ মহোদয়, মই কব খুজিছো যে, আজি ট্ৰাইবেল বেল্ট আৰু ব্লক বিলাক এনেকুৱা অৱস্থাত আছে। আজি শদিয়া মহকুমাত ট্ৰাইবেল বেল্ট আৰু ব্লক হৈছে কিন্তু তাৰ মাটি আজিও চৰকাৰী হৈয়ে আছে। তাত কোনো ৰকমৰ জৰিপকাৰ্য্য হোৱা নাই। আজি তাত চৰকাৰী মাটিত থকা সকলক উচ্ছেদ কৰা হব বুলি কোৱা হৈছে আৰু এই উৰ্চ্ছেদ কাৰ্য্য চলালে আমিও উৰ্চ্ছেদ হব লাগিব। আজি তাৰ থলুৱা মানুহো চৰকাৰী মাটিত আছে। আজি ট্ৰাইবেল বেল্ট আৰু ব্লকৰ মাটিবিলাক অশৃংখল অৱস্থাতে আছে। আজি আমাৰ গণ পৰিষদ চৰকাৰে শান্তিপূৰ্ণ, শৃঙ্খলাবদ্ধ কৰাৰ কাৰণে প্ৰস্তুতি চলাইছে।

অধ্যক্ষ মহোদয়, মই কব খোজো যে, আমাৰ ৰাজ্যৰ গড়াখহনীয়াত দুৰ্দ্দশাগ্ৰস্ত লোক সকলৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে আৰু ট্ৰাইবেল বেল্টত থকা মানুহখিনিক ৰক্ষা কৰিবৰ কাৰণে এটা মাটিৰ আইন কৰিব লাগে। যাতে এই আইনে দেশৰ মানুহক সংস্থাপন দিব পাৰে আৰু কোনো বিদেশীকে

এই আইনে ক্ষমা নকৰিব। এই খিনিকে কৈ মই মাননীয় সদস্য অমৃতলাল বসুমতাৰী দেৱে অনা প্ৰস্তাৱৰ বিৰোধীতা কৰিছো।

শ্ৰীদেৱকুমাৰ বৰা: মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত অনা চৰকাৰী সদস্যৰ ফালৰ পৰা অনা যি প্ৰস্তাব উৎথাপন কৰা হৈছে সেই প্ৰস্তাৱটোৰ সমৰ্থন কৰিবলৈ অসমৰ্থ হৈ মই মোৰ দুআষাৰ বক্তব্য ৰাখিব বিচাৰিছো। এই প্ৰস্তাৱৰ যুক্তিযুক্ততা খিনি প্ৰতিপন্ন কৰিবলৈ যাওঁতে বিৰোধীপক্ষৰ সদস্য সকলে বৰ্ত্তমান চৰকাৰক ইয়াত সমালোচনা কৰা বা পৰামৰ্শ দিয়াটো কিমান খিনি এক্তিয়াৰ আছে সেই কথা ভাবি চালে ভাল আছিল। আজি ৩৮ বছৰে ব্ৰহ্মপুত্ৰৰ বানত অসমৰ থলুৱা জনজাতি আৰু অজনজাতিৰ সহস্ৰ সহস্ৰ মানুহ গৃহহাৰা হৈছিল। সহস্ৰ সহস্ৰ মানুহে আজিলৈকে সংস্থাপন পোৱা নাই। এই কথা আমাৰ চৰকাৰে নজনা নহয়। কথা হল যে, আজি ৩৮ বছৰে যিসকল গৃহহাৰা হৈ ব্ৰহ্মপুত্ৰৰ বানত দুৰ্দ্দশাগ্ৰস্ত হৈছে সেই সকলক সেইসকলৰ কাৰণে আজিও সংস্থাপন দিয়া হোৱা নাই। কিয় আজি তেওঁলোকৰ কাৰণে ভূমি বিতৰণ কৰা হোৱা নাই? তাৰ পৰিবৰ্ত্তে আজি লাজ লগাকৈ লাখ লাখ বিদেশী নাগৰিকক অসমৰ ভূমিৰ ওপৰত তেওঁলোকক পট্টন দিয়া হৈছে। আজি আমি ৩৮ টা ৰেকৰ্ড চাই দেখা পাইছো যে, আমাৰ লাখ লাখ মানুহক আজি সংস্থাপন দিয়া হোৱা নাই আৰু আনহাতে ট্ৰাইবেল বেল্টত বা অন্যান্য অঞ্চলত বহুতো অভাৰতীয় মানুহক চৰকাৰে ৰক্ষনা বেক্ষন দি আহিছে অযুক্তিকৰভাবে। এনেকৈয়ে আইন উলংঘা কৰি ফৰেষ্ট ৰিজাভৰ মাটিৰ ওপৰত সেই লোকসকলক নিৰাপত্তা দিয়াৰ বাবে আগৰ চৰকাৰে কিছু বে-আইনী কাম কৰিছে। অথচ আইনমতে যিসকল ভূমিহীন ভাৰতীয় মানুহ তেওঁলোকক সংস্থাপন দিয়া হোৱা নাই। সেই পৰিপ্ৰেক্ষিতত এই সমস্যা সমাধান কৰাত বহুত পলম হৈ গল। আমাৰ চৰকাৰে কাৰ্য্যভাৰ হাতত লোৱাৰ দিনৰে পৰা বাৰে বাৰে ঘোষনা কৰি আহিছে যে, সকলোলৈকে শান্তি আনি দিয়া হব। তাৰোপৰি অসম চৰকাৰে এই প্ৰতিশ্ৰুতিও ৰাখিছে যে, অসমৰ থলুৱা লোকৰ যি সকল ব্ৰহ্মপুত্ৰৰ বানত আৰু গড়াখহনীয়াৰ প্ৰকোপত পৰিছে সেই সকলকো শান্তি আনি দিয়া হব। এই ক্ষেত্ৰত আমাৰ বিৰোধী পক্ষৰ সদস্য সকলে যি পৰামৰ্শ দাঙি ধৰিছে সেই প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ আমি বাধ্য হব নোৱাৰো। সেই ক্ষেত্ৰত

এই প্ৰস্তাৱৰ বিৰোধিতা কৰিবলৈ ওলাইছো। যোৱা ৩৮ বছৰে ট্ৰাইবেল বেল্ট আৰু ব্লক সম্পৰ্কত বহুতো কথা বহুতো সদস্যই কৈছে। এই ট্ৰাইবেল বেল্ট আৰু ব্লক বিলাকৰ যিবিলাক আইন কানুন আছিল সেইবিলাক ভংগ কৰি কোন মানুহে বিদেশীক সংস্থাপন দিছিল আৰু কোনে বিদেশীক ৰক্ষনা বেক্ষন দি আহিছে ? কোনে অসমৰ থলুৱা লোকক গুৰিয়াইছিল ? সেই মানুহৰ কিবা প্ৰস্তাৱ ৰাখিব পৰা অধিকাৰ আছেনে ? তাৰ লগতে ৫ বছৰে ৫ বছৰে অসমত এটা ৰতাহ চলে। অসমৰ বিভিন্ন ওৱালে দেৱালে লিখা হয় 'ভূমিহীনক মাটি দিব লাগে'। কিন্তু প্ৰকৃত ভূমিহীন কোন ? যিসকলে অসমত লেতেৰা ৰাজনীতি কৰি আহিছে সেইসকলে অসমৰ থলুৱা নিগাজী লোকক যিসকল প্ৰকৃততে ভূমিহীন তেওঁলোকক ভূমি দিছেনে ? লিখা হয় ভূমিহীনক ভূমি দিব লাগে, কিন্তু ইয়াৰ মাজতে এটা মানে সোমাই আছে। বিৰোধী পক্ষৰ কোনোবা বামপন্থী, কোনোবা সোপন্থী লোকে দেৱালত ভূমিহীনক ভূমি দিব লাগে বুলি লিখে কিন্তু কোন কোন ভূমিহীনক প্ৰকৃততে মাটি দিব লাগে তাৰ কোনো উল্লেখ নাই। এইবিলাক কথা অসাংবিধানিক ভাৱে ভৱিষ্যতে অসমৰ দেৱালত যাতে আৰু লিখা নহয়। ভাৰতীয় নাগৰিকৰ নিৰাপত্তাৰ বাবে আৰু ৰক্ষনাবেক্ষনৰ প্ৰধান দায়িত্ব আছে। কিন্তু বিদেশৰ হাজাৰ হাজাৰ মানুহ গৃহহীন হলে তেওঁলোকক পুনৰসংস্থাপন দিয়াৰ দায়িত্ব আমাৰ নাই। আমি উদাৰ মনোভাবেৰে পৃথিৱীৰ মানুহক ইয়াত সংস্থাপন দি আমাৰ খিলঞ্জীয়া লোকৰ যিসকলৰ ভূমিৰ ওপৰত স্বত্ব আছে তেওঁলোকক অৱহেলা কৰা হৈছে। গতিকে এই প্ৰস্তাৱৰ আলোচনা মুখনি মাৰিবলৈ কৈ মই মোৰ বক্তব্য সামৰিলো।

মাননীয় অধ্যক্ষ : এতিয়া ৰাজহমন্ত্ৰীয়ে উত্তৰ দিব।

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীঅমৃত-লাল বসুমতাৰী বিধায়ক ডাঙৰীয়াই যিটো প্ৰস্তাৱ বিচাৰিছে এই প্ৰস্তাৱটোৰ পৰিপ্ৰেক্ষিতত বহুত সময় আলোচনা বিলোচনা হৈছে। এই প্ৰসংগত মই বিভাগৰ তৰফৰ পৰা ইয়াৰ উত্তৰ দিব বিচাৰিছো। অসমত ভূমিহীন লোকক সংস্থাপন কৰাৰ কাৰণে এটা বেলেগকৈ প্ৰস্তাৱ লোৱাৰ প্ৰয়োজন নাই। ভূমিহীন লোকক সংস্থাপন দিয়াৰ বা কৰ্ম্ম সংস্থাপন দিয়াৰ আচনি চৰকাৰৰ আগৰ পৰাই আছে, তাৰ বাবে নতুনকৈ প্ৰস্তাৱ পাচ কৰাৰ প্ৰশ্ন নুঠে। অকল যে

ব্ৰহ্মপুত্ৰই মাটি খহাই নিয়ে বা গড়া খহাই নিয়ে তেনে নহয়, ব্ৰহ্মপুত্ৰ প্ৰধান উপনৈ যি ১২০ টা আছে এই উপনদী বিলাকেও প্ৰতি বছৰে মাটি খহাই নিয়ে বা গড়াখহাই নিয়ে আৰু এতিয়াও নিয়েই আছে। তেনেস্থলত গড়া-খহনীয়াত ক্ষতিগ্ৰস্ত এই লোকসকলৰ সংস্থাপনৰ কাৰণে চৰকাৰে ব্যৱস্থা লৈছে যদিও যেনেকুৱা ভাবে সকাহ দিব লাগে তেনেকুৱা ভাৱে দিব পৰা নাই। দিব নোৱাবাৰ কাৰণ হৈছে অসমত এই নদী সমূহ নিয়ন্ত্ৰণ কৰিব নোৱাৰাটো। যদি নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা কৰিলেহেতেন তেনেহলে আজি এনেকুৱা অৱস্থা নহলহেতেন। আমাৰ মাননীয় সদস্য নাৰ্জাৰী ডাঙৰীয়াই কৈছে যে আমাৰ গণ পৰিষদ চৰকাৰে নদী বিলাক নিয়ন্ত্ৰণ কৰিব লাগে কাৰণ নিয়ন্ত্ৰণ নোহো-ৱাৰ কাৰণে বাৰে বাৰে বানপানী হৈ থাকে। এই নদী বিলাকৰ পৰা বৈ অহা পানী বিলাক আমি যথাযথ ভাবে সদব্যৱহাৰ কৰিব পৰা নাই। এতিয়া মাটিৰ পৰিমাণ কমি গৈছে। খেতিয়ক সকলে এতিয়া অধিক পৰিমাণৰ মাটি বিচা-ৰিছে। জনসংখ্যা বৃদ্ধিৰ কাৰণে অধিক পৰিমাণৰ মাটি দিয়াটো সম্ভৱপৰ নহয়। কম মাটিত বেছি খেতি কৰিব পৰাৰ ব্যৱস্থা কৰিব পাৰিলে খেতিয়কৰ এই অভাৱ লাঘৱ হলহেতেন। অৱশ্যে ইয়াৰ মূলতেই লাগে জলসিঞ্চনৰ সুব্যৱস্থা। জলসিঞ্চনৰ সুব্যৱস্থা থাকিলে কম মাটিতে বেচি খেতি কৰিব পৰা যায় আৰু তেনেকৈ ফচলো বেচিকৈ পোৱা যাব। হয়তো সেই ব্যৱস্থাটো ইয়াত কেতিয়াবা হব। সেই ব্যৱস্থাতো হলে এই ভূমি ব্যৱস্থাটো কিছু লাঘৱ হব পাৰে। তাৰোপৰি অকল যে আমি এটা বিশেষ অঞ্চলত গৰাখহনীয়া হোৱা লোক সকলৰহে বিশেষ ব্যৱস্থা কৰিব লাগে তেনেকুৱা ধৰণৰ নহয়। আমি কেতিয়াবা ভুল কৰো যে চৰ অঞ্চল বুলি কলে অকল লৱাৰ আসামত থকা নদীৰ মাজৰ অঞ্চলটোক বুলিলেহে বুজো। আপাৰ আসামত হয় এই চৰ অঞ্চল নাই এইটো ভূল কথা। মাজুলি অসমৰ এইটো এক নং চৰ। কথা হৈছে আপাৰ আসমত এই চৰ সমূহক চাপৰি বুলি কয় আৰু লয়াৰ আসমত চৰ বুলি কয়। ইয়াৰ মাজত পাৰ্থক্য নাই। অকল নামনি অসমত বসবাস কৰা সকলক সংস্থাপন দিব লাগে আৰু উজনি অসমত বসবাস কৰা গড়াখহনীয়া ক্ষতিগ্ৰস্ত লোকসকলক দিব নালাগে সেইটো নহয় বা হব নোৱাৰে। আমাৰ চৰকাৰৰ ফালৰ পৰা যিখিনি ব্যৱস্থা লব লাগে সেইখিনি লৈ আহিছে। অৱশ্যে

তেনেকুৱাকৈ যথেষ্ট ধৰণে সহায় কৰিব নোৱাৰিলেও চৰকাৰৰ এই প্ৰচেষ্টা আছে। তাৰোপৰি এতিয়াও কুৰিদফীয়া আচনিৰ যোগেদি ভূমিহীন লোকক ভূমি দিয়াৰ বা তেওঁলোকক বসবাস কৰাৰ কাৰণে বসবাসৰ উপযোগী মাটি দিয়াৰ ব্যৱস্থা আছে। কুৰিদফীয়া আচনিৰ ৯ নং দফা মতে বাসস্থানৰ বাবে আধা বিঘা বা একবিঘালৈ মাটি দিয়াৰ ব্যৱস্থা চলি আছে আৰু এই মাটিৰ লগতে ৭৫০ টকাকৈ অনুদান দিয়াৰো ব্যৱস্থা আছে আৰু এই টকাৰ পৰিমাণ ২,৫০০ টকালৈকে বৃদ্ধি কৰিছে। ৪নং দফা অনুসৰি যিবিলাক চিলিং চাৰপ্লাচ মাটি আছে সেইবিলাক মাটি খেতিয়ক সকলৰ মাজত বিতৰণ কৰাৰ ব্যৱস্থা চলি আছে। অৱশ্যে এই চিলং আইনত থকা মাটি বিলাক সম্পূৰ্ণ ভাবে অধিগ্ৰহণ কৰিব পৰা নাই কাৰণ এই বিলাকৰ কাৰণে আপিল চলি আছে। সেই কাৰণে ইয়াৰ এটা সংশোধনৰ প্ৰয়োজন হৈছে। এই সদনত সংশোধনৰ কাৰণে বিল আকাৰত অনা হব। মই আশা কৰিছো আৰু আপোনালোকক অবগত কৰিব বিচাৰিছো আমাৰ চৰকাৰৰ তৰফৰ পৰা গড়াখহনীয়াত ক্ষতিগ্ৰস্ত লোকসকলক কি ভাবে সংস্থাপন কৰা হৈছে।

ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ বানপানী প্ৰত্যেক বছৰেই হয়। ই এটা নিয়মিক কাৰ্য্যত পৰিগণিত হোৱা বুলি ধৰিব পাৰি। এই বানপানীয়ে শস্যৰ ক্ষতি সাধন কৰে আৰু গড়াখহমীয়াৰ ফলত বহুতো পৰিয়ালক গৃহহীন কৰে। এই বানবিধস্ত আৰু গড়াখহনীয়াত উদ্বাস্ত হোৱা লোকক মাটি বন্দোবস্ত আবন্টন দি পুনৰ সংস্থাপন দিয়াৰ ক্ষেত্ৰত অন্যান্যতকৈ অধিক অগ্ৰাধিকাৰ দিয়াৰ বাবে মহকুমা আৰু জিলা কৰ্ত্তৃপক্ষ সমূহক নিৰ্দ্দেশ দিয়া হৈছে। সেইমতে বানপানী আৰু গড়াখহনীয়া লোকক নুন্যতম আঁচনি আদি বিভিন্ন আঁচনি পুনৰ সংস্থাপন কৰাৰ বাবে জিলা আৰু মহকুমা কৰ্ত্তৃপক্ষই ব্যৱস্থা গ্ৰহণ কৰিছে।

আমালোকে গোৱালপাৰা, ডিবুগড় আৰু লক্ষীমপুৰ জিলাৰ উপায়ুক্তৰ পৰা বৰ্ত্তমানলৈ বিধস্ত পৰিয়ালৰ হিচাব পাইছো। ডিবুগড় জিলাৰ উপায়ূক্তই জনায় যে তাত ১৪০৭ টা বিধস্ত পৰিয়াল আছে। তাৰ ভিতৰত ৫৯৬ টা পৰিয়ালক মাটি দিয়া হৈছে। অৱশিষ্ট ৮১১ টা পৰিয়ালক পুনৰসংস্থাৰপন দিয়া বাবে এতিয়াও মাটি দিয়া হোৱা নাই।

উত্তৰ লক্ষীমপুৰৰ উপায়ুক্তই উত্তৰ লক্ষিমপুৰ মহকুমাত ১১০৫ টা গড়া-

খহনীয়া বিধ্বস্ত পৰিয়াল আছে বুলি জনায়। তাৰ ভিতৰত ৪৮১ টা পৰিয়ালক মাটি দিয়া হৈছে আৰু অৱশিষ্ট ৬১৯ টা পৰিয়ালক এতিয়াও মাটি দিবলৈ বাকী আছে।

গোৱালপাৰা জিলাৰ উপায়ুক্তই জনায় যে গোৱালপাৰা জিলাত ২৫৩৫ টা গড়াখহনীয়া বিধ্বস্ত পৰিয়াল আছে। উক্ত পৰিয়ালৰপৰা ৬৬৬ টা পৰিয়ালক মাটি দিয়া হৈছে। বাকী ১৮৬৯ টা পৰিয়ালক এতিয়াও মাটি দিব পৰা হোৱা নাই। তেখেতে বস্তি মাটি দিয়াৰ বাবে ব্যৱস্থা লোৱা হৈছে বুলি এই সন্দৰ্ভত জনায়। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহে প্ৰতিবছৰে বহু পৰিয়ালক গড়াখহনীয়াত গৃহহীন কৰে। ই দুখজনক। চৰকাৰে সেই ব্যক্তিসকলৰ প্ৰতি সহানুভূতিশীল আৰু সেই ব্যক্তিসকলৰ দুখ-কষ্ট লাঘব কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই পৰিয়াল সমূহক মাটি দি আৰু গ্ৰামোন্নয়ন সংস্থাৰ (ডি, আৰ, ডি, এ) জৰিয়তে অন্যান্য বিকল্প আত্ম নিয়োগৰ সুবিধা প্ৰদান কৰি পুনৰ সংস্থাপনৰ ব্যৱস্থা লব পৰা যাব বুলি আশা কৰা হৈছে।

এই ক্ষেত্ৰত এইটো উল্লখ কৰিব পাৰি যে সকলো গড়াখহনীয়া পৰিয়ালক মাটি দি পুনৰসংস্থাপন কৰিব পৰা সম্ভৱপৰ নহব। কিয়নো মাটিৰ পৰিমাণ সীমিত। তথাপিও গড়াখহনীয়াত বিধ্বস্ত পৰিয়ালক গৃহনিৰ্ম্মাণৰ বাবে মাটি দিয়াৰ সকলো প্ৰচেষ্টা লোৱা হব: কিন্তু জীৱিকা নিৰ্ব্বাহৰ বাবে অন্য ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ওপৰত উল্লেখ কৰা উপায়ুক্ত সকলৰ বাহিৰে অন্য উপায়ুক্ত পৰা প্ৰতিবেদন পোৱা হোৱা নাই। প্ৰতিবেদন পোৱাৰ প্ৰতিক্ষাত থকা হৈছে।

মুঠৰ ওপৰত অন্তত খেতিৰ মাটি দিব নোৱাৰিলেও বসবাসৰ উপযোগী মাটি দিয়াৰ ব্যৱস্থা নিশ্চয় চৰকাৰে কৰিব আৰু ইয়াৰ লগতে গড়াখহনীয়াত ক্ষতিগ্ৰস্ত লোক সকলৰ কিছুলোকৰ কাৰণে হলেও উন্নত সংস্থাপনৰ ব্যৱস্থা নিশ্চয় লব লাগিব। গতিকে মই মাননীয় সদস্য গৰাকীক অনুৰোধ জনাইছো তেখেতে এই প্ৰস্তাৱটো উঠাই লব লাগে কাৰণ এই প্ৰস্তাৱটো ইয়াত উত্থাপন কৰাটো মই অপ্ৰাসঙ্গিক বুলি ভাবো।

শ্ৰীঅমৃতলাল বসুমতাৰী: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰ শুনি মই সন্তুষ্ট হৈছো। প্ৰশ্নোত্তৰ কালত আলোচনাৰ সময়ত মই

কেইটামান কথা অতিৰিক্ত ভাবে কলো তাৰ কাৰণে মই দুখ প্ৰকাশ কৰিছো। আলোচনা কালত এই ধৰণে কোৱা হ'ল যে বেলেগ দেশৰ পৰা মানুহ আনি বহুৱা প্ৰস্তাৱটো মই উঠাই লম। অৱশ্যে আমাৰ যে মাটিহীন মানুহ তাত আছে এইটো সকলোৱে জনা নাছিল এতিয়া জানিলে। সেই গাওঁ বিলাকত ২৫৩৫ জন পৰিয়ালৰ মাটি গড়াখহনীয়াত ভাঙি গৈ তেওঁলোক মাটিহীন হৈ পৰিছে আৰু তাত বেলেগ ঠাইৰ পৰা মানুহ অনাৰ কথা কব খোজা নাই। আমাৰ জিলা কেইখনমানত বিশেষকৈ সংৰেশ গড়খোৱা ইত্যাদি যিবিলাক ঠাই আছে তাত যথেষ্ট সংখ্যক জনজাতীয় লোক আছে, সেই সকলৰ প্ৰতি বছৰেই ঘৰ-বাৰী গড়াখহনীয়াত ভাঙি যায় আৰু প্ৰতি বছৰেই তেওঁলোকৰ সন্মুখত এনে বিলাক সমস্যা আহি পৰে। মই এটা শ্লোক শুনালেই বুজিব পাৰিব, শ্লোকটো হ'ল—

যস্য ক্ষেত্ৰ নদী তিৰে
ভাৰ্য্যা'স পৰসঙ্গতা
সৰ্প যুক্ত গৃহবাস
মৃত্যুৰেব ন সংশয়।

যুগে যুগে এই ধৰণে নদীয়ে দিগদাৰ দি আছে। অৱশ্যে মন্ত্ৰী ডাঙৰীয়াই ইয়াৰ নিৰাময়ৰ কাৰণে আৰু উন্নয়নৰ কাৰণে যত্ন কৰিছে তাৰ বাবে ধন্যবাদ জনাইছো। সৰ্দো শেষত এইটো অনুৰোধ কৰিছো যাতে এই ভয়াবহ পৰিস্থিতিৰ পৰা আমাৰ যিসকল ভাৰতীয় নাগৰিক আৰু অসমীয়া নাগৰিক আছে তেওঁলোকৰ যাতে কষ্ট নহয় সেইটো চৰকাৰে চাব লাগে। আৰু এটা কথা আমি দুখ পাইছো সেইটো হৈছে ট্ৰাইবেল বেল্ট আৰু ব্লকৰ এনক্ৰোচমেন্টৰ কথা। হয়তো ৰুলিংপাটিৰ সদস্য সকলে সন্দেহ কৰিছে, মই ইয়াত আপোনালোকৰ লগতে নতুনকৈ আহিছো যদিও আগতে বহু বাৰ প্ৰতিদ্বন্দিতা কৰিছো। মই বিধান সভালৈ আহিম বুলি কোনো দিনে ভবা নাছিলো। যোৱা ৩৮ বছৰে যে একো কাম হোৱা নাই এই কথা আমি কব নোৱাৰো। যোৱা ৩৮ বছৰে যদি একোৱেই হোৱা নাছিল তেতিয়া হলে আমি কি শূণ্যৰ পৰা আহিছোনেকি? আমি নিশ্চয় জন্ম নহলোহেতেন,

মাননীয় অধ্যক্ষ ঃ আপুনি প্ৰস্তাৱটো উঠাই লব নেকি?

শ্ৰীঅমৃতলাল বসুমতাৰী ঃ উঠাই লৈছো।

Mr. Speaker : Now, is it the pleasure of the House to grant leave for withdrawal of the resolution ?

( Voice : Yes, Yes )

Now, with the leave of the House, the resolution is withdrawn.

Shri Santi Ranjan Das Gupta : Mr. Speaker, Sir, I beg to move that this House do hereby resolve that a Minister so long as he remains a Minister, cannot be a Chairman, President or Member personally by himself of any Committee in the District, Sub-Divisional Bodies or local Bodies, Colleges, or Schools ; but can nominate a person of his choice to such Bodies.

Mr. Dy. Speaker, Sir, when this resolution was given to the Secretariat, at that time, the Budget Speech was not with us and the decentralisation scheme was also not with us. Therefore, we were not aware of the decentralisation positions. I would not have moved this resolution, because there was a convention of the House previously from its beginning, so far as I remember, subject to correction, that a Minister, while he remains as Mintster, cannot be a Member or president of any school or college or any organisation in any Sub-Division. That was the convention of of this august House, Sir. But in the last session, I found that many Hon'ble Minister have become also Presidents of schools and colleges and Chairman at all levels. My personal experience is that whenever a Minister becomes a Chairman in any Sub-Divisional level or in a Block level

Committee or any local body, the officers who are engaged there in that Sub-Division or district or local bodies or colleges or schools cannot give their free opinion as members. The entire proceedings of these bodies are carried out by the servants of the Minister. Other members become completely defunct and in my opinion, of course, Sir, this is a way to induct corruption in the administration, subject to correction, I have already said, Mr. Dy. Speaker Sir. Therefore, I feel that when this was the convention, though a Minister may become a Member of any Body in the sub-Divisional level, we move such resolution. There was a certain member of previous Ministry who was President of certain schools and he is not Minister now, but he is still continuing as president of school and continuing as president of colleges, body of which is already dissolved. But after moving this resolution, when this decentralisation scheme is given effect to, I think that with the limitation of this decentralisation scheme, Minister as Chairman of different Sub-Divisional Boards should strictly adhere to the limited matter like all other bodies in schools and colleges and other Committees in block levels. A Minister should not be a Member of the Committees or Chairman himself. In my opinion, that brings corruption. I have already stated Sir. I would have verified my resolution earlier had it been known to me that such a scheme of decentralisation of power would be coming up. Since I have moved the resolutions, Hon'ble Members of the House may accept or reject - it is upto the House. I request the Hon'ble Members of the

House that the convention be upheld if it is found fair by the Hon'ble Members. With these words I conclude.

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শান্তি ৰঞ্জন দাসগুপ্ত ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে এই প্ৰস্তাৱটো বিৰোধিতা কৰি মই কবলৈ বিচাৰিছো যে দৰাচলতে এই যে জিলা আৰু মহকুমা ভিত্তিত যিবিলাক বডি আছে বা তেনেধৰণৰ যিবিলাক কমিটি আছে সেই বিলাকত মন্ত্ৰী থাকিব লাগে, কিয়নো, এই কাৰণেই থাকিব লাগে যে জিলা বা মহকুমা ভিত্তিত চৰকাৰৰ নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত মন্ত্ৰী সকলে পোনপতিয়াভাৱে কাম কৰি যাব পাৰে আৰু চৰকাৰৰ নীতিৰ লগত খাপ খোৱাকৈ জিলা বা মহকুমা পৰ্য্যায়ত যি বিলাক কমিটি থাকে সেই বিলাকৰ লগত সামঞ্জস্য ৰক্ষা কৰি এটা কোঅৰ্ডিনেশ্যনৰ মাজেৰে যদি কাম কৰিব পাৰে তেতিয়াহলে মন্ত্ৰীক এই লোকেল বডীত অন্তভূক্ত কৰাত কি আপত্তি থাকিব পাৰে।

অধ্যক্ষ মহোদয়, দ্বিতীয় কথা হল ভাৰতবৰ্ষৰ সংবিধানত মন্ত্ৰীসকল জিলা বা মহকুমাৰ কোনো কমিটিৰ সদস্য বা সভাপতি হব নোৱাৰে বুলি কোনো ধৰণৰ প্ৰতিবন্ধকতা নাই। গতিকে এখন মহকুমা ভিত্তিক বা জিলা পৰ্য্যায়ৰ কমিটিত কোনোবা মন্ত্ৰী সদস্য বা সভাপতি হিচাপে থকাত আইন গত বা সাংবিধানিক বাধা নাই। মুলতঃ ৰাজ্য চৰকাৰে যিবোৰ নীতি গ্ৰহন কৰে, সেইবোৰ জনসাধাৰণৰ কল্যাণৰ কাৰণে কৰা হয়। সেইবোৰ বাস্তৱ ভিত্তিত প্ৰয়োগ হৈছেনে নাই তাক মহকুমা ভিত্তিত বা জিলা পৰ্য্যায়ৰ কমিটি সমূহে ৰূপায়ন কৰাৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াব পাৰে আৰু তাৰ কাৰণে প্ৰয়োজন ভিত্তিত জিলা বা মহকুমা পৰ্য্যায়ত এই কমিটি বোৰ গঠন কৰি দিয়া হয়, আৰু তাত আমাৰ আপত্তি থাকিব নালাগে। গতিকে মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰস্তাৱ উত্থাপন কৰিছে, সেইটো উঠাই লবলৈ মই তেখেতক অনুৰোধ কৰিলো আৰু যিহেতু মন্ত্ৰীসকল কোনোবা কমিটিত থকাৰ কাৰণে আপত্তি জনক কোনো কথা নাই, সেই কাৰণে এই প্ৰস্তাৱটো সদনে গ্ৰহণ নকৰিবলৈ মই সদনক অনুৰোধ জনালো।

Dr. Ardendu Kumar Dey : Mr. Speaker Sir, while suppor-

ting the motion moved by hon. member Shri Santi Ranjan Das Gupta, I would like to say a few words. Sir, a Minister is in charge of a Deptt. and he has a lot of work there to perform and it is very difficult for him to find extra time for some other works outside his normal duties. Sir, it is a very difficult thing to support a motion if members stand and speak against it. In such a case it can be presumed that the ministers find ample time to work for some other business also. So Sir, while everybody admit that our administrative machinery is not going very smoothly and while Ministers are very busy persons why not they are entrusted only with those work for which they are meant to gear up the administration. Why a Minister should be a Chairman of a Committee or why a Minis'er should be a President of a college ? It is a very funny thing that some of the Minister of the earlier times were the presidents of the High School. By this resolution hon. member Shri S.R. Das Gupta perhaps wants to maintain the status of the Minister which should not be degraded. After becoming a Minister, he should not be President of a school or college. He should be a Minister of the portfolio with which he was entrusted. With these few words, I conclude Sir.

শ্ৰীদীপক দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত ডাঙৰীয়াই যিটো প্ৰস্তাৱ উত্থাপন কৰিছে সেই প্ৰস্তাৱটো মই পোনপতীয়া ভাবে বিৰোধিতা কৰিছো আৰু এই ক্ষেত্ৰত দুটামান বাক্য কবলৈ বিচাৰিছো। প্ৰস্তাৱটো উত্থাপন কৰিবলৈ যাওঁতে মাননীয় সদস্য গৰাকীয়ে এটা কথা উল্লেখ কৰিছে যে যেতিয়া কোনো এজন মন্ত্ৰী কোনো বোৰ্ডৰ চেয়াৰমেন, কোনো স্কুল কলেজৰ চেয়াৰমেন পাতিব লগা হয় তেনেহলে তাত

দূৰ্নীতি আহিব পাৰে। এইটো এটা বৰ ডাঙৰ কথা তেখেতে উল্লেখ কৰিছে। যিটো সময়ত অসম গণপৰিষদ চৰকাৰে স্পষ্টভাবে বিধান সভাত বা ৰাজহুৱা ভাবে দূৰ্নীতিৰ পৰা বিৰত থকাৰ কথা ঘোষণা কৰিছে, তেনে ক্ষেত্ৰত আমাৰ কোনোবা মন্ত্ৰীয়ে কোনো বোৰ্ডৰ চেয়াৰমেন হলে দূৰ্নীতিৰ কথা আহিব, সেইটো হব নোৱাৰে আৰু এনে ধৰণৰ কথা এবাৰ আজিৰ সদনত উত্থাপন হোৱাৰ বাবে মই নিজে দুখ প্ৰকাশ কৰিছো। মাননীয় সদস্য গৰাকীয়ে যি কনভেনচন হোৱাৰ কথা উল্লেখ কৰিছে, সেইটো আগৰ চৰকাৰৰ দিনত হব পাৰে কিন্তু আমাৰ চৰকাৰে তেনে কাম কেতিয়াও হব নিদিয়ে। চৰকাৰ এখন গঠন হোৱাৰ পিচত সেই চৰকাৰে কেনে ধৰণে কাম পৰিচালনা কৰিব সেই নীতি চৰকাৰে নিৰ্দ্ধাৰণ কৰে। এই নীতিৰ ভিতৰত আগৰ চৰকাৰৰ কনভেনচন কি আছিল সেইটো আমাৰ বিচাৰ্য্যৰ বিষয় নহয়। আজি অসম ৰাজ্যখন এনে এটা অৱস্থাত পৰিণত হৈছে—য'ত প্ৰগতিৰ ক্ষেত্ৰত বাধাগ্ৰস্ত হৈছে, বিভিন্ন ক্ষেত্ৰত দুৰ্নীতিয়ে শিপাই পেলাইছে। এনে ক্ষেত্ৰত আমি ৰাজ্যখনক আৰু বিপথে পৰিচালিত হবলৈ দিম, সেইটো হব নোৱাৰে। এই ক্ষেত্ৰত আমাৰ মন্ত্ৰীসকল যদি কোনোবা এখন কমিটিৰ চেয়াৰমেন হৈ থকা কালত তেওঁৰ দ্বাৰা দেশৰ অমঙ্গল বা সমাজৰ অমঙ্গল বা সমাজখনক বিপদগ্ৰস্ত কৰি তুলিব সেইটো নহয়। আমি যিহেতু দেশখনৰ উন্নতিৰ হকে কাম কৰিম, সৰ্ব্বসাধাৰণ ৰাইজৰ উন্নতিৰ কথা চিন্তা কৰিম, সেইবোৰত নিশ্চয় কনভেনচনৰ কথা আহিব নোৱাৰে। সেইকাৰণে তেখেতে যিটো প্ৰস্তাৱ উত্থাপন কৰিছে, মই সেইটোৰ তীব্ৰ বিৰোধীতা কৰিছো আৰু তেখেতে প্ৰস্তাৱটো উঠাই লব বুলি অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Shri Dewan Joynal Abedin : Mr. Deputy Speaker Sir, while taking my stand to speak on the resolution moved by hon. member Shri S. R. Das Gupta, I do not know surely whether, I should oppose the resolution or support it or criticise it I feel more like opposing the resolution, though here in the resolution, I find points to criticise for amendments. Sir, in the resolution two categories of organisations have

been included in one category. Sir, the District level or Sub-divisional or Block level local committees or are boards administrative units where I feel that public representatives should be there and I personally feel that in such committees senior and responsible public leaders should head the committees. Sometimes it is a practice with Government to make officers the chairmen or Presidents of the District level or Sub-Divisional level or Block level committees. Here I find these things are humaliting to the public representatives, legislators and Ministers. Sir, the elected public representatives, are responsible to the people and whenever there is a public committee at the district level or Sub-divisional level the committee should be headed by responsible public leaders, M.L.A. or Ministers or ex-Ministers irrespective of their party affiliation. Here I would like to give a concrete example and I hope the new Government should not be very formal that in all district level and Sub-divisional level committees they should appoint only their party members as president or chairmen of the committees. For instance, I would like to give a concrete example. In Dhubri district we have district level committees where if man elderly man like Shri Sarat Chandra Sinha are chosen for appointment as Chairman or president in such committees we shall be immensely benefited. He has enough experience of administration. In such committees if a younger man by virtue of being a Cabinet Minister becomes the president I do not thing that would be very fair. In such cases we may take recourse to some relaxation. At one point

I would like to stick that when public representatives are there Government officers should not be made the Chairman or president. This will be an insult to the public representatives. From this point of view oppose the resolution. I would feel like supporting the decision of tha Government partly that Ministers should be made the presidents of the committees, but with the relaxation that wherever in some district or Sub-division there is no Minister, and even if there are Ministers, this relaxation that some senior and elderly persons and representatives of the people although they do not belong to the ruling party, may be allowed to head such committees.

Sir, here another category of bodies like colleges and schools has been included. These are not administrative bodies like district level or Sub-divisional level committees. These are educational institution which should be managed by the managing committees formed of educationist, general public leaders and others for the uplift of education. In such committee, there is no harm to appoint responsible public leaders interested in education, as president of the committees. My submission is that there should not be any hard and fast rule in such matters of the two categories of organisations one is administrative body connected with development work of the Government and the other is educational institutions and the responsibillity is completely different. Therefore both the categories should not be covered by the same type of rule. Here I feel public leaders may become president. If a Minister is there, there is

no harm if he is made the President of the Governing body as he might have developed the school or college for many years. He might be the founder teacher of the instiiution. So there should not be any bar for him to become president of sucb institution as because he is a Minister to day. My main submission is that there should not be any hard and fast rule but we should be guided by reasons and conscience.

With these few words I like to conclude.

শ্ৰীদেৱ কুমাৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীশান্তিৰঞ্জন দাস গুপ্তদেৱে যিটো প্ৰস্তাৱ আনিছে, এই প্ৰস্তাৱটোৰ যুক্তি যুক্ততা নেদেখি সমৰ্থন কৰিবলৈ অসমৰ্থ হৈ বক্তব্য ৰাখিব বিচাৰিছো। এখন ৰাজ্যত এডমিনিষ্ট্ৰেটিভ ফ্ৰেম ওৱাৰ্ক কেনে ধৰণে কৰিব লাগে আৰু প্ৰশাসন আগতকৈ শক্তিশালী কৰিবৰ কাৰণে বিগত দিনৰ কাৰ্য্যকমনিকা চাই, সেই বিলাকত থকা আসোঁৱাহ দূৰ কৰি এই নতুন পদ্ধতিসমূহ নতুন নিয়ম নীতি আমাৰ নতুন চৰকাৰে আনিব বিচাৰিছে। বিগত কালত চলি অহা প্ৰশাসনীয় দিশত যথেষ্টখিনি কথা অবৈজ্ঞানিক আছিল বুলি আমি বহু ক্ষেত্ৰত দেখা পাইছিলো। সেই বাবে এতিয়া এই বিজ্ঞান সন্মত দিশেৰে আমাৰ প্ৰশাসন শক্তিশালী কৰিবৰ কাৰণে মন্ত্ৰীসকল কোনো ধৰণৰ স্থানীয় জিলা সমিতি আৰু মহকুমা পৰ্য্যায়ত কমিটিত নিদিয়াৰ কাৰণ থাকিব নোৱাৰে। এই কাৰণে থাকিব নোৱাৰে যে এই মিনিষ্ট্ৰিত যিখিনি সিদ্ধান্ত লোৱা হয় সেইসিদ্ধান্তখিনি দিচেণ্ট্ৰেলাইজেচন পলিচি। উদাহৰণস্বৰূপে দিচেণ্ট্ৰেলাইজ প্লেনিং বৰ্ড ষ্টেট প্লেনিং বৰ্ড, জিলা আৰু মহকুমা পৰ্য্যায়ৰ প্লেনিং বৰ্ড এইবিলাকৰ মাজত এটা সম্পৰ্ক আছে। যদি প্ৰশাসন ভাল কৰিব লাগে, এজন মন্ত্ৰীয়ে প্ৰশাসনীয় দক্ষতা নিৰ্ণয় কৰিবৰ কাৰণে তলৰ লেভেলত কি ধৰণে চলি আছে এই কথা স্পষ্টভাবে আৰু পোনপটীয়াভাৱে জানি থকা উচিত। কোনে কি ধৰণে কাম কৰিছে, যথোপযুক্তভাবে কম সময়ত, নিৰ্দিষ্ট সময়ত সম্পন্ন হৈছেনে নাই, এই ধৰণৰ কথা, কোনোবাই দুৰ্নীতি কৰিছে নেকি তাক চোৱা চিতা কৰাৰ

ক্ষেত্ৰত মন্ত্ৰীসকল পোনপটীয়া ভাবে দায়বদ্ধ। এই বিধানসভাৰ মজিয়াত মন্ত্ৰীসকল দায়বদ্ধ সময়ে সময়ে উত্তৰ দি থাকিব লগা হয়। সেই ক্ষেত্ৰত প্ৰশাসন নিকা কৰি ৰাখিবলৈ সকলো দিচেণ্ট্ৰালাইজ বডি, ডিষ্ট্ৰিক, চাবডিভিজনেল বডিত মন্ত্ৰীসকল থকা উচিত বুলি মই ভাবো। সেই কাৰণে এই প্ৰস্তাৱৰ বিৰোধীতা কৰিছো। সকলো দিশত প্ৰশাসন নিকা কৰি ৰাখিবৰ কাৰণে এই প্ৰস্তাৱটো মই সমৰ্থন কৰি ৰাখিব নোৱাৰো।

আগৰ চৰকাৰে কি কৰিছিল সেই বিষয়টো আমি বিচাৰ কৰি চালে ভাল হয়। আগৰ চৰকাৰৰ দিনত মন্ত্ৰীৰ পুতেক মহকুমা আৰু জিলা পৰ্য্যায়ৰ কমিটীত থাকিবই লাগিব। লাগিলে তেওঁ আণ্ডাৰ মেট্ৰিক পাছ' হওঁক বা যিয়েই হওক। তেওঁ আকৌ গ্ৰেজুৱেট শিক্ষকক নিযুক্তি দিয়ে। আণ্ডাৰ মেট্ৰিক পাছ মন্ত্ৰীৰ পুতেকে শিক্ষক আদি চিলেক্ট কৰিলেহে মহাভাৰত ৰক্ষা পৰে। এতিয়া তেনে ধৰনৰ ব্যৱস্থা থাকিব লাগেনে ভাল ব্যৱস্থা লাগে? মন্ত্ৰী, বিধায়ক সকল যদি প্ৰশাসনৰ সকলো দিশতে লিংক ৰক্ষা কৰি চলে তেতিয়াহলে বেছি নিকা প্ৰশাসন হব, ভাল চৰকাৰ হব। লগতে লোৱাৰ লেভেলত পোৱা অসুৱিধাই হওক বা অন্যান্য বডিত থকা অসুবিধা সমূহেই হওক মন্ত্ৰীক অৱগত কৰাব পাৰিব। তেতিয়া মন্ত্ৰী সকলে এই দিশত সকলো সিদ্ধান্ত ক্ষীপ্ৰতাৰে লব পাৰিব। আগতে যি আছিল আণ্ডাৰ মেট্ৰিক পাছ হলেও আই, টি, আইৰ মানুহ চিলেক্ট কৰিব পাৰে তেওঁ মাত্ৰ এটা বিশেষ ৰাজনৈতিক দলৰ মানুহ হলেই হল। এটা বিশেষ ৰাজনৈতিক দল মানুহ হলেই বা ৰুলিং পাৰ্টিৰ মানুহ হলেই তেওঁক উপযুক্ত বুলি ভাবি লোৱা হৈছিল। এতিয়াৰ চৰকাৰেতো তেনে ধৰণে কাম কৰা নাই। তাৰ উদাহৰণ স্বৰূপে আপোনালোকে দেখিছে যে গোটেই অসমত যি বুদ্ধিজিৱি আছে, বা যি অসমক ভাল পায় বা যি সকলৰ নিৰ্দ্দিষ্ট বিষয়ত অভিজ্ঞতা আছে সেইবিলাক মানুহকহে নিৰ্দ্দিষ্ট স্থানত দি থকা হৈছে। সেয়ে এতিয়া এই জিলা পৰ্য্যায়ৰ কমিটী সমূহত যে মন্ত্ৰীসকল নাথাকিব এইটো মই সমৰ্থন কৰিব নোৱাৰোঁ। কাৰণ আমি দ্ৰুতগতিত কাম কৰিবৰ কাৰণে বাইজৰ হকে কাম কৰিবৰ কাৰণে প্ৰতিশ্ৰুতিবদ্ধ। গতিকে মই ভাবো এই মন্ত্ৰীসকলক এই কমিটী সমূহত যদি ৰখা হয় তেতিয়া কাম বহু বেছি হব আৰু দুৰ্নীতি নাইকীয়া হব আৰু গতি বৃদ্ধি হব। এই প্ৰস্তাৱটো এজন অভিজ্ঞ সদস্যই উত্থাপন কৰিছে মই তেখেতক

অনুৰোধ কৰিছো এই বিষয়ে যেন আকৌ এবাৰ তেখেতে বিবেচনা কৰি চায়। এড্‌মিনিষ্ট্ৰেটিড ইমপ্ৰভমেণ্টৰ আৰু এডমিনিষ্ট্ৰেটিড ৰিফৰ্মচ্ দুটা বেলেগ বস্তু।

ভাৰতৰ অন্যান্য ষ্টেটত কি চলি আছে চাওক, উত্তৰ প্ৰদেশত তামিলনাড়ু এই প্ৰদেশ বিলাকত মন্ত্ৰী সকলেই এই বডী বিলাকত আছেনে নাই ? মই জানো আছে, যদি আছে তেন্তে ইয়াত অসমত থকাতনো কি মহাভাৰত অশুদ্ধ হয় ? সেই বিলাক প্ৰদেশত যদি মন্ত্ৰী সকলেই এই জিলা আৰু মহকুমা পৰ্য্যায়ৰ কমিটি বিলাকত নিয়ন্ত্ৰণ কৰিব পাৰে তেন্তে অসমতো থাকিলে মহাভাৰত অশুদ্ধ নহয়। সেই কাৰণেই মই এই প্ৰস্তাৱৰ বিৰোধীতা কৰিছো। লগতে আশা ৰাখিছো এই প্ৰস্তাৱৰ সকলোৰে বিৰোধিতা কৰি ইয়াক নাকচ কৰি আজিৰ এই সদনে প্ৰস্তাৱ গ্ৰহণ কৰিব।

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদাস গুপ্ত ডাঙৰীয়াই যিটো প্ৰস্তাৱ উত্থাপন কৰিছে মই সেইটোৰ প্ৰতি তীব্ৰ বিৰোধিতা কৰিছো। এই প্ৰস্তাৱটোত কোৱা হৈছে যে আমাৰ মন্ত্ৰীসকল মহকুমা জিলা বা স্থানীয় বডি বিলাকত সদস্য হিচাপে থাকিব নালাগে। এই প্ৰস্তাৱৰ মই কোনো যুক্তিযুক্ততা বিচাৰি পোৱা নাই। কাৰণ আমাৰ চৰকাৰে কিছুমান প্ৰক্ৰিয়া আৰু নীতি নিয়মৰ মাজেদি আগবাঢ়িব বিচাৰিছে। এই নীতি নিয়ম আৰু প্ৰক্ৰিয়া মাজেদি যাওঁতে, প্ৰশাসন নিকা কৰিবলৈ বিচাৰোতে মন্ত্ৰীসকল মহকুমাৰ জিলা বা স্থানীয় কমিটী সমূহত সদস্য হিচাপে থকাটোৰ মই যুক্তি যুক্ততা বিচাৰি পাইছো। তাৰোপৰি তাত মন্ত্ৰীসকল থাকিব নোৱাৰে বুলিও কোনো আইনগত নিয়মো নাই। সেই কাৰনেই মই এই প্ৰস্তাৱৰ বিৰোধীতা কৰিছো। ইতিমধ্যে আমাৰ প্ৰশাসন নিকা কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে কিছুমান বাস্তৱ নীতি লৈছে। চৰকাৰী নীতি সমূহ কাৰ্য্যকৰী কৰিবলৈ হলে আমাৰ মন্ত্ৰীসকল এই কমিটিসমূহত থকা উচিত বুলি মই ভাবো। গতিকে বিৰোধী পক্ষৰ সদস্যসকলে কি হিচাপত বা কি কাৰণত আনিছে বুজি পোৱা নাই। আমি দেখিছো আৰু মাননীয় সদস্য দেৱ কুমাৰ বৰাইও কৈছে যে অন্ধ্ৰ আৰু তামিলনাডুত তেনে জিলা আৰু মহকুমা পৰ্য্যায়ৰ কমিটীত মন্ত্ৰী সকলক অন্তভুক্ত কৰা হয়। সেয়ে মই আমাৰো মন্ত্ৰী সকলে এই কমিটী সমূহত থকাত একো অসুবিধা নাই বুলি ভাবো। মই মাননীয় সদস্য গৰাকীক

এই প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ জনাইছো। আগৰ চৰকাৰে প্ৰশাসন নিকা কৰিবৰ কাৰণে যি ব্যৱস্থা লৈছিল সেইটো আজি আৰু বহুলাই কোৱাৰ প্ৰয়োজন নাই। তেওঁলোকে যি ধৰনে কাম কৰিছিল সেই ধৰণে নকৰাৰ কাৰণে ই আজি কিছুমান খেলি মেলি সৃষ্টি হৈছে। বিগত চৰকাৰৰ দিনত আমি দেখিছিলো যে তেখেতসকলৰ ককাই ভাই বা আত্মীয়ক এই কমিটীত অন্তভূক্ত কৰিছিল। আৰু সেইসকলৰ দ্বাৰাই দূৰ্নীতিত লিপ্ত হৈছিল। তাৰ উদাহৰণ যথেষ্ট আমাৰ হাতত আছে। প্ৰয়োজন সাপেক্ষে অধ্যক্ষৰ ওচৰত দাখিল কৰিব পাৰিম। তেনে ধৰনে দূনীতি কৰিয়েই তেওঁলোকে ৩৮ বছৰে ৰাজত্ব চলালে। ইতিমধ্যে আমাৰ চৰকাৰে জনসাধাৰণক নিকা প্ৰশাসন দিব বুলি প্ৰতিশ্ৰুতি দিছে।

ইতিমধ্যে সদনৰ বাহিৰে ভিতৰে এই প্ৰতিশ্ৰুতি তেওঁলোকে দিছে। গতিকে আমাৰ যি গৰাকী বিৰোধী পক্ষৰ অভিজ্ঞ সদস্যই এই প্ৰস্তাৱটো উত্থাপন কৰিছে তেখেতে যাতে গোটেই বস্তুটো, গোটেই দিশ চালি জাৰি চায় তেখেতে এই প্ৰস্তাৱটো উঠাই লয় তাৰ বাবে অনুৰোধ জনাই মই সামৰনী মাৰিলো।

মাননীয় উপাধ্যক্ষ : এতিয়া শ্বেখ আব্দুল হামিদ আৰু শ্ৰীপ্ৰদীপ হাজৰিকা।

শ্ৰীপ্ৰদীপ হাজৰীকা : মাননীয় উপাধ্যক্ষ মহোদয়, আমি সদনত তেনেকুৱা কথা কোৱা নাছিলো আৰু আজিও নকওঁ বুলি ভাবিছিলো। তথাপি অলপমান কবলৈ বিচাৰিছো। আজি মাননীয় সদস্য শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত'দেৱে যি প্ৰস্তাৱ ডাঙি ধৰিছে সেইটো আমি বিৰোধিতা কৰিছো। আজি সদনত আমাৰ সদস্য সকলে সেইটোৰ পৰা সন্দেহ বুলি আচৰিত হব নেলাগে। তেখেতে সন্দেহ কৰাটো ঠিকেই হৈছে। এই কমিটী বিলাকৰ মাজেদি খুউব সুন্দৰ ধৰণে ৰাজনীতি কৰি অহা হৈছে। এই কমিটি বিলাকৰ মাজেদি ইমানকৈ ৰাজনীতি কৰি অহা হ'ল যে যিটোৰ নেকি এতিয়াও নিচা এৰিব পৰা নাই। কিন্তু তাৰ এতিয়া ব্যতিক্ৰম হৈছে। সেই কাৰণেই তেনেকুৱা প্ৰস্তাৱ ডাঙি ধৰাটো ঠিকেই হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, কিন্তু আমাৰ কাৰণে এই প্ৰস্তাৱটো বিৰোধিতা কৰাটো যুক্তি যুক্ত হৈছে। এই প্ৰস্তাৱটো আমি জোৰকৈ বিৰোধিতা কৰিছো।

আমি এই কমিটি বিলাকৰ মাজেদি ৰাজনীতি কৰাটো বিচৰা নাই। কলেজৰ গভৰ্নিং বোৰ্ডৰ কোনোবা এজন মেম্বাৰৰ সম্যক জ্ঞান নাই। কাৰন তেওঁ ক্লাচ চিকচলৈ পঢ়াহে। কলেজ সমূহত শৈক্ষিক পৰিবেশ গঢ়ি উঠিব লাগে। কিন্তু সেই ধৰণে কৰা হোৱা নাই। সেই কাৰণে কমিটি বিলাকত আমাৰ যিসকল মন্ত্ৰী আছে এটা সত্‌উদ্দেশ্যেৰে পোনপতীয়া ভাবে চৰকাৰৰ লগত যোগাযোগ ৰাখি সেই অনুস্থান বিলাকৰ উন্নতি সাধন কৰিবলৈ লোৱা হৈছে। এই কমিটি বিলাকত আগতে বেয়া মত্‌লব সোমাই গ'ল। সেই মত্‌লব দূৰ কৰিব লাগিব। বৰ্ত্তমান চৰকাৰে প্ৰশাসন নিকা কৰিব লাগিব। আগতে আমাৰ এই সদনৰ মাননীয় সদস্য এজনে কৈ গৈছে যে মিনিষ্টাৰ এজনে কলেজৰ কমিটিৰ প্ৰেচিডেন্ট হৈ কাম চলাব নোৱাৰে। এজন মানুহে পৃথিবীত কিমান কাম কৰে তেতিয়া হলে এজন মিনিষ্টাৰে কিয় তেনেকুৱা কাম কৰিব নোৱাৰিব। এই বিলাক যুক্তি আছেনে? এইবিলাক যুক্তি নহয়। সেই কাৰণে এই প্ৰস্তাৱক আমি সম্পুৰ্ণ বিৰোধিতা কৰিছো। এই প্ৰস্তাৱ ভাল বুলি সদনত ভুল আলোচনা কৰিছে বুলি কথাটো আমি ভাবিম। এই ভূল প্ৰস্তাৱ আমি বিচৰা নাই। সেই কাৰণে মই কৈছো যে মিনিষ্টাৰে প্ৰেচিডেন্ট, চেক্ৰেটাৰী হলে বিশেষ একো ভুল নহয়। এইবিলাক যুক্তৰ মাজেদি প্ৰস্তাৱ আহি পৰিছে। আমি যুজ কৰি যাম। আমি যুজত হতি অহা বিধৰ মানুহ নহয়। সেই কাৰণে এই প্ৰস্তাৱৰ তুৰ্ঘোৰ বিৰোধিতা কৰিছো। ধন্যবাদ।

মাননীয় উপাধ্যক্ষ: এতিয়া মাননীয় মুখ্যমন্ত্ৰীয়ে কব।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী): মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আজি মাননীয় সদস্য শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত ডাঙৰীয়াই সদনত যি প্ৰস্তাৱ উত্‌থাপন কৰিছে এই সম্পৰ্কে বিভিন্ন আলোচনা হৈ গল। মাননীয় সদস্যসকলে এই সম্পৰ্কে তেখেতসকলৰ মতামত বিভিন্ন ধৰণে দিছে। অসম গণ পৰিষদ চৰকাৰে এই বিষয়টো ভালদৰে লক্ষ্য কৰিছে আৰু প্ৰশাসনৰ তৰফৰ পৰা যত দিব লাগে তাত দিয়া হৈছে আৰু যত নিদিলে হয় তাৰ পৰা চৰকাৰ বিৰত আছে। মই ভাবো যে বৰ্ত্তমান পৰিস্থিতিত এই প্ৰস্তাৱটো উঠোৱাৰ কোনো যুক্তি থাকিব নোৱাৰে। আমি সকলোৱে সহায় সহযোগিতাৰে ৰাজ্যখনৰ উন্নতিৰ কাৰণে বিভিন্ন কাম কৰাটো বিচাৰিছো। সেই কাৰণে মহকুমা পৰ্য্যায়ত পৰিকল্পনা

উন্নয়ন পৰিষদত আমি সকলো বিধায়ক বা চৰকাৰী কিছু বিষয়াক তাত সুমোৱাই লৈছো আৰু কোনোবা মন্ত্ৰীক সভাপতিৰ দায়িত্ব দিয়া হৈছে। ঠিক তেনেকৈ উন্নয়ন মূলক কাম কাজত আমি সকলোৰে সহায় সহযোগিতা এই ৰাজ্যখনৰ উন্নতিৰ কাৰণে কাম কৰি যোৱাটো বিচাৰিছো। সেই কাৰণে তেখেত সকলৰ পৰাও সহায় সহযোগিতা বিচাৰিছো। তাৰ পৰিপ্ৰেক্ষিততেই আজি এই প্ৰস্তাৱ সদনত আলোচনা হৈছে। গতিকে মাননীয় সদস্যগৰাকীক প্ৰস্তাৱটো উঠাই লবৰ কাৰণে মই অনুৰোধ জনাইছো।

Shri Santi Ranjan Das Gupta : Mr. Deputy Speaker, Sir, while moving the resolution I started that this Govt would go for clean decentralisation of power and not autonomy. It was their promise. But the promise of the clean administration by the Council of Ministers of the A. G. P. Govt and their supporting young members were has to be worth while. What I want to say by this resolution is that up to 1983 there was rare occasion of a Minister to be President or Chairman in the District level committees, or Block level committees or any local committee. It is only from 1983 onwards, these things were introduced and the Ministers were being made Chairman of different Committees even up to the President of Schools also. Sir, some young members have raised one pertinent point that the Minister is responsible to the people and also to the House and the Minister is to defend the people, defend the executive, defend the party as will. So Minister has great responsibility. Sir, we are at the fag end of our life. We must congratulate the present Ministry for giving a promise of clean administration. But sir, there are certain rare politicians who all throughout their lives can devote in the

same manner and the society is running in such a manner that it fore as certain people to follow the path of uncleanness and sometimes they become the victims of circumstances. There are many in-stances both in history and also in present day. But Sir, I had no intention to say that the Minister cannot do justice by becoming a President also of certain committees. I have also seen the present Chief Minister has nominated one advocate, I have met him earlier also, who is rightly selected for nomination. I know they are very much worried about the burden. If they can choice persons of their choice thin they may help the Minister. Without causing any problem for the Minister they may rather help them. But Sir, when our young members want to show their giants they can wait for the power that is sleeping in them to manifest with power. I hope our hon'ble young members will manifest that energetic power that is sleeping in them and let Assam go in the path of progress and development. With these words, Sir I withdraw my resolution.

Mr. Deputy Speaker : Now, is it the Pleasure of the House to grant leave for withdrawal of the resolution ?

(Voice : Yes, yes)

Now, with the Permission of the house the Resolution is withdrawn.

শ্ৰীছহিদুল ইচলাম ঃ আজিৰ সদনে প্ৰস্তাৱ কৰে যে বিদেশী নাগৰিকৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি জন্ম আৰু মৃত্যুৰ পঞ্জিয়ন বাধ্যতামূলক কৰিবলৈ পঞ্চায়ত বিভাগৰ অধীনত থকা গাওঁ পঞ্চায়ত মহকুমা পৰিষদ আদিক উপযুক্ত নিৰ্দ্দেশ দিয়া হওঁক ।

অসমৰ গৃহবিভাগে জন্ম-মৃত্যুৰ পঞ্জীয়ন কৰিব লাগে। যোৱা ৬ বছৰ ধৰি বিদেশী আন্দোলনৰ ফলত যি অৱস্থাৰ সৃষ্টি হ'ল, তাক সমাধান কৰিবলৈ হলে জন্ম-মৃত্যুৰ হিচাব ৰাজ্যিক গৃহবিভাগ, কেন্দ্ৰীয় গৃহবিভাগৰ হাতত থকাৰ উপযুক্ত ব্যৱস্থা হব লাগে। যিহেতুকে ভাৰতবৰ্ষৰ সমস্যা জটিল আৰু এখন সীমামুৰীয়া ৰাজ্য সেইহেতুকে এই ব্যৱস্থা কট্‌কটীয়া কৰিলে সমস্যাৰ সমাধান হব আৰু তাৰ কাৰণে এই প্ৰস্তাৱটো ডাঙি ধৰিছো।

শ্ৰীচন্দ্ৰ আবান্ধৰা (পঞ্চায়ত মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে সদনত প্ৰস্তাৱটো আনিছে এই কাৰণে যে – এখেতৰ তাত গাওঁবুঢ়াৰ ব্যৱস্থাটো নাই। মোৰ দেউতা গাওঁবুঢ়া, মই জানো যে প্ৰতি সপ্তাহত জন্ম-মৃত্যুৰ হিচাব ঘৰতেই দি যায়হি, গতিকে এই প্ৰস্তাৱটো আনিব লাগে বুলি মই অনুভব কৰা নাই।

মাননীয় উপাধ্যক্ষ : আপুনি প্ৰস্তাৱটো উঠাই লব নেকি ?

শ্ৰীসহিদুল ইছলাম : অধ্যক্ষ মহোদয়, তেখেতে যিটো কথা কলে যে গাওঁবুঢ়াক জন্ম-মৃত্যুৰ হিচাব ঘৰতেই দিয়ে, কিন্তু মোৰ বাবাও বৰ্ত্তমান মৌজাদাৰ, বাবাৰ অধীনত বহুতো গাওঁবুঢ়া আছে, মই জনাত এইটো বাধ্যতামূলক কৰাৰ এনে কুৱা ব্যৱস্থা নাই। গতিকে আজি যিটো সমস্যাৰ সৃষ্টি হৈছে সেইটো গভীৰ ভাৱে অধ্যয়ন কৰা দৰকাৰ। ৰাজ্য আৰু কেন্দ্ৰত যদি জন্ম-মৃত্যুৰ একোখন লিষ্ট থাকে তেনেহলে বাহিৰৰ পৰা মানুহ আহিব নোৱাৰে। এনেধৰণৰ খেলি-মেলিৰ সৃষ্টি হব নোৱাৰে। বিৰোধী পক্ষৰ সদস্য হিচাৱে নহয়, ভৱিষ্যত বংশধৰ সকলৰ কাৰণে মই এই প্ৰস্তাৱ দিছো।

শ্ৰীচন্দ্ৰ আবান্ধৰা (মন্ত্ৰী : উপাধ্যক্ষ মহোদয়, তেখেতে যিটো কথা দৃষ্টি আকৰ্ষণ কৰিছে তাৰ পৰিপেক্ষিতত মই কওঁ যে অসম চুক্তিৰ ১৩ নং দফাত স্পষ্টভাৱে লেখা আছে।

শ্ৰীসহিদুল ইছলাম : যদি চুক্তিত আছে, তেনেহলে প্ৰক্ৰিয়াটো কি ধৰণৰ ? তলৰ পৰা দিল্লীলৈকে একেধৰণৰ লিষ্ট থাকিলে বিদেশীয়ে স্থান নাপায়।

মাননীয় উপাধ্যক্ষ : আজিৰ সদনে প্ৰস্তাৱ কৰে যে বিদেশী নাগৰিকৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি জন্ম আৰু মৃত্যুৰ পঞ্জীয়ন বাধ্যতামূলক কৰিবলৈ পঞ্চায়ত

বিভাগৰ অধীনত থকা গাওঁ পঞ্চায়ত, মহকুমা পৰিষদ আদিক উপযুক্ত নির্দ্দেশ দিয়া হওক।

Shri Amritlal Basumatary : Mr. Speaker, Sir as there is a huge backlog of employment in the Government services which the Scheduled Tribes and Scheduled Castes are entitled under the Constitution, this Assembly recommends that the backlog be fulfilled in the shortest possible time in a planned manner.

চাৰ এই কথাটো সকলোৱে জানো যে বিশেষকৈ আমাৰ যিসকল মাননীয় ট্ৰাইবেল সদস্য আছে, তেখেতসকলে ভালকৈ জানে যে আমাৰ সংবিধানিক যিটো সংৰক্ষন দিয়া হৈছে, নিয়োগৰ ক্ষেত্ৰত বহুদিন ধৰি এইবোৰ পুৰণ কৰা হোৱা নাই। বিভিন্ন অজুহাট দেখুৱাই পূৰণ নকৰাৰ বাবে অকল পুৰণা চৰকাৰক দোষাৰোপ কৰিলেই নহব। তেওঁলোকৰ দিনত যি হৈ গল গ'ল। নতুন চৰকাৰক মই অনুৰোধ কৰিছো এই সংৰক্ষণৰ ক্ষেত্ৰত কি প্লেন কৰিলে জনজাতিয় লোকৰ স্বাৰ্থৰ ৰক্ষা হব তাৰ আলোচনাৰ কাৰণে সদনত এই প্ৰস্তাৱটো ৰাখিছে। বিভিন্ন ৰাজ্যৰ নিচিনা, গুজৰাটৰ নিচিনাকৈ আন্দোলন কৰি জনজাতি, পিচপৰা জনজাতিৰ সম্প্ৰদায় সকলৰ স্বাৰ্থ ৰক্ষা হয় তাৰ বাবে আমি দাবী কৰা নাই। এই ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীসহিতুল চাহাবে সিদিনাখন সোধা এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে পাহাৰীয়া জনজাতিৰ ক্ষেত্ৰত বহুতো বেক লগ আছে। গতিকে এই বেকলগখিনি পুৰুৱাৰ কাৰণে মই সকলোকে অনুৰোধ কৰি প্ৰস্তাৱটো দাঙি ধৰিছো।

শ্ৰীদেবেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই পবিত্ৰ সদনত মাননীয় সদস্য শ্ৰীঅমৃতলাল বসুমতাৰী ডাঙৰীয়াই যিটো প্ৰস্তাৱ উত্থাপন কৰিছে মই এই প্ৰস্তাৱটোৰ তীব্ৰ বিৰোধীতা কৰিছো। কাৰণ ভাৰতীয় সংবিধানত চিডুল কাচট আৰু চিডুল ট্ৰাইব মানুহ খিনিক কেনেকৈ ৰক্ষণাবেক্ষন দিব লাগে সেইবিলাক কথা আছে। গতিকে আজিৰ সদনলৈ এই সম্পৰ্কত বেলেগ এটা প্ৰস্তাৱ অনাৰ কোনো যুক্তি নাই। যিখিনি বেকলগৰ কথা কৈছে সেইখিনি ইতিমধ্যে আমাৰ চৰকাৰৰ দৃষ্টি-

গোচৰ হৈছে। আগতেই কোৱা হৈছে যে আগৰ চৰকাৰে যি কৰিলে কৰিলে, কিন্তু নতুন চৰকাৰে এই বিলাক বিষয়ত নিশ্চয় ব্যৱস্থা লব! কাৰবি সকলৰ ক্ষেত্ৰটো যিখিনি কথা কোৱা হৈছে সেই সম্পৰ্কতো আমাৰ নতুন চৰকাৰে ব্যৱস্থা লব। গতিকে এই বিষয়ত বেলেগে প্ৰস্তাৱ অনাৰ কোনো যুক্তি নাই আৰু এই কাৰণতে মই প্ৰস্তাৱৰ বিৰোধীতা কৰিছো।

Shri Binai Khungur Basumatari : Honourable Mr. Speaker, sir, this is a ticklish issue but even then I would like to support it because the Hon'ble friend has sought here by this resolution something which is binding on the Govt. The construction of the sentence, as we have seen in this resolution, clearly indicates the huge backlog of employment in the Govt. services which the Scheduled Castes and Scheduled Tribes are entitled under the Constitution and seeks clearance of the backlog in regard to employment in the Govt. services by the people from the scheduled castes and Scheduled Tribes and other backward classes. Sir, I was fortunate to be associated with the passage of the Bill of this August House during 1978-79 when we found that Janata Govt. was in power. Now, sir, I will explain the postion. Out of the reservation of 10% of the Plain Tribes and 5% of the Hill Tribes merely 4.5% for Plain Tribes were honoured and less than 1% was honoured for the Hill Tribes. Sir, today the ratio of this constitutional commitment was increassed to 6.5% for the Plain Tribes and 2.5% for the Hill Tribes. So, it is apparent that the plain-tribes are due to get another 4.5% 1.5% for hill-tribes, which the Govt. is yet to admit. Now, sir, when this ministry was about a month old, some sort of misunderstanding was created by some

statement made by the Hon'ble Leader of the House which was interpreted by some of our tribal people that the A.G.P. Government is trying to scrap the resevation quota. Fortunately, sir, the Leader of the House had clarified it. Now, the bill, that was referred to and passed by this House, categorically points out that the placement of vacancies and upgradation of posts etc., in the Govt. Services should be filled in this principle and according to this principle the first post will go to the Scheduled Castes and the third one is to go to Scheduled tribes. When the vacancies are more then the first, seventh and eleventh are to go to the Scheduled-tribes-Hills. But in practice this is not followed. We have seen when there are 12 vacancies, the tribals got only 3 posts denying the declaration according to the constitutional commitment. That means only one post will be given to the tribal and remaining 5 vacancies are for the people belonging to general communities. Therefore, sir, if there are 12 vacancies, we are given only 2 posts in place of 3 post. In this way, sir, our people are denied all the facilities and during my tenure of this House I have seen that several Govts. have come with several commitments saying that constitutional provision will be honoured. But, sir, in actuality when it comes to the procedure of appointment, these are ignored and our people have been denied. Now, sir, presently there are lot of vacancies in the State and these vancancies have created because of the creation of the new Sub-divisions and Districts. The earlier Govt. have established Central Recruitment com-

mittees at the District level and I have a very bitter experience about it in respect of our own Mangaldai District, which is now known as Darrang District. This now Darrang District is divided into Udalguri and Mongoldoi Sub-divisions. There are about 200 vacancies in Mangaldai Sub-division and 166 vacanci s for Udalguri Suddivision. The position today is that most of the candidates selected for Mangaldai Subdivision had been employed and many candidates selected for Mangaldai Subdivision have been placed to Udalguri and out of 166 vacancies for Udalguri 66 vacancies have gone to the candidates belonging to Udalguri Subdivision and thereby about 100 posts have been denied to the people of Udalguri Subdivision, and now we hear that this selected list will expire and there by it leads us to believe that the people selected from Udalguri will be denied the jobs in the Administrative departments created at Udalguri and Mangeldoi. Therefore, sir, it is appropriate that our hon. member Shri Basumatary have moved this Resolution and we support this. We have no alternative but to support, because, we have found Sir, in the Constitution, in the matter of tribals, although it is absolutely clear, it is denied to them. Under Article 46 which is one of the Directive principle of the State policies says that the Government should look after the interest of the weaker section of the society and the keeping with this policy welfare programmes should be undertaken to meet the constitutional commitments of the tribal people. If it is there absolutely clear, we have seen that this provi-

sion is not honoured and there has been violation of this provision by not accepting the commitments. Therefor, Sir, these tribal people are there everywhere in the country as has been told by one hon. member, not only in Gujrat. It is in Assam, we are not happy. Sir, here is a new Government. we want to tell this new Government that in the matters of job also we are not happy, and I am sure, all the tribal members of this august House agree with this Resolution. In the Treasury Benches, members have opposed this. I have even said that this is not appropriate. We still say that they donot oppose this Resolution. This resolition is appropriate and because we are weak, we belong to a weaker section of the people we have no other means of getting justice. Therefore, it is our only chance in this House to voice our feelings therefore Sir, we again say that we are very very unhaypy and we hope that this House will accept this Resolution and the Govt. will stick to also the Constitutions commitments imposed upon them.

শ্ৰীদূৰ্গা দাস বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, আৰু সদন, মাননীয় শ্ৰীঅমৃতলাল বসুমতাৰী ডাঙৰীয়াই এচচি এচটি বেকলগ সম্পৰ্কে যিটো প্ৰস্তাৱ দাঙি ধৰিছে এনে নতুন প্ৰস্তাৱৰ ইয়াত প্ৰয়োজন হোৱা নাই। এই প্ৰস্তাৱৰ প্ৰয়োজন এই কাৰণে নাই বুলি আমি ভাবিছো তেখেতে নিজে জানে এই বিষয়টো সম্পৰ্কে ইতিমধ্যে আইনগত ভাবে সংৰক্ষনৰ ব্যৱস্থা কৰা হৈছে। এই কথা আমাৰ বিৰোধী পক্ষৰ মাননীয় সদস্য এগৰাকীয়েও স্বীকাৰ কৰি গৈছে। অধ্যক্ষ মহোদয় দুটামান কথা নিশ্চয় কব লাগিব। স্বাধীনতাৰ পিচৰে পৰা আজিলৈ চৰকাৰৰ যি সকল এপয়টিং এথৰিটি বা যি সকল নিযুক্তি দিব পৰা বিষয়া আছিল যি সকলে আইন কানুন কৰাৰ পাছতো এচটি এচচি সকলক বিভিন্ন বিভাগৰ কামৰ পৰা বঞ্চিত কৰিলে সেই বঞ্চিত কৰা বিষয়া সকল আৰু সেই সময়ৰ ৰাজনৈতিক

নেতা সকল তাৰ কাৰণে ১ নম্বৰতে দায়ি। যিসকল কৰ্ম্মচাৰীয়ে চাৰ্কুলাৰ থকা স্বত্বেও যিবিলাক কাৰ্য্যালয়ত চাকৰি ওলাইছিল বা ৰোষ্টাৰমতে এচ,চি এচ,টিয়ে নিযুক্তি পাব লাগিছিল অথচ উপযুক্ত লৰা ছোৱালী থকা স্বত্বেও নিদিলে আমাৰ নতুন গণপৰিষদ চৰকাৰ হোৱাৰ পাছত তেনে ঘটনা যাতে পুনৰবাৰ নঘটে তাৰ প্ৰতি-শ্ৰুতি দিব লাগিব। যদি চৰকাৰৰ ফালৰপৰা তেনে নিৰ্দ্দেশ থাকে তেনেহলে নিশ্চয় এই দ্বিতীয় প্ৰস্তাৱটোৰ কোনো প্ৰয়োজন নহব। বৰ্ত্তমান যিটো ৰোষ্টাৰ কৰি দিয়া হৈছে সেই ৰোষ্টাৰ যদি মেইণ্টেইন কৰে বা নতুন চৰকাৰে যদি সেই ৰোষ্টাৰ মেইনটেইন কৰাৰ আশ্বাস দিয়ে সেয়ে যথেষ্ট হব এই প্ৰস্তাৱৰ কোনো দৰ্কাৰ নহব। ইয়াৰ পিছত যদি কোনোবা এপয়ন্টিং ওথৰিটিয়ে এচ,টি এচ,চিক ডিপ্ৰাইভ্ কৰে আৰু যদি কোনোবা উপযুক্ত লৰা ছোৱালী থকা স্বত্বেও প্ৰমোচন বা নিযুক্তিৰ ক্ষেত্ৰত ৰোষ্টাৰ মেইনটেইন কৰাত হেমাহি দেখুৱায় তৎকালীন ভাবে লগে লগে সেই বিষয়া সকলৰ ওপৰত আমাৰ চৰকাৰে বিহিত ব্যৱস্থা কৰিবৰ কাৰণে নিশ্চয় কুণ্ঠাবোধ নকৰিব। এনেকুৱা এটা আশ্বাসৰ পিচত এই প্ৰস্তাৱৰ আমি প্ৰয়োজন বোধ কৰা নাই সেইকাৰনে প্ৰস্তাৱটোৰ বিৰোধিতা কৰিছো। লগে লগে মই কব বিচাৰিছো আমাৰ যিটো ৰোষ্টাৰ আছে সেই ৰোষ্টাৰ যাতে প্ৰকৃতাৰ্থত মেইনটেইন কৰা হয় বা ৰোষ্টাৰৰ সদব্যৱহাৰ কৰা হয় তাৰ কাৰণে মই চৰকাৰৰ ওচৰত অনুৰোধ ৰাখিছো। লগতে অৱশ্যে সময়ে সময়ে অসমৰ বিভিন্ন ঠাইত বিভিন্ন কাৰ্য্যালয়ত অসম চৰকাৰৰে নহয় কেন্দ্ৰীয় চৰকাৰৰ ৰেল ডাক-তাঁৰ সেৱা ইত্যাদি সৰ্ব্বভাৰতীয় সেৱা বিলাকৰ যি বিলাক কাৰ্য্যালয় আছে সেই কাৰ্য্যালয় বিলাকতো এই ৰোষ্টাৰ একেবাৰে মেইনটেইন কৰা হোৱা নাই। আমি জনাত মাত্ৰ ৰেল বিভাগতেই পঞ্চাশ হাজাৰটা এচ,চি এচ,টিৰ চাকৰিৰ খালি হৈ পৰি আছে। ভাৰতৰ যত বিভিন্ন ৰাজ্যত এই তুলনাত বহুত পদ খালী হয়তো আছে। অকল অসমৰ ক্ষেত্ৰতে অসমৰ বিভিন্ন তেইশটা বিভাগত— মোৰ হাতত ৰেকড আছে ৰোষ্টাৰ মেইনটেইন কৰা হোৱা নাই। সেই ৰোষ্টাৰ যদি মেইনটেন কৰিব পৰা হয় তেনেহলে এই প্ৰস্তাৱৰ দৰকাৰ নাই। এই তিয়াল্লিশটা কাৰ্য্যালয়ত শতকৰা দহ ভাগ অনুসূচীত জাতি আৰু জনজাতিৰ লোক নিয়োজিত হব লাগে কিন্তু তাৰ পৰিবৰ্ত্তে শতকৰা ৫.৫ হে মাত্ৰ পাইছে। তেনে ক্ষেত্ৰত এতিয়াও বহুত বেকলগ হৈ আছে যাৰ ফলত এই বেকলগ বিলাক কৰিলে

আমি অসমৰ ঘৰে ঘৰে গৈ ট্ৰাইবেল লৰা-ছোৱালী সকলক মাতি আনিব লাগিব। ইমানেই চাকৰি ওলাব। গতিকে আমি এই প্ৰস্তাৱৰ প্ৰয়োজন বোধ কৰা নাই। মই মাত্ৰ পুনৰবাৰ দোহাৰিছো যে ৰোষ্টাৰ মেইনটেইন কৰিব লাগে। এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰনী মাৰিলো।

Shri Charan Narzary : Hon'ble Mr. Speker, Sir, For we the tribal members of the august House the resolution moved by hon'ble Shri Amritlal Basumatary is a good peace of discussion. It is not the question of who has moved the resolution, whether it has been moved by a member of the opposition bench or the treasury bench. It is not the question. We have to look at it from the view point of our constitutional position. That is why as there is cent percent agreement with regard to the huge backlog due to the scheduled tribes and scheduled castes in respect of employment in the State, I fully endorse this resolution and I think there should be a consensus among the hon'ble members representing various political parties including the treasury bench. We should not argue for the sake of argument, we should not oppose only for the sake of opposition because it such a vital matter which affects the scheduled tribe and scheduled castes people. It also affectes the Govt. There is no harm in adopting such a resolution in the House of Parliament that on occasions, motions or resolutions moved by the opposition members are also adopted after arriving at a consensns. A motion or a resolution is not turned down on all occasions by the treasury benches only on the ground that the resolution was moved by a member of some member of the opposition. Sometimes the resolution brought in

by the opposition members is also accepted in the House. This resolution does not relate to any fresh demand for the scheduled tribes and the scheduled castes. The provisions are already there and it is binding on the Government constitutionally that the Govt. have to implement the reservation quota in view of the constitutional provisions provided for the scheduled tribes and scheduled castes. Even the State Govt. of Assam made a legislation guaranteeing the reservation of jobs for the scheduled tribes and the scheduled castes. Now the complaint is that though job reservation Act is there, constitutional guarantees are there, they are not implemented in reality as has been pointed out by hon' ble member Shri B. K. Basumatari Although there is no dearth of scheduled tribe and scheduled caste candidates for various jobs, the quota is never fulfilled. It is very strange indeed when there is no dearth of candidates, deserving candidates for various jobs, how is it that the reserved quota was never fulfilled. But unfortunately for us it has happened, it is happening and I am afraid, Sir, it will continue to happen for many more year to come. When there will be a full stop to it I do not know because everything depend on those who are entrusted with the responsibility of giving employment to the scheduled tribe and scheduled caste people. It largely depends on the mental make up of those who have to implement it, The provisions of reservation Act could not be implemented have not been implemented only because of the lack of sincerety, only because of adverse apathetic mental attitude towards

those people: What happens, Sir, in the subdivisions or district headquarters whenever any vacancy occurs, which should be filled in by a scheduled tribe or scheduled caste candidate, without knowledge of the people concerned someone is transferred.

Mr. Speaker : Hon'ble member it is 5 PM. You will continue tomorrow.

Shri Charan Narzary : Alright I will continue tomorrow th.n.

## ADJOURNMENT

Mr. Speaker : The House stands adjourned till 10 A.M. on 2nd April, 1986.

The House then rose and stood adjourned till 10 A.M. on 2nd April 1986.

Dispur
The 1st April, 1986

Dr. P. N. Hazarika,
Secretary, Assam Legislative
Assembly,